# Assam Legislative Assembly Debates

## OFFICIAL REPORT

SEVENTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE SEVENTH GENERAL ELECTION UNDER THE SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## BUDGET SESSION

VOLUME VII

No. 16

**The 27 th March, 1985**

Price Rs. 19·10

REFERENCE,
(NOT FOR ISSUE)
READING ONLY INSIDE LIBRARY

## CONTENTS

# (Budget Session)

**Volume—VII**

**No. 16**

**Dated, the 27th March 1985**


| | | Page |
|---|---|---|
| 1. | Questions and Answers ... ... | 1 |
| 2. | Voting on Demands for Grants ... ... | 16 |
| 3. | Calling Attention Notice ... ... | 99 |
| 4. | Adjournment ... ... | 101 |


—0—

REFERENCE
( NOT FOR ISSUE )
READING ONLY INSIDE LIBRARY

# STARRED

## QUESTION AND ANSWERS

( To which oral answers were given )

Date :—27th March, 1985

### Re : **Sugar Mill at Goipani.**

Shri Purna Boro, asked :

* 129. Will the Minister, Cooperation be pleased to State.

(a) Whether Govt. has any proposal to set up a Sugar Mill at Goipani near Doom Dooma in the Dibrugarh District ?

(b) If so, when it will be started ?

Shri Upendra Das ( Minister, Co-operation ) replied :

129. (a) Yes, a Co-operative Society under the name & style of Dibrugarh Co-operative Sugar Mills Ltd: has been registered in the year 1975 for this purpose.

(b) The Society has applied to Govt. of India through

State Govt. for grant of Industrial Licence for setting up the Sugar Mill with 1250 Tonnes daily crushing capacity. The Society has also taken up with National Federation of Co-operative Sugar Factories Ltd. New Delhi for formulation of project report.

On receipt of the above and provision for fund arranged, steps would be taken to implement the project.

শ্রীপূর্ণ বৰো :—এতিয়া চুগাৰ মিলটো কি অৱস্থাত আছে ? লাইচেন্স দিয়া হল নে নাই। যদি নাই হোৱা ইয়াৰ কাৰণে যোগাযোগ চলাই থকা হৈছে নে নাই ?

শ্রীউপেন্দ্র দাস (মন্ত্রী)—ভাৰত চৰকাৰৰ লগত যোগাযোগ চলাই থকা হৈছে। লাইচেন্সৰ কাৰণে দৰ্খাস্ত কৰা হৈছে।

শ্রীপূর্ণ বৰো – কেতিয়া যোগাযোগ কৰিছে ?

শ্রীউপেন্দ্র দাস (মন্ত্রী)— ১৯৭৭ চনৰ পৰাই যোগাযোগ চলাই থকা হৈছে। এ আই ডি চিক তিনিখন লাইচেন্স দিছিল।

After that AIDC decided to form co-operative society and give the licence but ultimately Govt. of India declined to give licence to the other two societies, namely Goipani and Dibrugarh.

কামপুৰৰ কাৰণে লাইচেন্স দিয়া হল আৰু সেইটো সেই মতেই চলি আছে। বাকী দুটাৰ কাৰণে ১৯৭৮ চনতেই এপ্লাই কৰা হৈছিল আৰু তাৰ লাইচেন্স ৰিজেক্ট কৰিলে। তেওঁলোকে ডাইৰেক্ট এপ্লাই কৰিবলৈ দিলে। সেইমতেই এপ্লাই কৰি যোগাযোগ চলাই থকা হৈছে।

শ্রীপূর্ণ বৰো :—লাইচেন্স নিদিবনেকি ?

শ্রীউপেন্দ্র দাস (মন্ত্রী)—পাবৰ কাৰণে যোগাযোগ চলাই থকা হৈছে।

শ্রীহেমেন দাস :—ভাৰত চৰকাৰৰ লগত অসম চৰকাৰৰ কোন বিভাগে যোগাযোগ চলাই আছে ?

শ্ৰীউপেন্দ্ৰ দাস ( মন্ত্ৰী )—ক'অপাৰেটিভ বিভাগে যোগাযোগ চলাই আছে।

শ্ৰীহেমেন দাস :- ভাৰত চৰকাৰে দৰ্খাস্ত পোৱাৰ পিছত কি কৰিছে?

শ্ৰীউপেন্দ্ৰ দাস ( মন্ত্ৰী )— তেওঁলোকক যি বিলাক ৰিপৰ্ট লাগে সেইবিলাক সংগ্ৰহ কৰিবলৈ চেষ্টা চলাই আছে।

শ্ৰীমথুৰা ডেকা :—বৰবৰী চুগাৰ মিলটে'ৰ কাৰণে আৱশ্যকীয় যন্ত্ৰ-পাতি অনা হৈছিল নে?

শ্ৰীউপেন্দ্ৰ দাস ( মন্ত্ৰী )—এইটো এটা বেলেগ প্ৰশ্ন।

শ্ৰীপূৰ্ণ বৰো :— ক'অপাৰেটিভে এই মিলটোৰ কাৰণে কিমান অংশ বিক্ৰী কৰিলে?

শ্ৰীউপেন্দ্ৰ দাস ( মন্ত্ৰী )—সেই তথ্য মোৰ হাতত নাই।

শ্ৰীপূৰ্ণ বৰো :—দেখা গৈছে যে চুগাৰ মিলটো হৈ উঠিব। কিন্তু এইটো কেতিয়া হৈ উঠিব ?

শ্ৰীউপেন্দ্ৰ দাস ( মন্ত্ৰী )—লাইচেন্স পোৱাৰ লগে লগেই হৈ উঠিব বুলি আমি আশা কৰিছো।

## *Re* : Compensation for land

Shri Bimal Goyari, asked :

*130. Will the Minister, Irrigation be pleased to state :

(a) The number of petitions claiming for compensation for the land acquired for the Dekadong F. I. scheme in 1981 under the Nalbari Sub-division ?

(b) Is it a fact that the localities within the command area of the Dekadong F. I. project are not benefitted due to technical defects since its starting ?

(c) If so, the steps taken by Government in this regard ?

Shri Zahirul Islam ( Minister, Irrigation ) replied :

130. (a) No claim petition for compensation of land acquired for Dekadong Irrigation scheme in 1981 under Nalbari Sub-division had been received so far.

(b) Certain areas within the command of the Dekadong Irrigation project are not benefitted due to sloughing of the canal banks and apheaval of the bed due to sub-soil by drostatic condition mainly in portion of left bank main canal and also due to damages to acquiduct over Rangijuli.

(c) The functioning of the canal system is proposed to be improved by providing filter on bed and sides of the affected reach and also by improvement of the canal structure.

শ্ৰীবিমল গয়াৰী ঃ– মন্ত্ৰী মহোদয়ে কৈছে যে ডোংটোৰ কাৰণে যোৱা মাটিৰ কাৰণে কোনো ক্লেইম নাই, কিন্তু মই জনাত ৫০০ৰো অধিক লোকে ক্লেইম দাখিল কৰিছে যদিও কোনো কমপেনচেচন দিয়া হোৱা নাই। ৫০০ জন লোকে যে ক্লেইম দাখিল কৰিছিল সেইটো অনুসন্ধান কৰি চাই ব্যৱস্থা কৰিবনে ?

শ্ৰীজেহিৰুল ইচলাম ( মন্ত্ৰী ) – মই জনাত নলবাৰী মহকুমাৰ ২০টা এচটিমেটৰ ভিতৰত ১৫ টাত টকা দিছিল। এই সম্পৰ্কত ক্লেম আছে নে নাই সেইটো অনুসন্ধান কৰি চাই সেই মতেই ব্যৱস্থা লোৱা হব।

শ্ৰীবিমল গয়াৰী ঃ—আমি জনাত এই প্ৰকল্পটোত কাৰিকৰী বিজুতি থকাৰ কাৰণেই ১০ ভাগৰ এক ভাগো পানী যোগান ধৰিব পৰা হোৱা নাই। ১৯৮১ চনতেই এই প্ৰকল্পটো কৰা হৈছিল যদিও ইয়াৰ দ্বাৰা ৰাইজ উপকৃত হব পৰা নাই। যিটো কেনেল কৰা হৈছে সেইটো ওখ আৰু মাজ ঠাইৰে নিনি দ আৰু কাষৰীয়া ঠাইৰে নিয়াৰ কাৰণে ওখ ঠাইলৈ পানী নাযায়। ফলত ৰাইজৰ একো কাম হোৱা নাই। গতিকে পি এচ পি আচনিৰ পৰা জনজাতীয় লোকৰ কোনো উপকাৰ হোৱা নাই। গতিকে এইটো অনুসন্ধান কৰি ব্যৱস্থা লবনে ?

শ্ৰীজেহিৰুল ইচলাম (মন্ত্ৰী)—এই আচনিটো ১৯৮১ চনতেই সম্পূৰ্ণ হৈছিল এইটো নতুন আচনি নহয়। দ্বিতীয়তে ইয়াত কিছুমান সমস্যা আছে তথাপি This is an obnoxious technical problem without clear-cut remedy and effective measures can be developed through field experiment only. মাননীয় সদস্যই কৈছে যেতিয়া মাননীয় সদস্য আৰু অফিচাৰসকলকলৈ এইটো পৰিদৰ্শণ কৰি বিহিত ব্যৱস্থা লোৱা হব।

## বিঃ খণ্ড উন্নয়নৰ পুনৰ গঠন

শ্ৰীমথুৰা ডেকাই সুধিছে :

* ১৩১। মাননীয় পঞ্চায়ত আৰু সমূহীয়া উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) পূৰ্ব্বৰ খণ্ড উন্নয়নসমূহ পুনৰ গঠন কৰাৰ কোনো সিদ্ধান্ত লৈছে নেকি জনাবনে ?

(খ) যদি লৈছে, পুনৰ গঠনৰ বেলিকা আগধৰি বিধায়ক সকলৰ পৰামৰ্শ লবনে ?

(গ) অসমত পুনৰ গঠনৰ আহিঁৰে কিমানটা উন্নয়ন খণ্ড কৰিবলৈ হাতত লৈছে জনাবনে ?

শ্ৰীতিলক গগৈ (পঞ্চায়ত আৰু সমূহীয়া উন্নয়ন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

১৩১। (ক) খণ্ড উন্নয়নসমূহ পুনৰ গঠন কৰাৰ বিষয়টো বৰ্ত্তমান চৰকাৰৰ বিবেচনাধীন হৈ আছে।

(খ) যথাসময়ত বিবেচনা কৰা হব।

(গ) এতিয়ালৈকে কোনো সঠিক সিদ্ধান্ত লোৱা হোৱা নাই।

শ্ৰীমথুৰা ডেকা :—অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে যিষাৰ কথা কৈছে তাত কিমানদূৰ সত্যতা আছে মোৰ সন্দেহ হৈছে। আমি জনাত সম্প্ৰতি কোনো

কোন ঠাইত এই খণ্ড উন্নয়ন কাৰ্য্যালয়বোৰ স্থাপন কৰা হব সেইটো ইতিমধ্যেই প্ৰায় খাটাং কৰা নজি শুনিছো। মহকুমা গঠনৰ সময়তো আমি পিছতহে গম পাইছো। গতিকে এইটোও যে তেনে নহব তাৰ কি ঠিক আছে।

শ্ৰীতিলক গগৈ ( মন্ত্ৰী )—অধ্যক্ষ মহোদয়, আমাৰ বৰ্ত্তমান যিখন পঞ্চায়ত আইন আছে সেইখন আমি অলপ সংশোধন কৰাৰ কথা চিন্তা কৰা হৈছে। এইখন কৰোতে দুটা কথা চিন্তা কৰা হৈছে। এটা হৈছে—সঠিকভাবে কাৰ্য্যকৰি কৰা আৰু আনটো হৈছে ক্ষমতা বিকেন্দ্ৰীকৰণ -এই আটাইবোৰ কথা চাবলৈ চৰকাৰী পৰ্য্যায়ত এখন হাই পাৱাৰ কমিটি আছে। আনহাতে পৈলনিং কমিচনৰ পৰাও আমাক নিয়ম ধৰি দিছে যে প্ৰতি ১ লাখ জনসংখ্যাত একোটাকৈ ব্লক হব লাগে। আমাৰ বৰ্ত্তমান যিবোৰ বিধান সভাৰ সমষ্টি আছে সেইবোৰৰ জনসংখ্যালৈ চাই প্ৰতিটো সমষ্টিতে দুটাকৈ ব্লক গঠন কৰাৰ সম্ভাৱনা আছে। এতিয়া উপায়ুক্ত আৰু মহকুমাধিপতি সকলৰ পৰা ক'ত কিমান জনসংখ্যা আছে আৰু কোন কোন ঠাইক লৈ এই খণ্ডবোৰ গঠন কৰিলে ভাল হয় সেই সম্পৰ্কে ৰিপোৰ্ট বিচৰা হৈছে। এইবোৰ কৰা শেষ হলে যেতিয়া আমাৰ গোটেই বস্তুটো এটা ফাইনেল ষ্টেজলৈ আহিব তাৰ আগতে আমি পক্ষ আৰু বিৰোধীপক্ষৰ আটাইবোৰ বিধায়কৰ লগত পৰামৰ্শ কৰি আৰু তেখেতসকলৰ পৰামৰ্শ পাৰ্য্যমানে মনত ৰাখি এই নতুন খণ্ডবোৰ গঠন কৰা হব।

Shri Barkatulla— Mr. Speaker, Sir, may I know from the Hon'ble Minister whether it is a fact that the Mahakuma Parishads have been asked to send recommendations regarding the creation of the new Blocks ?

শ্ৰীতিলক গগৈ ( মন্ত্ৰী)— অধ্যক্ষ মহোদয়, এই বিষয়টো ইতিমধ্যে আমাৰ বিবেচনাধীন হৈ আছে। চৰকাৰৰ উচ্চ ক্ষমতাসম্পন্ন কমিটি এখনে কোন কোন অঞ্চলক লৈ এই ব্লকবোৰ গঠন কৰা হব বা কোন কোন অঞ্চলক কাৰ লগত সংলগ্ন কৰা হব এই লৈ পৰীক্ষা কৰি আছে। ফাইনেল ষ্টেজলৈ অহাৰ আগতে সদস্যসকলৰ পৰামৰ্শ লোৱা হব।

Shri Barkatulla— Sir, that was not my question. My

questios was whether the Mahakuma Parishads have been asked to send their recommendations regarding creation of the new Blocks?

শ্ৰীতিলক গগৈ (মন্ত্ৰী)—অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে যিযাৰ কথা কৈছে সেই ক্ষেত্ৰত মই কব খোজো যে আমি ইয়াৰ কাৰণে তথ্যবোৰ সংগ্ৰহ কৰিহে আছো। কিয়নো এই বিষয়টো কেইবাটাও বিভাগৰ লগত জৰিত হৈ আছে। সেই কাৰণে ইয়াৰ লগত জৰিত বিভাগবোৰৰ পৰা আমি তথ্য-পাতিবোৰ সংগ্ৰহ কৰি আছো।

শ্ৰীমথুৰা ডেকা: অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে যিযাৰ কথা কৈছে তাত মোৰ সন্দেহ হৈছে। কাৰণ মহকুমা পৰিষদৰ পৰা ইতিমধ্যে পৰামৰ্শ বিচাৰিছে আৰু মহকুমা পৰিষদেও কোন কোন ঠাই আৰু কোন কোন সমবায়ক লৈ এই উন্নয়ন খণ্ড গঠন হব তাৰ এখন তালিকা পঠাইছে। মন্ত্ৰী মহোদয়ে কৈছে যে আমাৰ লগত পৰামৰ্শ কৰিব, কিন্তু এই আলোচনা কৰিবলৈ জানো সময় হব?

শ্ৰীতিলক গগৈ (মন্ত্ৰী)— অধ্যক্ষ মহোদয়, এই বিষয়ে বিভিন্ন পৰ্য্যায়ত বিভিন্ন বিভাগৰ লগত কাম কৰি থকা হৈছে। অকল মহকুমা পৰিষদতেই নহয়, ৰুৰাল ডেভেলপমেণ্ট আদি বিভাগৰ পৰাও এই হাই পাৱাৰ কমিটিয়ে তথ্য সংগ্ৰহ কৰি আছে। গোটেই বস্তুটো ফাইনেল ষ্টেজতহে চৰকাৰৰ ওচৰলৈ আহিব আৰু তেতিয়া সদস্যসকলৰ পৰামৰ্শ বিচৰা হব।

[ Starred question No: 132 was not put member being absent. ]

## *Re* : Dispensary at Doom Dooma

Shri Purna Boro, asked :

* 33. Will the Minister, Health be pleased to state :

(a) Whether the Govt. is aware that there is only one Dispensary with one Doctor at Doom Dooma Town catering the need of about $1\frac{1}{2}$ lakhs of population of the town as well as of the surrounding villages?

(b) If so, whether Govt. has any proposal to set up a well equipped Hospital Complex at Doom Dooma?

Dr. Bhumidhar Barman ( Minister, Health & F. W. ) replied :

133. (a) No. According to 1971 census, Doom Dooma Town has a population of 10, 425.

(b) Doom Dooma area is situated within Kakopather Dev. Block having a population of 53, 942 in the Block area, as per 1971 census. There are two Primary Health Centres, at Kakopather and Dangeri and three State Dispensaries at Dhola ( Saikhowaghat ), Kathalguri and Philobari, in the said Block, in addition to a 12-bedded Hospital cum-Dispensary at Doom Dooma. The said Primary Health Centres and State Dispensaries are catering to the need of medical facilities of the population of the said Block.

শ্ৰীপূৰ্ণ বড়ো :—অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে ১২ খন বিচনাৰ কথা কৈছে। অথচ তাত মাত্ৰ ডাক্তৰ এজন। এই এজন ডাক্তৰেই ১২ খন বিচনাৰ ৰোগীক কেনেকৈ চোৱা-চিতা কৰিব?

ডাঃ ভূমিধৰ বৰ্মণ ( মন্ত্ৰী )—অধ্যক্ষ মহোদয়, এইটো ঠিক হোৱা নাই। তাত আৰু এজন ডাক্তৰ নিয়োগ কৰা হব।

শ্ৰীমথুৰা ডেকা :—অধ্যক্ষ মহোদয়, চহৰ এখনত ১০ হেজাৰ জনসংখ্যা হব পাৰে। কিন্তু সেই চহৰ খনৰ বাহিৰেও ওচৰৰ অঞ্চলবোৰৰ পৰা অসংখ্য লোক

তালৈ চিকিৎসাৰ বাবে আছে। গতিকে এই আটাইবোৰ লোককে তাত চিকিৎসাৰ ব্যৱস্থা কৰিব নেলাগিবনেকি ?

ডাঃ ভূমিধৰ বৰ্ম্মণ ( মন্ত্ৰী )—অধ্যক্ষ মহোদয়, দুই এটা ব্লকৰ বাহিৰে ক'তো এখনতকৈ বেছি হস্পিটেল নাই। আনকি শ্ৰীডেকাৰ ব্লকতো এখনতকৈ বেছি হস্পিটেল নাই। অথচ ইয়াত দুখন পি, এইচ, চি আৰু ৩খন ষ্টেট ডিচ্‌পেনচাৰী আছে। সেই ফালৰ পৰা ইয়াত বেয়া হোৱা নাই।

ঘিঃ গুৱাহাটী কাৰাগাৰ

শ্ৰীমথুৰা ডেকাই সুধিছে ঃ

*১৩৪। মাননীয় জেল বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) গুৱাহাটীত থকা কাৰাগাৰখন কেতিয়া স্থানান্তৰ কৰিব জনাবনে ?

(খ) গুৱাহাটীত থকা কাৰাগাৰৰ মাটি কোনো ব্যক্তিৰ ওচৰত বিক্ৰীৰ বন্দবস্ত কৰা হৈছে নেকি ?

(গ) গুৱাহাটী জেলৰ মাটিত যি চুপাৰ মাৰ্কেট কৰাৰ চৰকাৰৰ প্ৰস্তাব আছিল সেয়া কোনো ব্যাক্তিৰ যোগে ব্যক্তিগতভাবে বজাৰ চলোৱাৰ কথাৰ যোগাযোগ চলিছে নেকি জনাবনে ?

শ্ৰীআব্দুল মুহিব মজুমদাৰ ( জেল বিভাগৰ মন্ত্ৰী )য়ে উত্তৰ দিছে ঃ

১৩৪। (ক) গুৱাহাটীত থকা কাৰাগাৰখন কেতিয়া স্থানান্তৰ কৰা হব সেই কথাটো কোৱা টান কাৰণ ইয়াৰ ব্যয়ৰ কাৰণে বহুত টকাৰ দৰকাৰ। চৰকাৰে পুজিৰ ব্যৱস্থাৰ কাৰণে চেষ্টা চলাই আছে। ধনৰ যোগান ধৰিব পাৰিলেই গুৱাহাটী কাৰাগাৰৰ স্থানান্তৰৰ কাম সোনকালে হাতত লোৱা হব।

(খ) নাই হোৱা।

(গ) ব্যক্তিগতভাবে বজাৰ চলোৱাৰ কোনো প্ৰস্তাব চৰকাৰৰ নাই।

শ্ৰীমথুৰা ডেকা :—অধ্যক্ষ মহোদয়, কাৰাগাৰ স্থানান্তৰ কৰাৰ কাৰণ চৰকাৰৰ টকা নাই। অথচ আধাৰশিলা স্থাপন কৰা হল এবছৰ আগতে। এইটো কেনে ধৰণৰ কথা ?

শ্ৰীআব্দুল মুহিব মজুমদাৰ ( মন্ত্ৰী )—অধ্যক্ষ মহোদয়, টকা যে একেবাৰে নাই সেইটো নহয় । যোৱা বছৰ আমি আধাৰশিলা স্থাপন কৰাৰ পিচত ইয়াত মাটি জৰীপ, মাটি পোটা আৰু বেৰ দিয়া আদি কামৰ কাৰণে ১ লাখ ৫১ হাজাৰ ৩৫ টকা খৰছ কৰিছোহক। গোটেই কামটোৰ কাৰণে আমাক প্ৰায় ৫ কোটিমান টকা লাগিব। এই ফাইনেন্স কমিটিৰ পৰা আমি এই টকা পাম বুলি ভাবিছো।

শ্ৰীমথুৰা ডেকা :—অধ্যক্ষ মহোদয়, টকাৰ কথাটো বুজিলো। কিন্তু বৰ্ত্তমান কাৰাগাৰৰ মাটি কোন ব্যক্তিগত মানুহক দিব বুলি চাৰিওপিনে গুজব ওলাইছে সেইটো সচানেকি ?

শ্ৰীআব্দুল মুহিব মজুমদাৰ ( মন্ত্ৰী )— অধ্যক্ষ মহোদয়, এইবোৰ মিছা প্ৰচাৰ চলিছে।

শ্ৰীমথুৰা ডেকা : —অধ্যক্ষ মহোদয়, এই কাৰাগাৰৰ মাটি কোনো ব্যক্তিগত লোকৰ হাতলৈ নাযায় বুলি মন্ত্ৰী মহোদয়ে প্ৰতিশ্ৰুতি দিবনেকি ?

শ্ৰীআব্দুল মুহিব মজুমদাৰ ( মন্ত্ৰী )-- অধ্যক্ষ মহোদয়, এনে ধৰণৰ কোনো কথা চৰকাৰে চিন্তা কৰা নাই আৰু সেয়ে প্ৰতিশ্ৰুতি দিয়াৰ প্ৰশ্নও নুঠে।

## ৰিঃ কৃষি বাণিজ্যিক নিগমৰ সভাপতিৰ বিশ্ব ভ্ৰমণ

শ্ৰীমথুৰা ডেকাই সুধিছে :

*১৩৫। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) কৃষি বাণিজ্যিক নিগমৰ সভাপতি ১৯৮৩-৮৪ আৰু ১৯৮৪ ৮৫ চনত বিশ্ব ভ্ৰমণত যোৱাটো সত্যনে ?

(খ) উক্ত সভাপতিজনে বিশ্বভ্ৰমণৰ সময়ত কোন কোন চহৰত গৈছিল আৰু কোন চহৰত কিমান দিন আছিল ?

(গ) এই ভ্ৰমণটো শিক্ষামুলকনে কি জনাবনে ?

(ঘ) সৰ্ব্বমুঠ দুয়ো বেলিৰ ভ্ৰমণত কিমান টকা খৰছ হৈছে জনাবনে ?

শ্ৰীগোলক ৰাজবংশী ( কৃষি বিভাগৰ মন্ত্ৰী )যে উত্তৰ দিছে ঃ

১৩৫। (ক) ১৯৮৩-৮৪ চনত বিশ্বভ্ৰমণত যোৱাটো সঁচা, কিন্তু ১৯৮৪-৮৫ চনত দক্ষিণ পূৱ এচিয়া ভ্ৰমণতহে গৈছিল।

(খ) ইয়াৰ তালিকা এখন সদনৰ মজিয়াত উপস্থাপন কৰা হৈছে।

(গ) শিক্ষামূলক ।

(ঘ) ১৯৮৩-৮৪ চনৰ বিশ্ব ভ্ৰমণত ৩৯,৪৭৭.৪২ টকা খৰছ হৈছে। ১৯৮৪-৮৫ চনৰ খৰছ অসম ৰাজ্যিক কৃষি সামগ্ৰী বিপনন পৰিষদে বহন কৰা নাই।

শ্ৰীমথুৰা ডেকা ঃ– অধ্যক্ষ মহোদয়, এই টকা কোনে বহন কৰিছে ?

শ্ৰীগোলক ৰাজবংশী ( মন্ত্ৰী )— অধ্যক্ষ মহোদয়, তেখেতে যিহেতু ব্যক্তিগত হিচাবে গৈছে সেয়ে আমি এই বিষয়ে খবৰ লোৱা নাই।

শ্ৰীমথুৰা ডেকা ঃ—অধ ক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে যিখন তালিকা দিলে সেই তালিকাৰ পৰা দেখা গল যে তেখেতে অ'ত দুদিন, ত'ত এদিনকৈ কটাইছে। তেখেতে এইবোৰ ঠাইত কি কি কাৰণে গৈছিল আৰু ক'ত আছিল— এয়াৰ পৰ্টত আছিল নে হোটেলত আছিল আৰু তাত থকা সময়ত অফিচৰ কাম কৰিছিল নে আন কিবা কৰিছিল তাৰ কোনো উল্লেখ নাই। নে এয়াৰ পৰ্টৰ পৰাই ঘূৰি আহি চৰকাৰক কিবা ৰিপোৰ্ট দিছে সেইটো জনাবনে ?

শ্ৰীগলোক ৰাজবংশী ( মন্ত্ৰী )— অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে সবিশেষ জানিবলৈ বিচাৰিছে যেতিয়া মই জনাব পাৰো। কিন্তু ই বৰ দীঘলীয়া ১১ পৃষ্ঠাৰ। মই সদনত পঢ়ি দিব পাৰো। কিন্তু সময় লব। এই ক্ষেত্ৰত মই এইটোকে কব পাৰো যে তেখেতে এই ঠাইবোৰ ঘূৰাৰ কাৰণে যিমান সময় লৈছে তাতকৈ কাম বেছি কৰিছে।

শ্ৰীহেমেন দাস :—অধ্যক্ষ মহোদয়, এই ভ্ৰমণৰ পিছত আন এটা ভ্ৰমণত টকা তেখেতে নিজে খৰচ কৰিছে। কিন্তু এই টকাটো দিলে কোনে সেই কথাটো অনুসন্ধানৰ বিষয় হৈছে। কাৰণ তেখেত নিশ্চয় অকলে যোৱা নাছিল।

শ্ৰীগোলক ৰাজবংশী ( মন্ত্ৰী )— অধ্যক্ষ মহোদয়, যিহেতু পিচৰবাৰ ভ্ৰমণত যাওতে আমাৰ কোনো তেখেতে কোনো অনুমতি বিচৰা নাই আৰু মাৰ্কেটিং পৰিষদৰ সভাপতি হিচাবেও যোৱা নাছিল, সেই কাৰণে আমি ইয়াৰ খবৰ ৰখা নাই।

শ্ৰীহেমেন দাস :— অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কৈছে যে তেখেতে মাৰ্কেটিং পৰিষদৰ সভাপতি হিচাবে যোৱা নাই। তেন্তে কি হিচাবে গৈছে আৰু ইয়াৰ টকা কোনে বহন কৰিছে, এই গোটেই বিষয়টোৰ এটা তদন্ত হব লাগে।

শ্ৰীগোলক ৰাজবংশী ( মন্ত্ৰী )— অধ্যক্ষ মহোদয়, এইটো তেখেতৰ ব্যক্তিগত ভ্ৰমণ কাৰণে আমাৰ লগত যোগাযোগ কৰাৰ কোনো ৰেকৰ্ড নাই।

শ্ৰীহেমেন দাস :—অধ্যক্ষ মহোদয়, এই মানুহজন মন্ত্ৰীৰ লগত গৈছিল অথচ টকা কোনে দিলে চৰকাৰে সেইটো নাজানে। এই ভ্ৰমণৰ দ্বাৰা বজাৰ সম্পৰ্কে তেখেতে কি শিক্ষা লাভ কৰিছিল আৰু তাৰ পৰা আমাৰ কি লাভ হৈছে সেইটো মন্ত্ৰী মহোদয়ে জনাবনে?

শ্ৰীগোলক ৰাজবংশী ( মন্ত্ৰী )— অধ্যক্ষ মাহাদয়, তেখেতে যিবোৰ পৰামৰ্শ দিছে সেইবোৰৰ ভিতৰত বিশেষকৈ মাৰ্কেটিং সম্পৰ্কে আমাক অতি গুৰুত্বপূৰ্ণ পৰামৰ্শ আগবঢ়াইছে। তেখেতৰ এই পৰামৰ্শ আমি বিভাগে কাৰ্য্যকৰী কৰিব পাৰোনে নোৱাৰো সেই বিষয়ে চিন্তা কৰি আছো।

শ্ৰীহেমেন দাস :—কেনে পৰামৰ্শ দিছে জনাবনে?

শ্ৰীগোলক ৰাজবংশী ( মন্ত্ৰী )— অধ্যক্ষ মহোদয়, তেখেতে আমাক এটা ভাল পৰামৰ্শ আগবঢ়াইছে— এইটো হল কেনেকৈ ব্যক্তিগত মালিকিস্বত্ব নেহেৰুৱাকৈ সমবায় কৰি কেনে ধৰণে মাৰ্কেটিং কৰিব পাৰি, এমালগেমেচন কৰিব পাৰি, ইৰিগেচন, ট্ৰেক্টৰাইজেচন কৰিব পাৰি আদি। এই আটাইবোৰ কথা আমি ৰূপায়িত কৰিব পাৰো নে নোৱাৰো সেই বিষয়ে চিন্তা কৰি আছো।

শ্ৰীহেমেন দাস :—অধ্যক্ষ মহোদয়, এগ্ৰিকালচাৰ ফাৰ্মিং কৰ্পোৰেচন অসমত বহুদিনৰ পৰাই চলি আছে। সমবায়ো অসমত নতুন নহয়— এইটো চৰকাৰী নীতি। গতিকে এই পৰামৰ্শৰ পৰা কি লাভ হব?

শ্ৰীগোলক ৰাজবংশী (মন্ত্ৰী)— অধ্যক্ষ মহোদয়, মাৰ্কেটিং কৰ্পোৰেচনৰ বেলিকা কথা হল মাটিৰ ব্যক্তিগত মালিক নাথাকে। সমবায়ৰ বেলিকা মাটিৰ মালিক থাকে। সেই কাৰণেই এই বস্তুটো চালি-জাৰি চোৱাৰ আৱশ্যক হৈছে।

শ্ৰীহেমেন দাস :—অধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত কৃষি বিভাগে উৎপাদন কৰিলেহে মাৰ্কেটিং বিভাগে মাৰ্কেট কৰিব পাৰিব। এই কৃষি বিভাগৰ লগত মাটিৰ সম্পৰ্ক আছে আৰু মাটিৰ লগত আইনৰ সম্পৰ্ক আছে। এতিয়া কৃষিৰ উৎপাদন বঢ়োৱাৰ আগতেই কিয় মাৰ্কেটিঙৰ কথা চিন্তা কৰা হল?

শ্ৰীগোলক ৰাজবংশী (মন্ত্ৰী)—মই সদস্যজনক বুজাব পৰা নাই। কৃষিৰ উৎপাদন বঢ়াবৰ কাৰণে মাৰ্কেটিং বোৰ্ডে কিছুমান অসুবিধা পাইছো। সেই অসুবিধাবোৰ দূৰ কৰাৰ কাৰণে চিন্তা কৰা হৈছে আৰু ইয়াৰ পিচত কৃষিৰ উৎপাদনো বাঢ়িব।

শ্ৰীহেমেন দাস :—অধ্যক্ষ মহোদয়, উৎপাদনৰ বিষয়টো হৈছে কৃষি বিভাগৰ বিষয়। সামগ্ৰী উৎপাদন হোৱাৰ পিচতহে মাৰ্কেটিঙৰ প্ৰশ্ন আহে। এই ক্ষেত্ৰত মাৰ্কেটিঙৰ প্ৰশ্ন নাই।

শ্ৰীগোলক ৰাজবংশী (মন্ত্ৰী)-- কৃষিৰ উৎপাদন বৃদ্ধি নহলে মাৰ্কেটিং ক'ৰ পৰা হব? সেই কাৰণেই আমি কৃষি উৎপাদন বৃদ্ধিৰ কাৰণে ব্যৱস্থা হাতত লৈছো।

শ্ৰীহেমেন দাস :—অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে জনাবনে যে এগ্ৰিকালচাৰেল কৰ্পোৰেচনে উৎপাদন বৃদ্ধিৰ কাৰণে কৃষি বিভাগক কি কি সাহায্য আগবঢ়াইছে।

শ্ৰীগোলক ৰাজবংশী (মন্ত্ৰী)- উৎপাদন আৰু মাৰ্কেটিং এই দুয়োটাৰেই সমন্বয় আছে। উৎপাদন বেছি নহলে মাৰ্কেটিং বেছি হব নোৱাৰে। আমাৰ বৰ্ত্তমান যি উৎপাদন তাৰ লগত সামঞ্জস্য ৰাখি এই গোটেই বস্তুটো সমূহীয়া ভাবে আলোচনা কৰিবলগীয়া হৈছে।

## ৰি: এম, এন, পি আচনিত দিয়া মাটি

শ্ৰীমথুৰা ডেকাই সুধিছে:

* ১৩৬। মাননীয় ৰাজহবিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

(ক) এম-এন-পি আচনিত বৰ্ত্তমানলৈকে কিমান সংখ্যক লোকক মাটি দিয়া হল জনাবনে?

(খ) এই আচনিত মাটি দিয়া লোকক ঘৰ সজাৰ বাবে কিমানকৈ টকা দিছে জনাবনে?

(গ) মাটি দিয়া লোকসকলক জীবিকাৰ মাধ্যমৰ কোনো ব্যৱস্থা দিছে নে?

শ্ৰীপদম বাহাদুৰ চৌহান (ৰাজহ বিভাগৰ ৰাজিাক মন্ত্ৰী)য়ে উত্তৰ দিছে:

১৩৬। (ক) ১৯৭৪-৭৫ চনৰ পৰা ১৯৮৪-৮৫ চনলৈকে ১,১৫,১২৬ টা পৰিয়ালক মাটি দিয়া হৈছে।

(খ) এই আচনিত মাটি দিয়া লোকক ঘৰ সজাবৰ বাবে প্ৰতি পৰিয়ালক ৫০০ টকা দিয়া হৈছে।

(গ) দিয়া হোৱা নাই।

শ্ৰীমথুৰা ডেকা:—মাননীয় অধ্যক্ষ মহোদয় এই যে এম-এন-পি, আচনিত মাটি দিছে ৭৫০ টকা দিছে ঘৰ সাজিবৰ কাৰণে। জীৱন নিৰ্ব্বাহৰ কাৰণে কি কৰিছে? এই মানুহবিলাকে দূৰ-দূৰণিত গৈ কি কৰি খাব? মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব পাৰোনে?

শ্ৰীপদম বাহাদুৰ চৌহান (মন্ত্ৰী)—অধ্যক্ষ মহোদয়, এই এম-এন-পি প্ৰগ্ৰেম সৰ্ব্বভাৰতীয় প্ৰগ্ৰেম। এই প্ৰগ্ৰেমত উপাৰ্জনৰ পথ দিয়াৰ কাৰণে ব্যৱস্থা ৰখা হোৱা নাই।

শ্ৰীমথুৰা ডেকা:—মাননীয় অধ্যক্ষ মহোদয়, সৰ্ব্বভাৰতীয় প্ৰগ্ৰেমবিলাক মানি লব নেকি? মানুহবিলাকে পাহাৰত গৈ কি খাই জীয়াই থাকিব? তেওঁলোকক চোৰ, ডকাইত কৰাৰ কাৰণে এই ব্যৱস্থা কৰা হৈছে নেকি? চৰকাৰে এই এম-এন-পি আচনি ডকাইটি শিক্ষা দিয়াৰ কাৰণে লৈছে নেকি? মন্ত্ৰী মহোদয়ে উত্তৰ দিবনে?

শ্ৰীপদম বাহাদুৰ চৌহান ( মন্ত্ৰী )— অধ্যক্ষ মহোদয়, এই আচনিৰ জৰিয়তে যিখিনি ভূমিহীন মানুহ তেওঁলোকক গৃহ নিৰ্মাণৰ কাৰণে ৫শ টকা আৰু মাটি উন্নতি কৰাৰ কাৰণে আঢ়ৈ শ টকা দিয়া হৈছে। মুঠ ৭৫০ টকা ঠাইখিনি থিকঠাক কৰি লৈ নিজৰ মাটিতে যাতে ঘৰ বান্ধি থাকিব পাৰে তাৰ ব্যৱস্থা লোৱা হৈছে। আৰু আই-আৰ-দি-পিৰ জৰিয়তে ঋণ দিয়াৰ ব্যৱস্থা কৰা হৈছে।

শ্ৰীৰমেশ ফুকন :—অধ্যক্ষ মহোদয়, এই আচনিত মাটি দিয়াৰ ক্ষেত্ৰত দেখা গৈছে যে আবণ্টন দিয়া হৈছে, কিন্তু মাটি দখল দিয়া হোৱা নাই। আবণ্টন দিয়াৰ লগে লগে যাতে মাটি দখল দিয়া হয়, সেইটো মন্ত্ৰী মহোদয়ে বিভাগীয় কৰ্তৃপক্ষক নিৰ্দ্দেশ দিব লাগে। যিসকলক আবণ্টন দিয়া হৈছে সেই মাটি সেইসকলক দখল চমজাই নিদি চৰকাৰে এই আচনিত বিতৰণ কৰা দেখা গৈছে। তাত বেদখলো চলি আছে। তাৰফলত সংঘৰ্ষ হৈছে। সেই কাৰণে চৰকাৰে প্ৰকৃতপক্ষে বণ্টন দিয়াৰ লগে লগে মাটিৰ দখল চমজাই দিয়াৰ ব্যৱস্থাৰ প্ৰতিশ্ৰুতি দিব নে ?

শ্ৰীপদম বাহাদুৰ চৌহান ( মন্ত্ৰী )— অধ্যক্ষ মহোদয়, এম-এন-পি আচনিৰ যোগেদি যি মাটি দিয়া হয় সেই ক্ষেত্ৰত আবণ্টন পত্ৰ দিয়াৰ আগতে মাটি সমজাই দিব লাগে। আবণ্টন পত্ৰ দিছে কিন্তু মাটি দিয়া নাই, এনেকুৱা যদি কিবা উদাহৰণ আছে মোক জনালে মই নিশ্চয় ব্যৱস্থা লম।

শ্ৰীমথুৰা ডেকা :—অধ্যক্ষ মহোদয়, যিসকলক এই এম-এন-পি আচনিৰ জৰিয়তে ঘৰ সাজিবৰ কাৰণে টকা দিয়া হল তেওঁলোকৰ জীৱন নিৰ্ব্বাহৰ কাৰণে কিবা উপাৰ্জনৰ আচনি আছে নেকি ? সেইটো মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীপদম বাহাদুৰ চৌহান ( মন্ত্ৰী )—অধ্যক্ষ মহোদয়, মই আগতে কৈছোৱেই এই এম-এন-পি আচনিৰ জৰিয়তে ভূমিহীন মানুহক গৃহ নিৰ্মাণৰ কাৰণে মাটি দিয়াৰ উদ্দেশ্য লৈ এই আচনি লোৱা হৈছে সেইখিনি মানুহক আই-আৰ-দি-পিৰ জৰিয়তে যাতে ঋণ দিব পৰা যায় তাৰ ব্যৱস্থা লোৱা হৈছে।

Mr. Speaker :—Now, Item No 2.

শ্ৰীচিৰাজুদ্দিন আহমেদ ,—অধ্যক্ষ মহোদয় মোৰ এটা পইণ্ট অব অৰদাৰ আছে। প্ৰশ্নৰ সময় হৈছে ১ ঘণ্টা। কিন্তু সদায় দেখা গৈছে আধা ঘণ্টাত শেষ হৈ যায়

এই বাজেট অধিবেশনত আমাৰ ফালৰ পৰা বহুতো প্ৰশ্ন দিয়া হৈছে আৰু তাৰ যথাযথ উত্তৰ পাম বুলি আশা কৰিছিলো। কিন্তু দেখা গৈছে সেইটো হৈ উঠা নাই। সেই কাৰণে মই আপোনাৰ দৃষ্টি আকৰ্ষণ কৰিলো।

Mr. Speaker :—It is very good but this is not a point of order. Now, Grant No. 43.

## VOTING ON DEMANDS FOR GRANTS

Shri Ranendra Narayan Basumatary (Minister)—On the recommendation of the Governor of Assam, I beg, Sir, to move that a sum of Rs. 12,03,09,000, be granted to the Minister-in-charge to defray the charges which will come in course of payment during the year ending the 31st March, 1985, for the administration of "Welfare of Scheduled Castes/Schedule Tribes and other Backward Classes".

Mr. Speaker :—There are two cut-motions, one is tabled by the Hon'ble members Shri Mohammad Hussain, Shri Alit Chandra Boro, Shri Tajamul Ali Laskar and Shri Binoy Kumar Basumatary and the other one is moved by the Hon'ble Member Shri Mathura Deka. Now, Shri Basumatary is to move the cut-motion.

Shri Binoy Kumar Basumatary :—Sir, I beg to move that the total provision of Rs. 12, 03, 09, 000 under Grant

No.43 in respect of "Welfare of Scheduled Castes/Scheduled Tribes and Other Backward Classes", at pages 132-173 of Volume II. Part I of the Budget, be reduced to Re. 1., i. e., the amount of the whole grant of Rs. 12,03,09,000, do stand reduced to Re 1.

Mr. Speaker :—Now, Shri Mathura Deka is to move.

শ্ৰীমথুৰা ডেকা :—মাননীয় অধ্যক্ষ মহোদয়, এচ-চি আৰু এচ-টি কল্যাণৰ শিতানত গ্ৰান্ত নং ৪৩ পৃষ্ঠা ১৩৭—১৭৩ মুঠ টকাৰ এটকাৰে হ্ৰাস অৰ্থাৎ মুঠ ১২ কোটি ৩ লাখ ৯ হাজাৰৰ পৰা এটকালৈ হ্ৰাস কৰিবলৈ মই প্ৰস্তাৱ দাঙি ধৰিলো।

Shri Binoy Kumar Basumatary— Mr. Speaker, Sir, I rise to suggest some alternative policies with regard to this grant No. 43 because the amount of Rs. 12,03,09,000/- which is earmarked for the welfare of the Scheduled Tribes and Other Backward Classes is in most cases misutilised, for instance, the budget details at page 133 amply demonstrate that in the Direction of Administration this Department is only spending Rs: 2·58 crores which is more than 20%. This department is again a very heavy department which is spending 20% of the total allocation for its establishment and there are very few departments under this State Govt. which takes 20% of its total allocation for its management and direction. Sir, perhaps Govt. will come up with an explanation that since tribals are spread all over the State, so many offices of this department are required to function all over the State. But, sir, we have seen that the offices of

the welfare of Scheduled Castes and Scheduled Tribes and other Backward Classes all over the State are not even manned properly. Then, sir, according to the direction of the Govt. of India 19 ITDP areas are to be supervised and managed by Senior A. C. S. Class I people whose rank should be equivalent to that of the Addl. D. C. But, sir, we have seen only 9 or 10 such officers have been appointed in these areas and most of them are not given proper powers to their respective areas. Then, sir, we have in this State, a Rural Development Deptt. where the officers of the Deptt. are called Project Directors and their rank is also equivalent to that of the Addl. D.C. Here in this deptt we have noticed that the officers are called the Project Director but in case of those tribal areas they are called Project Officers and as a result of which, a feeling of inferiority is prevailing among the officers. Therefore, sir, to remove this feeling of inferiority complex the names and designation of these officers should also be named and atyled as Project Director as that of DRDA. What are the facilities. Now what are the facilities they are getting, they have got good staff, good organisation and so etc. where as in the case of ITDP areas even the staff are not upto the mark. They have not been even provided with vehicles. I have been repeatedly telling the Govt. that the vehicles given to the ITDP are being utilised for law and order duties and not used for the purpose for which these are allotted. For these reasons there is a general sense of neglect towards development works in these areas and as a result the welfare works of Scheduled Tirbes, Scheduled castes and other backward classes are suffering.

If we go to the next page, page 134 we get the details of allocation. Sir, you will see that this Deptt. have made allocation in a very careless manner and it does not do justice to the Scheduled Tribes. For instance at page 134, item"3-C-Welfare of Scheduled Tribes" for General, Plan and Non-Plan and Sixth Scheduled Areas comes a total of only Rs. 61 lacs, whereas for Welfare of other Backward Classes an amount of Rs. 93 lakhs. Now, if you go further down then you will see Sir, that for welfare of Tea Garden and Ex-tea Garden tribes in non-plan head the amount given is Rs. 1 crore. This itself is a misrepresentation about the actual existence of the tea garden and ex-tea garden tribes and this allocation proves that there are more tea garden and ex-tea garden tribes in Sixth Schedule areas. Sir, there are between 35 to 45 lacs of tea garden people for which only Rs. 10 lakhs are provided, whereas for Sixth Scheduled areas Rs. 1 crore has been earmarked. Therefore, Sir, I say that the Deptt. does not have correct knowledge about the position, neither they have made any survey on the matter. They are perhaps bound by the ideas that all the tea garden tribes have gone to the Hills, and for that they allocated in the budget in the manner aforesaid. There may be some lakhs of tea garden tribes in the Sixth Scheduled areas, but what is the purpose of giving them Rs. 1 crore when their counterpart in the plains are having a large section of the population. Therefore Sir, I oppose this grant and I demand that the budget should be reallocated as it is not doing justice to the people for whom it is meant for. There is, I am afraid another allocation—"9.1 Maintenance Expenditure, Normalisation of Sixth Plan

Scheme. I would therefore demand that the Deptt come up with detailed report of normalisation of Sixth Plan Schemes which is being carried over to-day. Then there are many things about the TSP schemes. As per policy in every sub-division there are committees for ITDP areas. There are committees in areas which are outside the ITDP areas and these committees are mostly nominated and the therefore the Departments do not care for them. The actual position is that the Committees are to decide about the plan and expenditure of the TSP plan and every Deptt. is supposed to get their plans approved by these Committees. But what is our experience ? These are absolute farce. The M. L. As are also members of these committees. But the Deptts. do not approach these Committees at all. I repeat which I said earlier in respect of Co-operative Deptt.. The Deptts send the allocation to the Committees but ultimately the Finance is released by the Registrar or the Secretary of the Govt. and they release the finance directly to the beneficieries where the tribals are absent. This fact, I have brought time and again before the House, but did not get any justice. It is becoming a waste of time repeating the same thing again and again. We are not getting our share. What is the alternative left for us ? That is very simple and clear—a separation from Assam, we should be given a State., There is no other solution. With these, I conclude Sir.

শ্ৰীমথুৰা ডেকা :—মাননীয় অধ্যক্ষ মহোদয়, এচ-চি, এচ-টিৰ কল্যাণৰ কাৰণে যি মঞ্জুৰী বিচাৰিছে সেই সম্পৰ্কে মই কৰ্তন প্ৰস্তাৱ আনিছো সেই বিষয়ে কেইআষাৰমান কব বিচাৰিছো। অসম ৰাজ্যখনত এচ-টি, এচ-চি লোকৰ সংখ্যা বহুত

বেছি আৰু ট্ৰাইবেল সকলেই আমাৰ দেশৰ অধিবাসী লোক। আজিও তেওঁ-লোকক আমি অৱহেলিত কৰি ৰাখিছো আৰু তেওঁলোকৰ পৰা আতৰি গৈ আছো। এই বিষয়ে মই এখন কিতাপত এটা দীঘলীয়া কবিতা লিখিছো, আমাৰ মন্ত্ৰী মহোদয়ে পঢ়ক তাত লিখিছো কেনেকৈ জনজাতীয় ৰাইজৰ জন্ম হ'ল।

মাননীয় অধ্যক্ষ, মহোদয়, এই জনজাতীয় লোকসকলৰ কেনেকৈ মঙ্গল কৰিব পৰা যায়, কেনেকৈ উন্নতি কৰিব পৰা যায় তাৰ কাৰণেই এই বাজেটত এই দাবী মঞ্জুৰী বিচাৰিছো। কিন্তু মাননীয় অধ্যক্ষ মহোদয়, আমি ইয়াত দেখা পাইছো যে মাটি কিনা, মটৰ গাড়ী কিনা আদিৰ কাৰণেহে টকা ধৰিছে। যেনে,—মটৰ, অফিচ, দৰ্মহা ইত্যাদিৰ কাৰণে ৭ লাখ, মাটিৰ উন্নয়ণ আদিৰ কাৰণে ৫ লাখ টকা ধৰা হৈছে। মই সমালোচনা কৰিব খোজা নাই। আমাৰ মাননীয় মন্ত্ৰীজনো এই জনজাতীয় সম্প্ৰদায়ৰে। সেই হিচাবেহে মই কৈছো, এখন ট্ৰাইবেল বসতিৰ গাওঁ লওঁক, লৈ সেই গাওঁখন গৃহনিৰ্ম্মাণকে আদি কৰি সকলো ফালৰ পৰাই আদৰ্শ গাওঁ হিচাবে সজাই তোলক যাতে সেই গাওঁখন এখন প্ৰদৰ্শনীৰ গাওঁ হব পাৰে। এম-এন-পিৰ কথাটো ইয়াত উত্থাপন নকৰো। ঘৰ সাজি দিয়ক, দীৰ্ঘকালীন হিচাবে লোন দিয়াৰ ব্যৱস্থা কৰক, মাহে অন্ততঃ পাচ টকা মানহে যাতে ঘৰৰ ভাৰা দিবলগীয়া হয় ইত্যাদি।

মাননীয় অধ্যক্ষ:—মাননীয় সদস্যজনে মোৰ জৰিয়তে কোৱা নাই যেতিয়া পোৱা টান হব।

শ্ৰীমথুৰা ডেকা:—মাননীয় অধ্যক্ষ মহোদয়, কৈছো। আমাৰ যিসকল জনজাতীয় মহিলা আছে সেই মহিলাসকল বোৱা-কটা আদি কামবিলাকত ওস্তাদ। যি 'ডিজাইনেই' নিদিয়কলাগে সেইবিলাক সুন্দৰ ভাবে বৈ দিব পাৰে। এইবিলাকৰ চাহিদাও বহুত বেছি। বজাৰৰ পৰা আমাৰ ডেকাসকলে নগা চাদৰ বিলাক কিনি গাত লয়। কিন্তু এই জনজাতীয় মহিলাসকলে ঘৰৰ অভাবত, সূতাৰ অভাৱত, শাল আদিৰ অভাবত ভুগিব লাগিছে। চোতালতে শাল তৰি লৈছে। সেই শাল যেতিয়া ৰাতি বৰষুণ আহে সামৰি থৈছে ইত্যাদি কথাবিলাক হৈ আছে। অন্ততঃ মাননীয় মন্ত্ৰী মহোদয়ে এই মহিলাসকলৰ কাৰণে এই

কামখিনি কৰিব পাৰিলে বা এখন সুন্দৰ আদৰ্শ ট্ৰাইবেল গাওঁ গঢ়ি তুলিব পাৰিলে তেখেতেই এইটো এসময়ত গৌৰৱেৰে কব পাৰিব।

মাননীয় অধ্যক্ষ মহোদয়, ৰঙিয়াত আই-আৰ-ডি-পি আচনিৰ জৰিয়তে ধাৰ দিব বিচাৰিছে কিন্তু বেংকে ট্ৰাইবেললোক বুলিলেই ধাৰ দিবলৈ অমান্তি হয়। এনেকুৱা কাম কেইবাটাতো মই নিজেই যাবলগীয়া হৈছে। এইবিলাক যাতে হব নোৱাৰে ততালিকে তাত ব্যৱস্থা কৰিবলৈ মই আমাৰ মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিলো।

মাননীয় অধ্যক্ষ মহোদয়, এচ-টি আৰু এচ-চিৰ যিবিলাক বিভিন্ন কমিটি আদি আছে সেই কমিটি, সমিতিবিলাক অকল সেই সেই সম্প্ৰদায়ৰ ভিতৰতে আবদ্ধ নেৰাখি জেনেৰেল এম-এল-এ সকলোকো তাত লব লাগে। আপোনালোক সকলোবিলাক ৰিজাৰ্ভেচনৰ ভিতৰত সোমাই পৰিছে। ভিতৰত কি হৈছে সেইটো আমি নেজানোৱেই। কমিটিৰ মেম্বাৰবিলাকৰ হাতত ঘড়ি, গাত কোট-পেণ্ট আদি দেখা পাইছো কি হৈছে আমি কব নোৱাৰো। এচ-চি আৰু এচ-টিৰ এই লোক-সকলো আমাৰ দেশৰে একো একোটা অঙ্গ বুলিয়েই ভাবো। গতিকে এইসকলৰ উন্নতি বা মঙ্গলৰ কাৰণে চিন্তা কৰিবলৈ সমাজৰ জেনেৰেল কাষ্টৰ মানুহখিনিকো অলপ সুবিধা দিব লাগে। মই আজি প্ৰায় তুবছৰমানৰ আগৰে পৰা এখন জনজাতীয় লোক বাসকৰা গাওঁৰ মহিলাসকলক লৈ সমবায় ভিত্তিত বোৱা কটা ভিত্তিত এখন কো-অপাৰেটিভ সমবায় খুলিবৰ কাৰণে চেষ্টা কৰিছিলো কিন্তু আজি পৰ্য্যন্ত সেইখনৰ অনুমতি নিদিলে। মাননীয় অধ্যক্ষ মহোদয়, আমাৰ সকলোবিলাক আচনিয়েই ব্যৰ্থ হব যদিহে আমাৰ সমাজত সমবায় গঢ়ি নুঠে। ৰঙিয়াত মই পাতিব খোজা মহিলা সমিতিখন আজি পৰ্যন্ত গঢ়ি নুঠিল। ৰঙিয়া মহকুমা হল, তাতে কো-অপাৰেটিভ যাওঁতে পদম হল, এজন তুজন কৈ কেৰাণীও আছে। এনেকুৱা বিসঙ্গতি বিলাকৰ কাৰণেই এইটো হৈছে। আমাৰ ইয়াত তুজন বিভাগীয় মন্ত্ৰী আছে। তেখেতসকলক মই এই সমবায় সোনকালেই কৰিবৰ কাৰণে অনুৰোধ কৰিছো। যোৱাবাৰ ৮।১০ খন মান গাওঁত শাল দিয়া হৈছে। অকল কেইটামান অঞ্চলত দিলেই নহব।

মাননীয় অধ্যক্ষ মহোদয়, অকল গৰু কিনাৰ কাৰণেই ৭ লাখ মান টকা

ধৰিছে। এই সাত লাখ টকাৰেই কেইহাল গৰু কিনিব আৰু দিবই বা কাক? যিসকলৰ খেতিৰ মাটি আছে, যি সকল প্ৰকৃততে খেতিয়ক সেই সকলেই যাতে পায় সেইটোৰ ব্যৱস্থা কৰক। সেয়ে নকৰিলে এই অঞ্চলৰ জনজাতীয় লোকসকল ধাৰত পোত গৈ সৰ্ব্বস্বান্ত হৈ পৰিব। তাৰোপৰি, তেওঁলোকে যিখিনি টকা পইছা পাই সেই টকা পইছাবিলাক যি উদ্দেশ্যত দিয়া হয় সেই উদ্দেশ্যত নলগাই লাহ বিলাহত খৰছ কৰে। তেতিয়া হলেও শেষত গৈ এই জনজাতীয় লোক সকল ধ্বংস হবলৈ বাধ্য। লাহ বিলাহত যাতে নিজকে মতলীয়া নকৰে তাৰ কাৰণে মই এই বিষয়ে চকু দিবলৈ মাননীয় মন্ত্ৰী ডুজনক অনুৰোধ কৰিছো।

মাননীয় অধ্যক্ষ মহোদয়, আমাৰ চাৰ্কোল লেভেলত, মহকুমা লেভেলত যিবিলাক সমিতি, কমিটি আদি আছে সেই বিলাকত যি সম্প্ৰদায়ৰে নহওঁক লাগিলে, স্থানীয় বিধায়কসকলকো অন্তৰ্ভুক্ত কৰিব লাগে। তাৰোপৰি, যিসকল বিভিন্ন ৰাজনৈতিক দলৰ লোক আছে সেই সকলকো ইয়াত অন্তৰ্ভুক্ত কৰি লব পাৰে। যদি কেৱল ৰোলিং পাৰ্টিৰ সুবিধাৰ কাৰণেইহে বা ভোটৰ কাৰণেই এইবিলাক কৰি থাকে তেতিয়াহলে বাজেট সদায় উত্থাপিত হব, সদনত দাবী মঞ্জুৰী আহিব, সেইবিলাক গ্ৰহণো কৰিব, এইদৰে এই কথা বিলাক চলিয়েই থাকিব। জনজাতীয় লোকসকলৰ বা অনুসূচীত জাতিৰ লোকসকলৰ কোনো উন্নতি নহব।

মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে এইখিনিকে নিবেদন কৰি কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰিছো।

শ্ৰীঅজিত চন্দ্ৰ বড়ো :—মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য বসুমতাৰী ডাঙৰীয়াই যিটো কৰ্ত্তন প্ৰস্তাৱ উত্থাপন কৰিছে, তাৰ সমৰ্থনত দুআষাৰমান কথা ৰাখিব খুজিছো। অধ্যক্ষ মহোদয়, আজি এচ-চি, এচ-টি আৰু ও-বি-চি শিতানত বাৰ কোটিৰো অধিক টকা দাবী মঞ্জুৰী বিচাৰিছে বিভাগীয় মন্ত্ৰী মহোদয়ে। এই তিনিওটা সম্প্ৰদায়ৰ কাৰণে বাজেটত টকা ৰখা হৈছে। আমি দেখিবলৈ পাইছো যে এচ-চিৰ ভালেমান টকা কম হৈছে অথবা ও-বি-চিৰো হয়তো বহুতো টকা কম হৈছে, কিন্তু হয়তো এচ-টিয়ে কম টকা পাব পাৰে। এই ধৰণে বহুখিনি ব্যতিক্ৰম দেখিবলৈ পোৱা গৈছে। এচ-টিৰ ক্ষেত্ৰত এটা কথা মন্ত্ৰী মহোদয়ৰ দৃষ্টি

আকৰ্ষণ কৰিব বিচাৰিছো যে বিভাগীয় বিতৰণ জনসংখ্যা অনুপাতে হৈছে। বৰ্ত্তমান জনজাতীয় লোক ১৯৭১ চনৰ পিয়ল মতে কোনো অঞ্চলত প্ৰকৃত জনসংখ্যা বহু বেছি থকা স্বত্বেও কম দেখুৱা হৈছে। ১৯৭১ চনৰ লোক গণনা অনুসৰি তেৰ লাখ জনজাতীয় লোক দেখুৱা হৈছে। ১৯৮২ চনত হবলগীয়া লোকপিয়ল হোৱা নাই যদিও বছৰ বছৰ হোৱা বৃদ্ধিকে ধৰি এতিয়ালৈকে জনজাতীয় লোকৰ পৰিসংখ্যা ওঠৰ লাখ মান হোৱা বুলি জানিব পাৰিছো। আমাৰ জনজাতীয় লোক বহুত বাহিৰলৈ গৈছে নহলে জনজাতীয় লোকৰ সংখ্যা ষাঠি লাখ মানৰ কম নহব। মই এটা প্ৰমাণ দিব পাৰো। কিন্তু দীঘলীয়া হোৱাৰ ভয়ত বিৰত থাকিলো। বড়ো মাধ্যমৰ স্কুলৰ লবা প্ৰাথমিক পৰ্য্যায়ৰ পৰা হিচাব কৰিলে ত্ৰিশ লাখৰ কম নহয়। তেনেভাবে চালে বড়ো ভাষাৰ হাইস্কুলৰ সংখ্যাও নিতান্ত কম নহয়। ইয়াৰ উপৰিও অন্যান্য নিৰক্ষৰ ৰাইজো আছে। সেই হিচাবে চালে বড়ো ভাষাৰ মানুহ ত্ৰিশ লাখৰ কম নহব। ইয়াৰ উপৰিও মিৰি মিচিং, দেউৰী আদি জনজাতীয় লোক আছে। সেই সকলো ত্ৰিশ লাখৰ কম নহব। গতিকে মুঠ জনজাতীয় লোক ষাঠি লাখ হবগৈ লাগে। মই এটা মাত্ৰ উদাহৰণ দাঙি ধৰিব খুজিছো গোলবিল গাওঁত ১৯৭১ চনত লোক গণনা মতে পাচ শ মানুহ। কিন্তু মাত্ৰ এজন জনজাতীয় বুলি দেখুৱা হৈছে। বাকীখিনি শৰনীয়া মানুহ। সেই সকলো জনজাতীয় লোক। কিন্তু দেখুৱামতে ৪৯৯ জন অজনজাতীয় লোক আৰু মাত্ৰ এজন জনজাতীয় লোক কিন্তু সাহায্য আদি পোৱাৰ ক্ষেত্ৰত জনজাতীয় বুলি এজনেহে মাত্ৰ পোৱা নাই আন বহুতেই পাইছে। অধ্যক্ষ মহোদয়, গতিকে প্ৰকৃত জনজাতীয় লোকৰ সংখ্যা কিমান ঠাৱৰ কৰৰ কাৰণে মই মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিছো। এইটো অনুসন্ধান কৰি ঠিক কৰিব লাগে। ইয়াৰ উপৰিও অধ্যক্ষ মহোদয়, জনজাতীয় লোকৰ নামত যিখিনি আচনি কৰা হৈছে সেইবিলাক জোৰ জুলুম কৰি জাপি দিয়াৰ কাৰণে জনজাতীয় ৰাইজ উপকৃত হোৱাৰ সলনি হাৰাশাস্তি হবলগীয়া হৈছে। আচনিৰ প্ৰতি আস্থাভাজন নহলে যাৰ কাৰণে সেই আচনি প্ৰয়োগ কৰা হয় সেইসকলে সুফল পাব বুলি আশা কৰিব নোৱাৰ। মহকুমা পৰ্য্যায়ত যিবোৰ উন্নয়ণৰ কাৰণে আই-টি-ডি-পি আছে তাৰ সদস্যসকলে আলাপ আলোচনা কৰিব নোৱাৰাকৈ কেৱল অমূক আচনি লব লাগিব বুলি জাপি দিলেই সুফল আশা কৰিব নোৱাৰি। এডভাইচৰি কাউন্সিলত আলোচিত হলে তেনে আচনি অন্তৰ্ভুক্ত হব লাগে। সদস্যসকলৰ একো কৰ্ত্তৃত্ব নাই। তেনেকৈয়ে কৃষি বিভাগৰ পৰা খেতিৰ সা-সজুলি আদি দিয়াৰ কাৰণে যিটো ব্যৱস্থা তাতো তেনে সজুলি

লবলৈ যাওঁতে জনজাতীয় লোক বেছি খৰচান্ত হবলগীয়া হয়। উদাহৰণ স্বৰূপে সুবনখাটাৰ পৰা নলবাৰীলৈ কোদাল এখন নিবলৈ আহিলে এদিন হয় কেৰাণী-জনক লগ নোপোৱা, আনদিনাখন হয়তো কাৰ্য্যালয় বন্ধ, তাৰ পিচদিনা হয়তো অফিচাৰজন নাথাকে এনেকৈয়ে তিনি চাৰি দিন অহা যোৱা কৰাৰ ফলত কোদাল এখন নিয়াৰ কাৰণে পাঞ্চাশ ষাঠি টকা খৰচান্ত হবলগীয়া হয়। কিন্তু বজাৰত কোদাল এখনৰ দাম হয়তো মাত্ৰ পচিশ টকাহে। এইবিলাক কথা চাব লাগে। যিবিলাক আচনিৰ দ্বাৰা ৰাইজ উপকৃত হব পৰা নাই তেনে আচনি পৰিহাৰ কৰিব লাগে। মহকুমা পৰ্য্যায়ৰ যি আই-টি ডি-পি বা বোৰ্ড আছে সেইবিলাক যি ধৰণে গঠন হৈছে তাৰ দ্বাৰা ৰাইজ উপকৃত হব পৰা নাই। প্ৰাপ্তখিনি সদস্যৰ ওপৰত নিৰ্ভৰ কৰে কাৰণে তেনে সদস্য বাচনিৰ ক্ষেত্ৰত চাব লাগে। দেখা যায় কোনো কোনো অঞ্চলৰ দুজন তিনিজন সদস্য থাকে অথচ কোনো কোনো আঞ্চলিক পঞ্চায়ত এলেকাতো এজনো সদস্য নাথাকে। মই এই কথা মন্ত্ৰী মহোদয়ৰ লগতো আলোচনা কৰিছিলো। উদাহৰণ স্বৰূপে নলবাৰী আই-টি-ডি-পি কমিটিৰ সদস্য নিৰ্ব্বাচন কৰা হল প্ৰাক্তন বিধায়ক সুৰেণ দাস আৰু অখিল দাসক। দুয়োজন একেখন গাওঁৰে। অথচ দুই তিনিটা গাওঁ পঞ্চায়তৰ ফালৰ পৰা এজনো সদস্য নাই।

উপযুক্ত মানুহ বাচিবলৈ হলে কোনে বাচিব? যিবিলাক কমিটি গঠন কৰিছে গাওঁপঞ্চায়ত পৰ্য্যায়ত এজন এজনকৈ সদস্য লোৱাটো দৰ্কাৰ। এইটো মই মন্ত্ৰী মহোদয়ৰ ওচৰত দৃষ্টিগোচৰ কৰিলো। তাৰ পাচত আমি বাজেটত পাইছো—মীন মহল উন্নয়ন। এই শিতানত ২৫ লাখ টকা ধৰা আমি দেখিবলৈ পাইছো। এইটো অলপ ভাবিবলগীয়া কথা হৈছে। এই মীন মহলৰ কাৰণে কমিটিয়ে যিবিলাক প্ৰাৰ্থী বাছি লয়, সেইবিলাকক উধাই-মুধাই বাছি লোৱা হয়। ইয়াত মন্ত্ৰী মহোদয়ৰ অৱশ্যে দোষ নাই। কিন্তু এই আচনিত মই ভুল থকা বুলি কব বিচাৰিছো। যিবিলাক পুখুৰী আছে সেইবিলাক সম্প্ৰসাৰণ কৰাৰ কাৰণে টকা দিয়া হয়। কিন্তু বাস্তৱত সেইটো হলনে নহল সেইটো আমি দেখিবলৈ নাপাও। এই ক্ষেত্ৰত মই কবলৈ বিচাৰিছো যে, যিবিলাকৰ পুখুৰী আছে সেইবিলাকক নিদি যাৰ মাটি আছে কিন্তু একোদাল মাটি খান্দিবলৈ টকা নাই তেনেকুৱা ধৰণৰ উপযুক্ত মানুহ চাই এই টকা দিব লাগে। অৱশ্যে তেনে ধৰণৰ উচিত ব্যক্তি বিচাৰি উলিওৱাটো টান। কাৰণ টকা নোহোৱা মানুহে টকা পালে

খাব থব পাৰে। কিন্তু মই ভাবো সেইবিলাক সংশোধন কৰিব পাৰি। যিখন কমিটি আছে সেই কমিটিখনে দায়িত্ব লৈ কোনোবা এজন অফিচাৰক দায়িত্বটো দি কেৱল কোনখিনিত পুখুৰীটো খান্দিব লাগে সেইটো ব্যক্তিজনক দেখুৱাই দিবলৈ কলে, বাকী টকা পইচাৰ দায়িত্ব কমিটিয়ে লৈ এই কাম কৰিব পাৰে। ঠিক তেনেদৰে আচনিবিলাক যাতে সমাজৰ আচল উন্নয়নৰ কামত লাগে সেই-টোৰেই মই কব বিচাৰিছো। তাৰ পাচত ছাত্ৰ-ছাত্ৰীৰ কাৰণে যি স্কলাৰস্বিপ দিয়া ব্যৱস্থা আছে সেইটো ছাত্ৰ-ছাত্ৰীসকলে ঠিকমতে পোৱা নাই। মাহে মাহে লাগিলে ৫০ টকা বা ১০০ টকাই পাওক, মাহে মাহে দিলে বহুত কামত আহে। কাৰণ টকাটো বছৰৰ মূৰত একেলগে পালে, ছাত্ৰ-ছাত্ৰীয়ে সৎ কামত ব্যৱহাৰ কৰিব নোৱাৰে। আমাৰ সমাজৰ যি জাতিৰেই মানুহ নহওক লাগিলে এই আচনিটোৰ যিখিনি টকা দিয়া হয় সেইটো যাতে মাহে মাহে দিয়া হয় সেইটোৰেই আশা ৰাখিছো। তেতিয়াহলে বহুত উপকাৰ হয়, আৰু এটা স্কীম হৈছে সেইটো হৈছে গাহৰী, হাঁহ, কুকুৰা পোহা স্কীম। মোৰমতে এই আচনিটো বন্ধ কৰিব লাগে। এই আচনিত চৰকাৰে টকা নিদি উপযুক্ত শিতানত দিব লাগে। এই শিতানৰ টকাটো মই ভাবো শিক্ষা শিতানত দিয়াটোৱেই উপযুক্ত হব। কাৰণ কিছুমান এনেকুৱা প্ৰাইমাৰী স্কুল আছে যত বোৰ্ড নাই, বেৰত লিখি অংক শিকাব-লগীয়া হৈছে। এখন চকী নাই। শিক্ষকে ছাত্ৰ-ছাত্ৰীৰ লগত ঢাৰিতে বহিবলগীয়া হৈছে। সেই কাৰণে মই কৈছো যে এনেকুৱা এখন আচনি লব লাগে যি আচনিৰ যোগেদি ৰাইজৰ উপকাৰ হয়। এই গাহৰি পোহা, কুকুৰা পোহা আচনিৰ পৰা ৰাইজৰ কোনো উপকাৰ হোৱা নাই। ইয়াৰ মাজত যিবোৰ দালাল আছে সেই-বিলাকৰহে লাভ হৈছে। গতিকে মই ভাবো এই টকাখিনি শিক্ষাৰ ক্ষেত্ৰত খৰছ কৰিলে ৰাইজৰ বেছি উপকাৰ হব। এইখিনি কৈ কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰি মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

Mr. Speaker :—Before the next Hon'ble Member starts, I like to point out one thing that we have got 6 Grants today and in all the grants there are cut motions. So, I request the Hon'ble Members to speak in brief so that we can finish in time.

**Shri Hemen Das** :—Sir, I welcome your suggestion and will try to be as brief as possible.

মাননীয় অধ্যক্ষ মহোদয়, এই কৰ্তন প্ৰস্তাৱটো সমৰ্থন কৰিছো আৰু লগতে এটা বিষয় উত্থাপন কৰিছো। বিষয়টো হৈছে যে চৰকাৰে আজি ৩৭ বছৰ শাসন কৰি ৩৮ বছৰত ভৰি দিবলগা হৈছে। মাজতে ৩টা বছৰ জনতা আছিল। দুয়ো দলৰ মূল নীতি বিভেদ নাছিল। পুজিঁপতিৰ পথত দেশ আগুৱাই লৈ যোৱাৰ অপচেষ্টা কৰিছে। এই অপচেষ্টাৰ ফলত আমাৰ দেশত সামাজিক নিৰাপত্তাহীন মানুহৰ সংখ্যা বৃদ্ধি পাইছে। চৰকাৰে সামাজিক নিৰাপত্তাহীন মানুহক টকা দিবলৈ আনা সংখ্যা বৃদ্ধি হৈছে। আজি এই জনজাতীয়সকল ভাৰতবৰ্ষত আটাইতকৈ নিষ্পেষিত মানুহ আছিল। ৩৭ বছৰ স্বাধীনতাৰ পাচত তেওঁলোকক উন্নতি কৰাৰ যি চেষ্টা কাগজে পত্ৰইহে বাহিৰ হৈ আছে। ফলত আমি কি পাইছো। প্ৰতি বছৰে জনজাতীয় ৰাইজ মাটিৰ পৰা উচ্ছেদ হৈ আছে আৰু তেওঁলোক মাটিহীন হৈছে। এঠাইৰ পৰা আন ঠাইলৈ মাটি বিচাৰি যাবলগা হৈছে। তেওঁলোকে মাটি বিক্ৰী কৰি আছে। এসময়ৰ মাটিৰ মালিক উলঙ্গ হৈ এই অৱস্থাত পৰিণত হৈছে। এই বিষয়টোলৈ মই জনজাতীয় সম্প্ৰদায়ৰ মাননীয় সদস্যসকলক দৃষ্টি আকৰ্ষণ কৰিব খোজো যদি জনজাতিৰ মুক্তি বিচাৰে তেনেহলে ধনতান্ত্ৰিক ব্যৱস্থাৰে শাসিত সমাজ ব্যৱস্থা সলনি কৰিব নোৱাৰিলে মুক্তি আনিব নোৱাৰে। তাৰ প্ৰমাণ ৩৭ বছৰে যিহেতু মূল ব্যাধি দূৰ হোৱা নাই। এই মূল ব্যাধি দূৰ কৰিবলৈ দৃষ্টিপাত কৰিব লাগিব। এই পৰিস্থিতিত যি টকা ধাৰ্য্য কৰিছে বৰ্ত্তমান সেই টকাখিনি ঠিক ভাবে ব্যৱহাৰ কৰিব লাগে। মই কব খুজিছো এই টকাবিলাকৰ সঠিক ব্যৱহাৰ হোৱা নাই। মাননীয় সদস্য শ্ৰীঅলিত বড়ো ডাঙৰীয়াই কোদালৰ বিষয় কৈছে। মইয়ে প্ৰথম সদস্য আছিলো যিয়ে ১৯৭৮ চনৰ পৰা এই কেচটো অনুসন্ধান কৰি আছো। জনজাতীয় কৃষকৰ কাৰণে খেতিৰ সজুলি বিতৰণ কৰিবলৈ আনি হাজাৰ হাজাৰ কোদাল আন বজাৰত বিক্ৰী কৰে। ১৯৭৮ চনত ১ ট্ৰাক কোদাল বিক্ৰী কৰা হৈছে। কোদাল লৈ যাওঁতে মই দেখি সুধিলো এইবোৰ কি কোদাল। মোক কলে এইবোৰ চাবটিদিৰ কোদাল। কিন্তু সেই কোদালৰ হিচাব কৃষি বিভাগে আজিও দিব পৰা নাই।

অধ্যক্ষ মহোদয়, আজি আপুনি চাওক কোদালত কিমান টকা খৰচ কৰা হয় আৰু এই কোদাল কত কত বিতৰণ কৰিছে। ঠিক তেনেকৈ এগ্ৰিকালচাৰ

চাবচিড়ি, লোণ চাবচিডি শতকৰা এশ ভাগেই জনজাতীয় লোকে পোৱা নাই। অৱশ্য জনজাতীয় বা অজনজাতীয় কথাতো নহয় তেনেধৰণৰ এটা ধনতন্ত্ৰবাদ স্বৰ্ণলঙ্কাৰ এই দূৰ্নীতি ট্ৰাইবেল অনাট্ৰাইবেল সকলোতে একেই ব্যৱস্থা কৰিছে। আজি চাওক মিনিকিড অসমৰ কোন কোন ঠাইত সঠিকভাবে বিতৰণ হৈছে। টকাতো কিন্তু সদনত পাচ কৰি দিয়া হৈছে। কিন্তু সেই টকা প্ৰকৃত মানুহৰ ওচৰত গৈছে নে নাই। সেইটো খবৰ লোৱা মানুহো নাই। সেইটো দুখৰ কথা। এই টকা মহকুমা ভিত্তিত বোৰ্ডে বিতৰণ কৰে। যোৱা ২০ বছৰত এই বোৰ্ডে এই মঞ্জুৰী কিমানটা পৰিয়ালক দিছে এচ-চি, এচ-টি বা যি কোনো কমিটিয়েই নহওক এই মঞ্জুৰীৰ টকাতো বোৰ্ডৰ সদস্য আৰু নিজৰ পৰিয়ালৰ ভিতৰতেই বিতৰণ হৈ আছে, এইটো অনুসন্ধান কৰিলেই পাব। ইয়াৰ খবৰ কোনেও নাপায়। মই যোৱাবাৰ আমাৰ পাৰ্টিৰ সদস্য কেইজনক সুধিলো তেতিয়া কলে যে আমাৰ পাৰ্টিয়ে তৃথীয়া পৰিয়ালৰ লোকক দিছে কিন্তু কেইখনমান ট্ৰাইবেল গাওঁৰ মানুহে কয় স্বাধীনতাৰ পাচত এইবাৰ আমি প্ৰথম গ্ৰেণ্ট পালো। এজন মানুহে যি কোনো চৰকাৰ হলেই বোৰ্ডৰ মেম্বাৰ হয়, জনতা হলে জনতাত আছে, কংগ্ৰেছ হলে কংগ্ৰেছত আছে। তেওঁলোকে এম-এল-এ হব নিৰিচাৰে। আই-টি, ডি-পি আৰু ওৱেলফেয়াৰ বোৰ্ডত এই শ্ৰেণীৰ লোকে প্ৰায় একেৰাহে ২০ বছৰমান ধৰি মেম্বাৰ হৈ আছে। গতিকে আজি ট্ৰাইবেল মানুহ আৰু আগৰ ট্ৰাইবেল হৈ থকা নাই। শিক্ষা-দীক্ষা হৈছে, ধনীমানী হৈছে আৰু অন্যান্য মানুহৰ নিচিনাকৈ বহু কথা শিকিছে কিন্তু সাধাৰণ মানুহবিলাক বঞ্চিত কৰিছে। গতিকে আই-টি-ডি-পি আৰু ওৱেলফেয়াৰ বোৰ্ডত প্ৰতি বছৰে মেম্বাৰ বদলাই থাকিলে অন্ততঃ কেইবাটাও পৰিয়ালে সুযোগ লব পাৰিলেহেতেন নহলে একেজন মানুহৰ পৰিয়ালে সেই সুযোগ লৈ আছে। মোৰ সমষ্টিতে এজন মানুহে ভায়েকৰ নামত, ল'ৰাৰ নামত বিৰাট পুখুৰী খান্দি মাছ পুহিছে, জাৰ্চি গাই পুহিছে, গাহৰি পুহিছে ইত্যাদি ১৫০ বিঘাতকৈও অধিক মাটিত চৰকাৰৰ পৰা লোন লৈ সুবিধাবিলাক লৈ আছে। কিন্তু যিসকলে দুখন কাপোৰ পিন্ধিবলৈ নাপায়, যিসকলে দিন মজুৰী কৰিবলৈ কাম বিচাৰি ফুৰিছে মই সেইসকলৰ সপক্ষেহে কৈছো। এই ট্ৰাইবেল সকলৰেই কিছুমানে গাওঁত শোষক শ্ৰেণীৰ সৃষ্টি কৰিছে আৰু তেওঁলোকেই বেচিকৈ ট্ৰাইবেলৰ ভাবটো মানুহৰ মাজলৈ আনি সুবিধাবিলাক লৈ আছে। গতিকে বিভিন্ন বিভাগৰ ফালৰ পৰা যিবিলাক টকা দিয়া হৈছে আৰু এই ক্ষেত্ৰত যিখিনি সুযোগ আহিছে এইখিনি যাতে ট্ৰাইবেলৰ মাজত বিতৰণ

কৰাৰ সুপৰিকল্পিত ভাবে ব্যৱস্থা লয় আৰু টকাবিলাক দিয়াৰ পাচত খবৰ কৰিবৰ কাৰণে, অনুসন্ধান কৰিবৰ কাৰণে লগে লগে ব্যৱস্থা হাতত লব লাগে। নহলে এই ট্ৰাইবেলসকলৰ আৰ্থ সামাজিক ব্যৱস্থা আৰু ট্ৰাইবেলসকলৰ সামাজিক নিৰাপত্তাবিহীন মানুহৰ সংখ্যা কোনো কালে নকমে বৰঞ্চ প্ৰতি বছৰে ই বৃদ্ধি হৈ যাব। গতিকে আজি মই এই ট্ৰাইবেলসকলৰ আৰ্থ সামাজিক অৱস্থাৰ এটা পৰিবৰ্ত্তন আনিবৰ কাৰণে আহ্বান জনাইছো। ধন্যবাদ।

শ্ৰীপুষ্পধৰ পেগু:—মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় বিৰোধী সদস্যই অনা কৰ্ত্তন প্ৰস্তাব টা বিৰোধিতা কৰি মাননীয় মন্ত্ৰী মহোদয়ে উত্থাপন কৰা ৪৩ নং গ্ৰেণ্টটো সমৰ্থন কৰি দুই চাৰিটা কথা কব ওলাইছো। মাননীয় অধ্যক্ষ মহোদয়, আপুনি জানে যে অসমৰ জনজাতীয় লোকসকলৰ যিখিনি অভাব, অভিযোগ, আৰু অন্যান্য সকলো সমস্যাৰ কথা আপোনাৰ অৱগত আছে। মাননীয় মন্ত্ৰী ডাঙৰীয়া তেখেতো জনজাতীয় লোক— তেখেতে এইটো ভালকৈ জানে। আজি এই শিতানত বা গ্ৰেণ্টত যি টা টকা ধৰিছে সেই টকাটো কম হৈছে বুলি ভাবিছো আৰু বেছি ধৰিলে ভাল আছিল। লগতে এই সুযোগতে দুই চাৰিটা কথা মই আমাৰ ট্ৰাইবেলৰ বিষয়ে পৰামৰ্শ দাভি ধৰিব বিচাৰিছো। যোৱা ১৯৮৩ চনৰ নবেম্বৰ ডিচেম্বৰ মাহত এচ, টি, এচ, চি এচেম্বি কমিটি খনত মই গোটেই অসম ঘূৰিলো আৰু অসমৰ বিভিন্ন মহকুমাৰ সদৰ আৰু জিলাৰ সদৰ ঠাই জনজাতীয় লোকসকলৰ কি কি উন্নতি হৈছে আৰু হোৱা নাই সকলোবোৰ কথা অনুসন্ধান কৰিলো। তাৰ পাচত বহু কথাই নতুনকৈ অহা বিধায়ক হিচাবে কিছু অভিজ্ঞতা লাভ কৰিলো। আমাৰ চৰকাৰে ভাল ভাল আচনি ট্ৰাইবেলৰ কাৰণে লৈছে। এই আচনিবিলাক কিন্তু ৰূপায়ণ কৰাৰ ক্ষেত্ৰত কিছু গোলমাল দেখা গৈছে। যেনেকৈ আমাৰ চৰকাৰে আই, টি, ডি, পি, ওৱেলফেয়াৰ চাব-ডিভিজনেল বোৰ্ড ও, বি. চি বোৰ্ড প্ৰত্যেক মহকুমাতেই আছে সেই বোৰ্ডৰ জৰিয়তে বিভিন্ন বিভাগৰ টকা পইচাবিলাক এপ্ৰোভ কৰে। ধৰক ভেটেনাৰী ডিপাৰমেণ্টৰ কথাই মই কব বিচাৰিছো এই বিভাগৰ জৰিয়তে কত কি দিব আৰু কেনেভাবে টকা খৰছ কৰিব এই ভিত্তিত ৩ লাখ টকাৰ এখন আচনি প্ৰস্তুত কৰি তালিকাখন পঠিয়াই দিয়ে কিন্তু সেই টকা পইচা বিলাকৰ ফোলোআপ একচন হৈছেনে নাই, সেইবিলাক প্ৰকৃত ভাবে ব্যৱহাৰ হৈছে নে নাই তাৰ তদাৰক কৰিবলৈ বোৰ্ডৰ ফালৰ পৰা কোনো বিষয়া নাই। গতিকে এই টকা পইচা বিলাকৰ দ্বাৰা ভাল

কাম হৈছে নে নাই হোৱা নে বেয়া কাম হ'ল তাৰ ব্যৱস্থা লোৱা. চৰকাৰৰ কোনো সুবিধা নাই। গতিকে মই পৰামৰ্শ দিব বিচাৰো যে এই টকা পইচা বিলাক খৰচ কৰৰ ক্ষেত্ৰত প্ৰত্যেক বোৰ্ডৰ জৰিয়তে মহকুমাৰ সদৰ আৰু জিলাৰ সদৰ ঠাইলৈ তদাৰক কৰিবৰ কাৰণে পৰামৰ্শ দিব বিচাৰিছো আৰু ইয়াৰ কাৰণে প্ৰজেক্ট অফিচাৰ বা চাবডিভিজনেল ওৱেলফেয়াৰ অফিচাৰ বোৰ্ডৰ ফালৰ পৰা দিয়াতো উচিত যাতে এই সকলে টকাটো ভালদৰে ব্যৱহাৰ হৈছে নে নাই চাব পাৰে আৰু তদাৰক কৰিব পাৰে আৰু তাৰ কাৰণে এই বিষয়া সকলক বিশেষ ক্ষমতা দিব লাগে। নহলে আমি দেখিছো মজুৰী হোৱা টকা বিলাক এপ্ৰোভ কৰ'ৰ পাচত ৰাইজে পাইছে নে নাই সেই বিষয়ে প্ৰজেক্ট অফিচাৰ আৰু চাবডিভিজনেল ওৱেলফেয়াৰ অফিচাৰে উত্তৰ দিব নোৱাৰে আৰু টাৰগেট এচিভমেন্ট হ'ল নে নাই তাৰো উত্তৰ দিব নোৱাৰে। আচৰিত কথা যে এই প্ৰজেক্ট অফিচাৰ আৰু চাবডিভিজনেল ওৱেলফেয়াৰ অফিচাৰ তেওঁলোক এ ডি, চি, ৰেঙকৰ মানুহ, এই তথ্যপাতি বিলাক তেওঁলোকে গাৱেঁ গাৱেঁ গৈ চাবডিভিজনৰ পৰা কালেক্ট কৰিব লাগে। ফলত দুৰ্নীতি হলেও তাৰ ওপৰত একশন লোৱাৰ ব্যৱস্থা নাই। গতিকে মই পৰামৰ্শ দিব বিচাৰিছো এই প্ৰজেক্ট অফিচাৰ আৰু চাবডিভিজনেল ওৱেলফেয়াৰ অফিচাৰক অধিক ক্ষমতা দিব লাগে যাতে চেনচন হোৱা টকাতো প্ৰকৃত ৰাইজৰ কামত সদব্যৱহাৰ হয়। চৰকাৰে ভাল ভাল আঁচনি লৈছে সেইটো নুই কৰিব নোৱাৰি। কিন্তু সেইবিলাক আচনি গাওঁৰ লেভেলত আৰু ফিল্ড লেভেলত ভাল ধৰণে প্ৰয়োগ হৈছে নে নাই সেইটো তদাৰক কৰাৰ ব্যৱস্থা কৰিব লাগে। মই দুখেৰে কব বিচাৰিছো টকা পইচা খৰচ হৈছে হয় কিন্তু ফিল্ড লেভেলত কিছুমান খেলিমেলি হৈ আছে। ১৯৮১-৮২ চনত ৪৬ জন এচ-চি, এচ-টি, ও-বি-চিৰ চিলাপথাৰ কলেজৰ লৰালৈ ৪০ হাজাৰ টকা স্কলাৰশ্বিপ পঠিয়াইছে। কিন্তু সেই টকা কলেজৰ প্ৰিন্সিপালে খাই থলে। তাৰে কিছু কিছু টকা লৰাক দিয়া দেখুৱাইছে। যেনে:— ১। চান্দ মিচিয়ন, তেওঁ পাইছে ১,০১৪ টকা কিন্তু তেওঁক দিয়া হৈছে ৫০০ টকা, ২। ফটিক চন্দ্ৰ দোলে— ১,০১৪ টকা কিন্তু তেওঁক দিয়া হৈছে ৫০০ টকা ৩। বিমল চেত্ৰীয়ে ৫৯৮ টকাৰ ঠাইত ৫০০ টকা আৰু টিকেন্দ্ৰ নাথে—৫৯৮ টকাৰ ঠাইত ৫০০ টকা পাইছে। এই টকা ১৯৮১-৮২ চনৰ টকা। ১৯৮২ চনত কলেজলৈ পঠিয়াইছে। এইটো অনুসন্ধান কৰি মই ৰাখিছো আৰু কৈছো কিন্তু ইয়াৰ কোনো ব্যৱস্থা কৰা নাই টকাটো খাই পেলালে। আমাৰ ধেমাজী মহকুমাৰ পিপলিবাৰী নামৰ ঠাইত

ভেটেনাৰী ডিচপেনচাৰী আৰু ধেমাজী টাউনত আই-টি-আইত টি-এচ-পিৰ পৰা দুটা অনুস্থান ১৯৭৮-৭৯ চনতেই গ্ৰহণ কৰা হৈছিল আৰু চেনচনো হৈছিল। কিন্তু সেই ভেটেনাৰী ডিচপেনচাৰীখন আজিলৈকে কমপ্লিট নহ'ল। ঠিকাদাৰে টকা খাই থলে। এতিয়াহেনো লিখা লিখি কৰাত এচ-ডি-ওই কুৱেৰী কৰা বুলি কৈছে। কিন্তু ১৯৭৮-৭৯ চনত সেই টকাটো খালে যি টকাটো খালে তাৰ কোনো বিচাৰ নহ'ল। গতিকে পিপলিবাৰী ভেটেনাৰী ডিচপেনচাৰী হস্পিতেলখন কেতিয়া সম্পূৰ্ণ হব? আৰু আপোনাৰ জৰিয়তে মই এইটো সোনকালে কৰিবলৈ অনুৰোধ জনালো।

Mr. Speaker :—I think Honb'le Member has already exceeded ten minutes. There are still ten speakers in this grant and also there are five Grants. I, therefore, request that the Hon'ble Members should be brief and they may be in a position to listen to others on the matter. So, it is my request to them to maintain timings because we started this Grant at 10-30 A. M. and we have already exhausted one hour. We may also see that other Members can also speak something.

শ্ৰীপুষ্পধৰ পেগু :—তাৰ পাচত উইভিং বিষয়ে মই কও উইভিঙৰ যিবিলাক ঠিকা শাল ইত্যাদিৰ কাৰণে দিয়া হয় টি-এচ-পিত,

Mr. Speaker :—If you think what you are saying right, no-body has the right to disturb you.

শ্ৰীপুষ্পধৰ পেগু :—এই যিবিলাক শাল ঠিকা দিয়া হয় গোটেই অসমতেই তাৰ তেণ্ডাৰ কৰা হয় গুৱাহাটীত। সেই কাৰণে মই ভাবো আমাৰ যিবিলাক ট্ৰাইবেল লৰা কাঠৰ মিস্ত্ৰী ওলাইছে সেইসকলক এই কামবিলাক দিবলৈ মই অনুৰোধ কৰিছো। তাৰ পাচত গাহৰি, জাৰ্চি গাই আদি ডিৰেক্টৰ লেভেলত টেণ্ডাৰ কল কৰে। সেইবিলাক ডিষ্টিক বা চাবডিভিজন লেভেলত টেণ্ডাৰ কল কৰিলে আমাৰ জনজাতীয় লৰা-ছোৱালীৰ নিবনুৱা সমস্যা বহুখিনি দূৰ হব বুলি ভাবো আৰু এইখিনি আপোনাৰ জৰিয়তে অনুৰোধ কৰিব বিচাৰিছো। তাৰ পাচত মীন মহল বোলা এটা শিতান আছে এইটো মই একো বুজা নাই।

Mr. Speaker :—Government understands what you do not understand.

শ্ৰীপুষ্পধৰ পেগু :—মোৰ সমষ্টি জোনাইত বহু লাখ টকা বছৰৰ পৰা উন্নয়নৰ কাৰণে দি আছে ইয়াৰ কাৰণ বুজ পোৱা নাই। এতিয়া মন্ত্ৰী মহোদয়ৰ পৰা এই সম্পৰ্কে জানিব বিছাৰিছো। আপুনি যথেষ্ট সময় দিলে তাৰ বাবে ধন্যবাদ জনাইছো আৰু মন্ত্ৰী মহোদয়ে যিটো ১২ কৌটি ৩ লাখ ৯ হাজাৰ টকাৰ গ্ৰেণ্ট উত্থাপন কৰিছে তাক সমৰ্থন কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

শ্ৰীদুৰ্গেশ্বৰ পাটিৰ :— অধ্যক্ষ মহোদয়, আমাৰ বিৰোধী পক্ষই উত্থাপন কৰা কৰ্ত্তন প্ৰস্তাবৰ বিৰোধিতা কৰি এই মঞ্জুৰীৰ শিক্ষানত কিছু পৰামৰ্শ আগবঢ়াব বিচাৰিছো। ট্ৰাইবেল ওৱেলফেয়াৰ বিভাগে আজি ৩৭ বছৰে বহুবিলাক কাম কৰি আহিছে আৰু প্ৰতি বছৰে ওৱেলফেয়াৰ আচনি বৃদ্ধি হৈছে, এইটো স্বীকাৰ কৰিব লাগিব। তথাপিও যি পৰিমাণে জনজাতিৰ হওক, অনুসূচীত জাতিৰ হওক, বা অন্যান্য পিচপৰা শ্ৰেণীৰ জাতি হওক উন্নতি হব লাগিছিল, সেই পৰিমাণে এতিয়াও উন্নতি লাভ কৰিব পৰা নাই। মই ভাবো শিক্ষাৰ অবিহনে যিমানেই ওৱেলফেয়াৰ আচনি গ্ৰহণ নকৰো কিয়, আমি বিশেষ উন্নতি লাভ কৰিব নোৱাৰিম। যোৱা বছৰ ভাৰতৰ বিভিন্ন ৰাজ্য বিশেষকৈ উৰিষ্যা ভ্ৰমণ কৰি দেখিছো শিক্ষাৰ ক্ষেত্ৰ চিডুলকাষ্ট আৰু ট্ৰাইবচ্ যথেষ্ট আগবঢ়া দেখা পাই ছো। তাত অকল হাইস্কুল লেভেলত আবাসিক হাইস্কুল ১১৬ খন আছে আৰু গাৰ্লচ হোষ্টেল ৯ খন চলাই আছে। ১১৩৯ খন ৰেচিডেন্সিয়েল টাইপৰ স্কুল খুলিছে। মই অনুৰোধ অকল চিডুল কাষ্ট আৰু ট্ৰাইবচৰ কথাই কোৱা নাই অন্যান্য পিচপৰা শ্ৰেণীৰ ছাত্ৰ ছাত্ৰীৰ কাৰণে এনেধৰণৰ ৰেচিডেন্সিয়েল টাইপৰ স্কুল খোলে তেন্তে নিশ্চয় শিক্ষাৰ ক্ষেত্ৰত অগ্ৰগতি লাভ কৰিব পাৰিম। প্ৰাথমিক পৰ্যায়ত আজি উৰিষ্যা চৰকাৰে কেনে ধৰণৰ ব্যৱস্থা কৰিছে তাৰ প্ৰতি চৰকাৰৰ দৃষ্টি গোচৰ কৰিব বিচাৰিছে যাতে আমাৰ ইয়াতো তেনে ব্যৱস্থা লয়। একোখন গাওঁপঞ্চায়তত ৫০ জন ছাত্ৰ-ছাত্ৰী থাকিব পৰা ৰেচিডেন্সিয়েল টাইপৰ হোষ্টেল কৰিছে। এনে ধৰণৰ কৰিলে প্ৰাথমিক পৰ্যায়ত থকা ড্ৰপ কমি যায়। সেইকাৰণে মই কব বিচাৰিছো আমাৰ চিদল কাষ্টৰ বা ট্ৰাইবচৰ বা টি গাৰ্ডন হওক বা সেইবিলাক সম্প্ৰদায়ৰ গাওঁসমূহৰ শিক্ষাৰ বা ব্যক্তিগত পৰিয়ালৰ শিক্ষাৰ কোনো পৰিৱেশ নাই। আমাৰ চৰকাৰেও নতুন চিন্তাধাৰাৰে ব্যৱস্থা কৰিলে আমাৰ এই পিচপৰা

সম্প্রদায় সমূহ উপকৃত হব বুলি মই ভাবো। ১৯৮৪-৮৫ চনৰ ভিতৰত ফেন-ব্লনাৰত উড়িয়্যাত ১২শ নিৰ্ম্মাণ কৰিবলৈ আচনি লৈছে। আমাৰ মেন পাৱাৰৰ শিক্ষাৰ ক্ষেত্ৰত টকা ধাৰ্য্য কৰিছে তাৰ শতকৰা ৫০ ভাগ অপচয় হৈছে যিহেতু আমাৰ মানুহবিলাক নিৰক্ষৰ। আমাৰ যিবিলাক জাৰ্চি গাইৰ যোগান ধৰিছে সেইবিলাকৰ অৱস্থা বৰ ভুথলগা। সেই জাৰ্চি গাইবিলাক নিকৃষ্টতম। একোজনী জাৰ্চি গাইত আঢ়ৈ হাজাৰ টকা ধাৰ্য্য কৰা হৈছে। এই ক্ষেত্ৰত মই শ্ৰীপেগু ডাঙৰীয়াৰ লগত একমত হব নোৱাৰিলো। এই গাই যদি নিবনুৱা সকলক যোগান ধৰিবলৈ দিয়া হয় তাৰ দ্বাৰা নিবনুৱা সমস্যাৰ সমাধান নহব বুলি মই ভাবো। এই যোগান ভেটেৰীনৰী ফাৰ্ম্মৰ পৰা হব লাগে। ধেমাজি মহকুমাত যি জাৰ্চি গাই দিয়া হৈছে সেইবিলাকৰ দাম ১৫শ টকা নহয়। ফলত গাখীৰৰ পৰিমাণ তাকৰ হৈছে। এজনী গায়ে মাত্ৰ ২-৩ কিলোগ্ৰাম গাখীৰ দিয়ে। জাৰ্চি গাই যোগান ধৰি জনজাতিৰ কাৰণে ভাল কাম কৰিছে বুলি ঢোল কোবালে নহব ভেণ্ডাৰৰ ব্যৱস্থা নকৰি ফাৰ্ম্মৰ যোগেদি যাতে যোগান ধৰে তাৰ প্ৰতি মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো। আমাৰ কমিতিখন উৰিষ্যাৰ তপোবন হাইস্কুললৈ গৈছিল। তাত দেখিছো জুনিয়ৰ এগ্ৰি-কালচাৰ টিচাৰ আছে। চিডুল কাষ্ট, ট্ৰাইবচ, টি গাৰ্ডেন স্কুলবিলাকত এনে ধৰণৰ শিক্ষক নিযুক্তিৰ ব্যৱস্থা কৰিছে এই ধৰণে ছাত্ৰ অৱস্থাৰ পৰা কৃষি উৎপাদনৰ ক্ষেত্ৰত কিছু অভিজ্ঞতা লাভ কৰিব পাৰিব। গতিকে আমাৰ ইয়াতো এই নতুন চিন্তাধাৰা গ্ৰহণ কৰাৰ কাৰণে চৰকাৰৰ দৃষ্টিগোচৰ কৰিলো। চাৰ, আমাৰ ইয়াত কিছু মডেল ভিলেজৰ ব্যৱস্থা কৰিব নোৱাৰিনে? এই নতুন চিন্তা কৰিবলৈ মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিলো। এইধৰণে প্ৰতি বছৰে ১০-১৫ খনকৈ মডেল ভিলেজ স্থাপন কৰাৰ চেষ্টা কৰিলে আগৰ পৰিবেশৰ যথেষ্ট পৰিবৰ্ত্তন হব বুলি মই ভাবো। ১৯৬৪ চনত অৰুণাচলৰ আলঙলৈ গৈছিলো তাত ভাল ধৰণৰ মডেল ভিলেজ দেখা পাইছিলো। সেই ধৰণে মডেল ভিলেজ স্থাপন কৰিলে ভাল হব।

আমাৰ মহকুমা পৰ্য্যায়ৰ কমিটিবিলাক গঠন কৰাৰ ক্ষেত্ৰত এটা নিশ্চিত নীতি থাকিব লাগে। জনতা চৰকাৰৰ দিনত এজন সদস্য নিৰ্ব্বাচিত বা মনোনিত কৰা হৈছিল। এতিয়া একোখন গাওঁপঞ্চায়তৰ পৰা ৪-৫ জন সদস্য দিয়া হৈছে। ফলত কোনে তালিকা কৰিব তাৰ কাৰণে কাজিয়া হৈছে। তাৰ পিছত শ্ৰীডেকা ডাঙৰীয়াই কোৱাৰ দৰে ৰাজনৈতিক কৰ্ম্মীসকলক যাতে তাত অন্তৰ্ভুক্ত

কৰিব পাৰি তাৰ কাৰণে চিন্তা কৰিব বুলি আশা কৰিলো। তাৰ পিছত এতিয়া মহকুমা বিলাকত প্ৰজেক্ট অফিচাৰ নাই, ফলত আচনিসমূহ এম্‌প্লিমেণ্ট কৰাত অসুবিধাৰ সন্মুখীন হবলগা হৈছে। টি, এচ, পি এৰিয়াত প্ৰাথমিক সঞ্চালকৰ দ্বাৰা টেণ্ডাৰৰ যোগেদি যি ইউনিফৰ্মৰ যোগান ধৰা হৈছে সেইবিলাক নিকৃষ্টতম। সেইবিলাক ফটা ছিটা আৰু ৰং যোৱা ধৰণৰ। এইবিলাকৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰি কৰ্তন প্ৰস্তাবৰ বিৰোধিতা কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

(At 11.47 AM Mr. Speaker vacated the Chair and Mr. Chairman (Shri Silvius Condpan) occupied the Chair)

শ্ৰীহেম প্ৰকাশ নাৰায়ণ :—মাননীয় চেয়াৰমেন মহোদয়, মন্ত্ৰী মহোদয়ে উত্থাপন কৰা মঞ্জুৰী দাবীৰ প্ৰতি সমৰ্থন জনাই বিৰোধী পক্ষই উত্থাপন কৰা কৰ্তন প্ৰস্তাবৰ বিৰোধিতা কৰি মই দুষাৰমান কবলৈ আগবাঢ়িছো। চেয়াৰমেন মহোদয়, অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ এইসকল লোক যুগে যুগে পিচপৰি আছিছে। আমাৰ দেশ স্বাধীনতা লাভ কৰাৰ পিচতো সামগ্ৰীক দিশত এই লোকসকলৰ কোনো উন্নতি পৰিলক্ষিত হোৱা নাই। স্বাধীনতাৰ পিচত সংবিধানে এই লোকসকলৰ বিভিন্ন দিশত সামাজিক ভাবে উন্নত কৰি তোলাৰ বাবে বিশেষ ব্যৱস্থা সন্নিবিষ্ট কৰা হৈছিল, আৰু আমাৰ জনসাধাৰণক আৰ্থিক আৰু সামাজিক ভাবে আগবঢ়াই নি অন্যান্য জাতিৰ লগত, অন্যান্য দেশৰ লগত ফেৰ মাৰিব পৰা অৱস্থা কৰিব পাৰিলেহেতেন। আমাৰ চৰকাৰে গণতান্ত্ৰিক ব্যৱস্থাৰে জন সাধাৰণৰ উন্নতিৰ বাবে নানা প্ৰচেষ্টা চলাইছে যদিও আৰু কৰিব লাগিব। প্ৰকৃত অৰ্থত আজি আমি আমাৰ জনসাধাৰণক উন্নয়নৰ সকলো ৰকমৰ ব্যৱস্থা দিব পৰা নাই। ইয়াৰ কাৰণ হৈছে সমাজৰ নানা ৰাজনৈতিক ব্যক্তিৰ, প্ৰতিনিধিৰ শোষণ, বিভিন্ন বিভাগৰ বিষয়া সকলৰ অৱহেলা, আৰু ইয়াৰ বাবে অফিচাৰক জগৰীয়া কৰিব লাগিব। এইসকলৰ বাবেই আজি এই লোকসকলে নিজৰ প্ৰাপ্যৰ পৰা বঞ্চিত হৈ আছে। নিজ নিজ অধিকাৰৰ পৰা আতৰি গৈছে। এই লোকসকলৰ ওপৰত অত্যাচাৰ, উৎপীড়ন, শোষণ চলি আছিছে। এইটো গণতান্ত্ৰিক দেশৰ বাবে, উন্নতশীল দেশৰ কাৰণে আৰু কল্যাণকামী দেশৰ কাৰণে, সমাজৰ কাৰণে নিশ্চয় ভাল কথা নহয়—লাজ আৰু পৰিতাপৰ কথাহে। এই সকল লোকৰ ভিতৰত শতকৰা ৯০ জন মানুহেই কৃষক আৰু তেওঁলোকে কৃষিৰ ওপৰত নিৰ্ভৰ কৰে। তেওঁলোকৰ মাটিৰ সমস্যা সমাধান নহলে তেওঁলোকৰ জীয়াই থকাৰ

অৱলম্বনেই নোহোৱা হৈ যাব। এইখিনিতে মই দুটা উদাহৰণ দিলে কথাটো পৰিষ্কাৰ হব। ১৯৬৫ চনতে যোৰহাটৰ গোহাঁইগাওঁৰ মথাউৰি ভাঙি প্ৰায় ৩০০ বো অধিক অনুসূচীত সম্প্ৰদায়ৰ পৰিয়াল গৃহহীন হৈ পৰিছিল। তেখেত সকলক যোৰহাটৰ টিয়কৰ কাৱৈমাৰী বিজাৰ্ভত সংস্থাপন দিয়া হৈছিল। আজিলৈকে সেইসকল মানুহক মাটি দখল কৰি থকা স্বত্বেও পট্টা দিয়া হোৱা নাই। আচৰিত হব যে, ১৯৬৪ ৬৫ চনৰ পৰা ১৯৮৫ চনলৈকে এই ৪০০ পৰিয়াল থকা গাওঁ-বিলাকলৈ যাবলৈ একেবাৰে সংযোগ পথ নাই। বাৰিষা ৭ ফুটৰ পৰা ৯ ফুটলৈ পানী হয়। এখন কল্যাণকামী দেশৰ বাবে আজি যি নীতিৰ প্ৰয়োজন সেই নীতি তেওঁলোকে লোৱা নাই। আৰু যি অলপ নীতি লৈছে সেই নীতি কাৰ্য্যকৰী বিষয়াসকলে কৰা নাই। তাৰ বাবে নিশ্চয় বিষয়াসকল জগৰীয়া হব। মোৰ সমষ্টিৰ ৫টা পৰিয়ালক নাওঁশলিয়া বোজিওত মাটি দিয়া হল, কিন্তু যোৰহাট নগৰৰ কোনোবা মহন্ত নামৰ ধনী মানুহ এজনে সেই মাটিত বে-আইনী ভাবে নিজৰ কৰি দুটা ইটা ভাটা খুলিছে। আৰু মই বিধায়ক হিচাবেও দুই তিনিবাৰ দিচিক লিখিত ভাবে জনাইছো, আনকি যোৰহাট লেন্দ এদভাইচৰী কমিটিয়ে সিদ্ধান্ত লোৱাৰ পিচতো অবৈধভাবে দুটা ইটাৰ ভাটা কৰি থকা ব্যক্তিৰ ওপৰত বিশেষ ব্যৱস্থা গ্ৰহণ কৰিব পৰা নাই। আচৰিত হব যে, আমাৰ মুখ্যমন্ত্ৰী মহোদয়েও কৈছে— আজি দৈয়াং বিজাৰ্ভত লাখ লাখ মানুহে বসবাস কৰি আছে। তাৰ ভিতৰত শতকৰা ৭৫ ভাগ অনুসূচীত জাতিৰ আৰু জনজাতিৰ লোক যেওঁলোক মাজুলীত পানীত ভাগি অহা আৰু গড়াখহনীয়াৰ প্ৰকোপত ভাগি অহা লোক। তাৰোপৰি লুৱাৰ অসময় বহুতো জনজাতিৰ মানুহো আহি তাত আছেহি। ১৯৫০ চনতে দখল কৰা মাটিৰ জংঘল নাই তথাপিও আজি সেই মানুহবিলাকক পট্টা দিয়া হোৱা নাই। তেওঁলোকে মুকলি কৰি থোৱা মাটিত ইতিমধ্যে চচিয়েল ফৰেষ্ট্ৰি কৰিবলৈ ওলাইছে। দৈয়াং বিজাৰ্ভৰ টৈঙানিত আৰু ৮খন বিজাৰ্ভ গাৱঁৰ খেতিৰ পথাৰত চচিয়েল ফৰেষ্ট্ৰি কৰিছে। আজি এই নিৰ্য্যাতিত লোকসকলক তেওঁলোকৰ উপকাৰৰ বাবে মাটি দিয়া হোৱা নাই। গতিকে পানী বন্ধ হৈ থকা, বসবাসৰ অনুপযুক্ত, খেতিপাতি নোহোৱা, পাহাৰ, টিলা থকা, বনৰীয়া জন্তুৰ পৰা অপকাৰ হোৱা, মাটি যদি এই লোকসকলক দিয়া হয় তেনেহলে তেওঁলোকক অন্যান্য সা-সুবিধাও দিব লাগিব। খোৱা পানীৰ ব্যৱস্থা কৰিব লাগিব, সংযোগ পথ দিব লাগিব, প্ৰাইমাৰী স্কুলৰ ব্যৱস্থা কৰিব লাগিব, এইবিলাক কৰা আমি দেখা নাই, আৰু চৰকাৰী বিষয়াসকলেও এইবিলাক কাম

আন্তৰিকতাৰে কৰিবলৈ লোৱা হোৱা নাই। প্ৰথমেই মাটিৰ সমস্যা সমাধান কৰি দিব লাগে। আমাৰ ৯০ ভাগ নিৰক্ষৰ চাকৰি বাকৰিহীন, সম্পদহীন, লোকৰ প্ৰতি অন্যায় বিচাৰ কৰিলে নহব। দৈয়াং বিজাৰ্ভৰ মাটি দি বিজাৰ্ভ কৰি সেইসকল মাটিহীন দৰিদ্ৰ S. C. মানুহক অন্যান্য দৰিদ্ৰ মাটিহীন মানুহক স্থায়ী পট্টা দিয়াৰ ব্যৱস্থা লব লাগে। চেয়াৰমেন মহোদয়, এইখিনিতে মই অনুসূচীত সম্প্ৰদায়ৰ মাছমৰা ব্যৱসায়ৰ বিষয়ে অলপ কব বিচাৰো। এই লোকসকলৰ অৱস্থা আজি অতি তুথলগা হৈ পৰিছে। আজি এই লোকসকলৰ মাছৰ ব্যৱসায় নাই। আন মানুহে সেই মাছৰ ব্যৱসায় বা এই সম্প্ৰদায়ৰে কিছুমান ধনী মানুহে বা দালালে এই মাছৰ ব্যৱসায় নিজৰ হাতলৈ আনি লৈছে। মই আমাৰ মুখ্যমন্ত্ৰী মহোদয়ক এই বিষয়ে কৈছিলো। আৰু তেখেতেও আন্তৰিকতাৰে স্বীকাৰ কৰি লৈছিল। তেখেতে কৈছিল যে, এই লোকসকলক মাছ মৰা ব্যৱসায়টো চমজাই দিব লাগে। কিন্তু এতিয়াও কৰা হোৱা নাই। পলম কৰি হলেও আমাৰ বিভাগীয় মন্ত্ৰী মহোদয়ে এইবিলাক কাম কৰিবলৈ চেষ্টা কৰিব বুলি অনুৰোধ কৰিলো। চেয়াৰমেন মহোদয়, এইখিনিতে আৰু এটা কথা, দেৰগাঁৱৰ মোৰ সমষ্টিত প্ৰায় ২১ খন S. T. গাৱত আজিলৈকে বৈদ্যুতিকৰণ হোৱা নাই। ইয়াৰ বাবে চৰকাৰৰ আচনি থকা স্বত্বেও কাৰ্য্যকৰী হোৱা নাই। সেই লোকসকলৰ মাজত আজিলৈ বিশুদ্ধ খোৱা পানীৰ ব্যৱস্থা, জলসিঞ্চনৰ ব্যৱস্থা হোৱা নাই। কুৰিখন S. T. গাওঁলৈ সংযোগ পথ মালো আলিটো আজিও উন্নত হোৱা নাই। কাচাৰতো এনে কিছুমান আচনি বিষয়াসকলৰ আন্তৰিকতা হীনতাৰ বাবেই হোৱা নাই। গতিকে এই লোকসকলৰ ৰক্ষণা বেক্ষণ দিয়াৰ বাবে মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিলো।

১৯৭২ চনৰ পিচত অসমত প্ৰায় ১২ খনমান কৃষি ফাৰ্মিং কৰপৰেশ্যান কৰিছিল, অনুসূচিত জাতি আৰু জনজাতিৰ মানুহক তাত বসবাস কৰিবলৈ ব্যৱস্থা লৈছিল, কিন্তু তাত সেইসকল লোকক মানুহ হিচাবে বাচি থকাৰ নিম্নতম সা-সুবিধা আজিও দিয়া হোৱা নাই। চৰকাৰৰ আদৰ্শ আৰু আচনি বিষয়াসকলে কাৰ্য্যকৰী কৰা নাই। গোলাঘাটত এখন ওৱেলফেয়াৰ বৰ্ড আছে, তাত যিজন কেৰাণী আছে তেওঁ নিজৰ খিয়াল খুচি মতেই কাম কৰে। কেইবাবাৰো কৈ য়াৰ পিচতো তেওঁ সাধাৰণ কেৰাণী এজনক বদলি কৰি দিয়া নাই। একেদৰেই প্ৰজেক্ট অফিচ আৰু চাৰ্কোল অফিচতো বহুত অসুবিধা হৈছে। অনুসূচিত জাতি

আৰু জনজাতিৰ কল্যাণৰ কাৰণে যেনে ধৰণেৰ ভাবিব লাগে এইখিনি কৰিবৰ কাৰণে মই আপোনাৰ যোগে বিভাগীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো। চাহ বাগানৰ ক্ষেত্ৰত যেনেকৈ এজন বেলেগ ডিৰেক্টৰ কৰিছে ঠিক তেনেকৈয়ে যেন অনুসূচিত জাতিৰ বাবেও এটা চিপাৰেট ডিৰেক্টৰ কৰক। তেতিয়াহলে চাকৰি-বাকৰিৰ ক্ষেত্ৰতে নহয়, শিক্ষা আদি অন্যান্য ক্ষেত্ৰতো যিখিনি সা-সুবিধা পাব লাগে সেইখিনি এইসকল বঞ্চিত S. C. লোকে পাব। ১৯৭৮ চনৰ চেন্সাচ মতে এচ-চিৰ জনসংখ্যা প্ৰায় ৯ লাখ বুলি কোৱা হৈছিল। কিন্তু দেখা যায় অন্যান্য লোকে অনুসূচিত জাতি বা জনজাতি বুলি কৈ যি ধৰণেৰে সা-সুবিধা লব লাগিছে তাৰ ফলত ১৯৮৫ চনত গৈ এই জনসংখ্যা ১৮ লাখ হবগৈ। এনে ধৰণৰ ভুল তথ্যৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ S. C. লোকৰ পৰা পোৱা সাহার্য্যতো বাধাৰ সৃষ্টি হৈছে আৰু যি গতিৰে মানুহে সেৱা পাব লাগিছিল সেই গতিৰে পোৱা নাই। গতিকে এই ক্ষেত্ৰত চৰকাৰে বিশেষ মনোযোগ দিব বুলি মই আশা ৰাখিছো।

শ্ৰীৰমেশ ফুকন :—চেয়াৰমেন মহোদয়, অনুসূচিত জাতি, অনুসূচিত জনজাতি আৰু অন্যান্য পিচপৰা শ্ৰেণীৰ কল্যাণৰ কাৰণে সদনত ৰাজহ মন্ত্ৰী মহোদয়ে উত্থাপন কৰা দাবী মঞ্জুৰী সমৰ্থন কৰি আৰু বিৰোধী পক্ষই উত্থাপন কৰা কৰ্তন প্ৰস্তাৱৰ বিৰোধীতা কৰি মই দুআষাৰ কথা কব খুজিছো। বিভিন্ন পিচপৰা শ্ৰেণী, বিশেষকৈ ৩০ টা সম্প্ৰদায়ৰ ভিতৰত হিন্দু মুছলমান, চাহশ্ৰমিক, মনিপুৰী, নেপালী আদি সকলো আছে। কিন্তু আমি লক্ষ্য কৰি আহিছো যে বিভিন্ন পিচপৰা শ্ৰেণীৰ লোকসকলক সাংবিধানিক আৰু বিধিগত নায্য সা-সুবিধাৰ পৰা পৰিকল্পিত ভাবে বঞ্চিত কৰি আহিছে। আমি দেখিছো চৰকাৰে বিভিন্ন উন্নয়ন আচনি গ্ৰহণ কৰে। কিন্তু এই আচনিসমুহ কাৰ্যকৰী কৰোতে হয়তো বিভাগীয় বিষয়াসকলেই বাধাৰ সৃষ্টি কৰি আহিছে।

মাননীয় সদস্য অলিত বড়ো ডাঙৰীয়াই জলপানীৰ কথা কৈছে। ছাত্ৰ-ছাত্ৰীৰ জলপানী বছৰৰ শেষত যায় যাৰ কাৰণে ছাত্ৰই একো কাম কৰিব নোৱাৰে। তেখেতে পৰামৰ্শ আগবঢ়াইছে যে এই জলপানী মাহেকীয়া হব লাগে। ময়ো কওঁ যে মাহেকীয়া নহলেও কোৱাটাৰ্লি দিয়াৰ ব্যৱস্থা কৰিব বুলি চৰকাৰৰ মনোযোগ আকৰ্ষণ কৰিছো। নহলে চাইকেল, ঘড়ী আদি কিনাতহে ছাত্ৰই এই টকা ব্যৱহাৰ কৰিব। তেখেতৰ পৰামৰ্শ মই সমৰ্থন কৰিছো।

আন এটা ডাঙৰ সমস্যা হৈছে প্ৰমাণ-পত্ৰৰ। মই আগতেই কৈছো যে এই প্ৰমাণ-পত্ৰ পোৱাৰ দুটা পদ্ধতি আছে। আমাৰ যিবিলাক পিচপৰা শ্ৰেণী, অনুসূচিত জাতি আৰু জনজাতিৰ সংগঠন আছে সেই সংগঠনৰ জিলা বা ৰাজ্যিক পৰ্য্যায়ৰ বিষয়ববীয়া সকলে এই প্ৰমাণ-পত্ৰ দিব পাৰে। আনটো পদ্ধতি হৈছে জিলাৰ উপায়ুক্তই দিব পাৰে। কিন্তু তেওঁ নিদিয়ে। দিয়ে এচ-দি-চি আৰু মণ্ডলে। পাচ টকা দিলেই মণ্ডলে এই চাৰ্টিফিকেট দিয়ে। মণ্ডলৰ পৰা পোৱা ৰিপৰ্ট এচ-ডি-চিয়ে দিয়াৰ পিচত ডি-চিৰ পৰা এই চাৰ্টিফিকেট পোৱা হয়। এই ব্যৱস্থা যদি বন্ধ কৰি দিয়া নহয় তেন্তে অনুসূচীত জাতি আৰু জনজাতিৰ কল্যাণৰ বাবে যি আচনি কৰা হৈছে সি সফলকাম নহব। বিভিন্ন পিচপৰা বা অনুষ্ঠানৰ মূৰব্বীসকল জিলা পৰ্য্যায়তে হওক বা মহকুমা পৰ্য্যায়তে হওক বা ৰাজ্যিক পৰ্য্যায়তে হওক প্ৰমাণ পত্ৰ দিয়াৰ ব্যৱস্থা কৰিব লাগে। কোনো কোনো অনুষ্ঠানত এডমিচন ফৰ্ম আছে এম-এল-এ বা অনুষ্ঠানৰ মূৰব্বীয়ে চহী দিব লাগে। কিন্তু যোৱা বছৰ কলে যে নতুন ফৰ্ম ছপা কৰিলৈ দিয়া হৈছে। ইঞ্জিনিয়াৰিং কলেজ, মেডিকেল কলেজ আদি সকলোবোৰ অনুষ্ঠানত এডমিচন ফৰ্মত অনুসূচিত জাতি, জনজাতি আৰু পিচপৰা সম্প্ৰদায়ৰ প্ৰমাণ-পত্ৰ দিয়াৰ ক্ষেত্ৰত অনুসূচিত জাতি, অনুসূচিত জন জাতি; অন্যান্য পিচপৰা শ্ৰেণীৰ অনুষ্ঠান সদৌ অসম পিচ পৰা শ্ৰেণীৰ সংগঠনৰ বিষয়ববীয়া সকলে প্ৰমাণ পত্ৰ দিয়াৰ কতৃত্ব দিব লাগে। অন্যান্য পিচপৰা শ্ৰেণীৰ জনসংখ্যাৰ চেনচাচ হব লাগে, ইয়াৰ বাবে মই কেইবা বাৰো অনুৰোধ কৰি আহিছো। আমি কব খোজো এই জনসংখ্যা শতকৰা ৭৫ ভাগ, কিন্তু কোনোবাই কব খোজে ৫০ ভাগবো কম। প্ৰকৃত জনসংখ্যা জনা নাথাকিলে আনে ইয়াৰ সুবিধা ভোগ কৰিব। ইয়াৰ বাবে মই বিভাগীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো। আৰু এটা কথা বড়ো ডাঙৰীয়াই উত্থাপন কৰিছে, সেইটো হৈছে আসন সংৰক্ষণৰ কথা। অন্যান্য পিচপৰা শ্ৰেণীৰ পৰা আসন সংৰক্ষণ কৰাৰ দাবী আহিছে। এই বছৰ শতকৰা ১৫ ভাগ আসন অন্যান্য পিচপৰা শ্ৰেণীৰ বাবে সংৰক্ষিত কৰা বুলি কোৱা হৈছে। কিন্তু এই ক্ষেত্ৰত প্ৰয়োজনীয় আইন প্ৰস্তুত কৰা হোৱা নাই। গতিকে এইবাৰ বাজেট অধিবেশনতে এক বিধেয়ক উত্থাপন কৰি আসন সংৰক্ষণৰ ব্যৱস্থা আইনমতে পোৱাৰ ব্যৱস্থা কৰিব লাগে। তেতিয়াহলে অন্যান্য পিচপৰা শ্ৰেণীৰ লোকসকলে চাকৰিৰ ক্ষেত্ৰতেই হওক বা শিক্ষাৰ ক্ষেত্ৰতেই হওক প্ৰকৃত সুবিধা গ্ৰহণ কৰিব পাৰিব।

তাৰোপৰি জনতা চৰকাৰৰ দিনত অন্যান্য পিচপৰা শ্ৰেণীৰ কাৰণে মণ্ডল

আয়োগ গঠন কৰিছিল আৰু এই মণ্ডল আয়োগৰ পৰামৰ্শসমূহ বিভিন্ন ৰাজ্যলৈ পঠোৱা হৈছিল। মণ্ডল আয়োগৰ কেইটামান পৰামৰ্শ আছে আৰু এই পৰামৰ্শ কেইটা আমাৰ অসমৰ পিচপৰা শ্ৰেণীৰ মানুহৰ কাৰণে গ্ৰহণযোগ্য হয়নে নহয় সেইটো ভালদৰে চাই যিখিনি গ্ৰহণ কৰিব পৰা হয় সেইখিনি আমাৰ পিচপৰা শ্ৰেণীৰ কল্যাণৰ কাৰণে কাৰ্য্যকৰী কৰাৰ কাৰণে ব্যৱস্থা কৰিবলৈ মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিলো। অন্যান্য পিচপৰা মানুহৰ কল্যান উপদেষ্টা পৰিষদ যেতিয়া গঠন কৰা হয় আমি দেখিছো তেতিয়া তাত কিছু অন্য মানুহো সোমায়। যদি কোনো অনুষ্ঠান কৰা হয় সি জনজাতিৰ অনুষ্ঠানৰ বা অন্যান্য পিচপৰা মানুহৰ সংগঠন বা কল্যাণ উপদেষ্টা পৰিষদৰ কোনো অনুষ্ঠান এইবিলাক ৰাজ্যিক পৰ্য্যায়ৰে হওক বা মহকুমা পৰ্য্যায়ৰে হওক নিজস্ব প্ৰতিনিধিৰে গঠিত হব লাগে। অন্যান্য পিচপৰা শ্ৰেণীৰ ক্ষেত্ৰত কিতাপ বা ভ্ৰমণ মঞ্জুৰীৰ বাদে আন একো দিয়া নাই। এক বিৰাট সংখ্যক জনজাতি আৰু অনুসূচীত জনজাতিৰ তাঁত শাল আৰু পানী যোগানৰ একো সুবিধা দিয়া নাই। জনজাতি উপ পৰিকল্পনা এলেকাৰ বাহিৰে জনজাতিৰ লোকসকল থকা অন্যান্য পিচপৰা অঞ্চলতো এই সুবিধাবোৰ দিব লাগে। বিশেষকৈ প্ৰাক্তন চাহ শ্ৰমিকসকল যি সকলৰ গাওঁ বিলাকত আমি দেখিছো সেইসকলৰ অৱস্থা আৰু শোচনীয়। সেই সকলক জনজাতি উপপৰিকল্পনা এলেকাৰ লোকসকলৰ দৰে তাঁত শাল আৰু পানী যোগানৰ ব্যৱস্থা কৰি দিব লাগে তেতিয়াহে তেওঁলোকৰ প্ৰতি উপকাৰ কৰা হব। এই শিতানত বেলেগে টকা ধৰা হোৱা নাই. সেয়ে মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো এচ চি, এচ-টি আদিত দিয়াৰ লগতে এই অন্যান্য পিচপৰা শ্ৰেণীৰ কাৰণেও তাঁতশাল আৰু পানী কল আদি যোগান দিয়াৰ ব্যৱস্থা কৰিব লাগে।

কিতাপৰ মঞ্জুৰী দিয়াৰ ক্ষেত্ৰত দেখিছো মই নিজেও মহকুমা কল্যাণ উপদেষ্টা পৰিষদৰ সভাপতি আছিলো। তেতিয়া দেখিছিলো কিতাপ দিয়াৰ ক্ষেত্ৰত এটা ডাঙৰ অসুবিধা আছে। সেইটো হল হয় বছৰৰ মাজভাগত কিতাপ দিয়ে নহয় নচলা কিতাপ দিয়ে। মন্ত্ৰী মহোদয়ে এইবিলাক অলপ লক্ষ্য কৰিব লাগে। বুক বেংক আছে। কিন্তু এই বেংকে যিবিলাক কিতাপ প্ৰকৃততে চলে সেই বিলাক কিতাপ বছৰৰ আৰম্ভনীতে দিয়ে যেন। কাৰণ বছৰ আৰম্ভ হৈ গলে বেংকৰ পৰা কিতাপ পাবলৈ কোনো অভিভাবকে বৈ থাকিব নোৱাৰে আৰু কিতাপ পত্ৰ আদি কিনি পেলায়। সেই কাৰণে অপব্যয় হয়। আৰু ইয়াৰ

পৰাও দেখিছো পাঠ্যপুথিত নলগা কিতাপ দিয়ে এই বিষয়ত মোৰ নিজস্ব অভিজ্ঞতা আছে। সেই কাৰণে পাঠ্যপুথি বিতৰণৰ ক্ষেত্ৰত বিভাগীয় বিষয়া সকল সতৰ্ক হব লাগে। এই বিষয়ে ব্যৱস্থা গ্ৰহণ কৰিবলৈ মন্ত্ৰী মহোদয়ক মই অনুৰোধ কৰিলো।

আৰু এটা কথা শুনিবলৈ অলপ বেয়া লাগিলেও মই কব খুজিছো যে আমাৰ যি ওৱেলফেয়াৰ অফিচাৰ আছে এচ-চি আৰু এচ-টিৰ কাৰণে সেইসকলক অনুসূচীত জাতি আৰু অনুসূচীত জনজাতি বা অ-বি-চিৰ পৰা দিলে ভাল হয়। আমাৰ এই যি তিনিটা সম্প্ৰদায় আছে, তেওঁলোকৰ অনুভূতিখিনি উপলব্ধি কৰিব পৰা অফিচাৰকহে তাত নিয়োগ কৰা হয়। নহলে এই ওৱেলফেয়াৰ অফিচাৰ জনৰ যদি এই অনুভূতিখিনি উপলব্ধি কৰাৰ মনোবৃত্তি নাথাকে তেতিয়াহলে এই সম্প্ৰদায় কিটাই যি সহানুভূতি পাব লাগে সেইখিনি নাপায়। সেই কাৰণেই মই এই অনুৰোধটো শুনিবলৈ বেয়া লাগিলেও কবলৈ বাধ্য হৈছো। অধ্যক্ষ মহোদয়, টি-এচ-পি এৰিয়া নহলে ভাত তাঁতশাল নিদিয়ে। মহকুমা পৰ্য্যায়ত থকা বিষয়াসকলক এই কথা কলে তেখেতসকলে কয় এইটো টি-এচ-পি এৰিয়াৰ কাৰণেহে জেনেৰেল এৰিয়াত দিব নোৱাৰি। সেই কাৰণে মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যে যিবিলাক জনজাতিৰ মানুহ ট্ৰাইবেল বেল্টত আছে, সেই মানুহখিনিৰ কাৰণে অলপ চকু দিব। মই নিজেই দেখিছো নগাওঁ জিলাত এই ধৰণৰ কাম কাজ চলি আছে, সেয়ে মই বিশেষকৈ মন্ত্ৰী মহোদয়ক আকৌ অনুৰোধ কৰিলো।

বিভাগীয় মন্ত্ৰী মহোদয়ে কৰা দাবী মঞ্জুৰীৰ প্ৰতি সমৰ্থন জনাই আৰু বিৰোধী পক্ষই অনা কৰ্ত্তন প্ৰস্তাৱৰ বিৰোধীতা কৰি মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

শ্ৰীকাৰ্ত্তিক চৰকাৰ— অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে অনা দাবী মঞ্জুৰীৰ শিতানত মই কেইটামান কথা নিবেদন কৰিব খুজিছো ভাৰতবৰ্ষৰ সংবিধানত অনুসূচীত জাতি আৰু জনজাতিৰ কাৰণে সংবিধানত যি সুবিধা দিছে সি সচাকৈয়ে শলাগিবলগীয়া। আজি অসম চৰকাৰে অনুসূচীত জাতি আৰু জনজাতিৰ উন্নতিৰ হকে যি আচনি প্ৰস্তুত কৰিছে তাৰ কাৰণে ধন্যবাদ দিছো। যদি আমি সচাকৈ মানুহ হিচাবে জীয়াই থাকিব লাগে তেতিয়া হলে আমাৰ জন-সাধাৰণক আমি কিছুমান আচনিৰ দ্বাৰা আগবঢ়াই আনিব লাগিব।

অধ্যক্ষ মহোদয়, মোৰ বহুখিনি কবলগীয়া আছিল কিন্তু সময়ৰ অভাৱত সকলোখিনি কব নোৱাৰিম সেয়ে থুলমূলকৈ অলপ কোৱাৰ চেষ্টা কৰিম। স্বৰ্গীয় প্ৰধান মন্ত্ৰীয়ে যি ২০ দফীয়া আচনি লৈছিল তাতো ৭ নং দফাবে আমাৰ অনুসূচীত জনজাতিৰ কাৰণে লৈছিল। মই চৰকাৰৰ ওচৰত এই আচনিৰ যি মহৎ উদ্দেশ্য সেই উদ্দেশ্য কাৰ্য্যকৰী কৰাৰ কাৰণে অনুৰোধ কৰিছো। কাৰণ এইটো জাতিৰ বিষয়ে যিমান আলোচনা বিলোচনা হয় কাৰ্য্যত কিমানখিনি হয় সেইটো আজি সকলোৱে উপলব্ধি কৰিছে। আজি ইয়াত যিমান বিধায়ক আছে তাৰ ভিতৰত জনজাতিৰ বিধায়ক বহু তাকৰ। যিবিলাক আচনি চৰকাৰে হাতত লয় সেইবোৰ জনসাধাৰণৰ মাধ্যমেদি কাৰ্য্যকৰী কৰাৰ অনতিপলমে চেষ্টা কৰিব লাগে। আৰু যিবিলাক আচনি এই অনুসূচীত জনজাতিৰ জনসাধাৰণৰ কাৰণে লোৱা হৈছে সেইখিনি কাৰ্য্যত কিমান হৈছে তাৰ এটা অনুসন্ধান কৰিব লাগে তেতিয়াহে জানিব পৰা যায় ক'ত কিমান কাম হৈছে, আৰু ক'ত কি ভুল-ক্ৰটী হৈ গৈছে। সেইবোৰ জনাৰ পিচতহে ভুল ক্ৰটীবোৰ শুধৰাই পুনৰ নতুন কাম হাতত লব পৰা যাব। আমাৰ জিলা পৰ্য্যায়ত এখন বৰ্ড আছে।

যি হওক মই এটা অনুৰোধ কৰিব বিচাৰিছো যে আমাৰ যিখন এডভাইচাৰী কাউনচিল আছে বা যিবিলাক বৰ্ড আছে সেই বিলাকৰ সদস্যসকলক যাতে একেবাৰে বহুতবাৰ থাকিব নোৱাৰে তাৰ ব্যৱস্থা হব লাগে। তেওঁলোক এইবিলাকৰ সদস্য থকাৰ এটা নিৰ্দ্দিষ্ট সময় বান্ধি দিব লাগে। ধৰক এক বছৰ বা দুই বছৰ। আমি কথাৰে বহুত বিলাক আচনি প্ৰস্তুত কৰো। কিন্তু কাৰ্যকাৰিতাৰ ক্ষেত্ৰত সেইবিলাক ৰূপায়ন হৈছে নে নাই সেই বিষয়ত মুঠেই মন নিদিও। এইটো হব নালাগে। আচনি কৰিলে সেই বিলাকৰ কাৰ্য্যকাৰিতাৰ ওপৰত গুৰুত্ব দিব লাগে। যি খিনি মঞ্জুৰী বিচাৰিছে সেই টকা খিনি যাতে সতভাৱে ব্যৱহাৰ হয় তাৰ কাৰণে বিশেষ ভাবে নজৰ দিব লাগে। কিছুমান আচনিৰ যোগে গৰু, ছাগলী, হাঁহ, কুকুৰা কিনি দিয়াৰ কথা কৈছে। এইবিলাকত বহুত কথা আছে, বহুত ৰহস্য আছে। সেইবিলাক মই কবলৈ নাযাও। যিবিলাক গৰু কিনি দিয়ে সেই বিলাক এক সপ্তাহৰ পিচতে মৰি যায়, সেই দৰে যি বিলাক ছাগলী কিনি দিয়া হয় সেই বিলাকো বেচি দিন জীয়াই নাথাকে। সেই দৰে হাঁহ, কুকুৰা দিলে সেই বিলাকে কণী নাপাৰে বা মৰি যায়। সেই বিলাক কিয় হৈ থাকিবলৈ পাইছে? এই বিলাক হবলৈ পাইছে চোৰা চিটাৰ

অভাৱত চৰকাৰৰ যদি উদ্দেশ্য এই সম্পৰ্কত ভালেই তেনেহলে এই বিলাক কথা ভালদৰে চোৱা চিটা কৰি সেই মতেই ব্যৱস্থা লব লাগে। মাননীয় অধ্যক্ষ মহোদয়, মই মুঠতে কবলৈ বিচাৰিছো যে চৰকাৰে যিবিলাক আচনি লৈছে সেই বিলাক যাতে ভাল ভাবে ৰূপায়িত হয়, আৰু জনসাধাৰণৰ কল্যাণ হয়, লগতে চৰকাৰৰ জনপ্ৰিয়তা থাকে তাৰ প্ৰতি নজৰ দি কাম কৰিব লাগে। মই ইয়াকে কৈ কৰ্ত্তন প্ৰস্তাৱটোৰ বিৰোধীতা কৰি দাবী মঞ্জুৰীটো সমৰ্থন কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

Mr. Speaker :—Hon'ble Member Shri Sarkar and Shri Condpan will have to conclude by 12-30 p. m, I am not going to allow any other Hon'ble Member to participate in this discussion. Since you and Mr. Condpan belong to this class, I am allowing both of you to speak briefly and to finish by 12/30 Hrs.

শ্ৰীচিলভিউচ কন্দপাল :—মাননীয় অধ্যক্ষ মহোদয়, অনুসূচীত জাতি, জনজাতি আৰু অন্যান্য পিচপৰা শ্ৰেণীৰ কল্যাণৰ কাৰণে আৰু উন্নয়নৰ কাৰণে যি দাবী মঞ্জুৰী আনিছে মই সেইটো সমৰ্থন কৰি বিৰোধী দলে যিটো কৰ্ত্তন প্ৰস্তাৱ আনিছে সেইটোৰ বিৰোধীতা কৰি মই কেইটামান পৰামৰ্শ আগবঢ়াব বিচাৰিছো।

অধ্যক্ষ মহোদয়, আপুনি জানে অসমৰ অন্যান্য পিচপৰা শ্ৰেণী সমূহৰ ভিতৰত চাহ বনুৱা আৰু প্ৰাক্তন চাহ বনুৱা সম্প্ৰদায়টো এটা বৃহৎ সংখ্যক সম্প্ৰদায়। এই সম্প্ৰদায়টো আজি অসমীয়া সমাজৰ এটা অপৰিহাৰ্য্য অংগ। অসমৰ জনসাধাৰণৰ এই সম্প্ৰদায়ে তিনিভাগৰ এক অংশ পূৰণ কৰিছে। এই সম্প্ৰদায়টোৱে অসমৰ তথা ভাৰতবৰ্ষৰ বাবে কেনেকৈ বিদেশী মুদ্ৰা অৰ্জন কৰিছে সেইটো সকলোৱেই জানে। তেওঁলোকৰ সকলৰ চৰকাৰৰ অৰ্থনৈতিক উন্নতিৰ ক্ষেত্ৰত যি বৰঙণি আছে সেইমতে তেওঁলোকে চৰকাৰৰ পৰা একো পোৱা নাই। আমি যিসকলে এই সম্প্ৰদায়টোৰ প্ৰতিনিধিত্ব কৰিছো আমাৰ ভয় হৈছে আমি এই সম্প্ৰদায়টোৰ কাৰণে কিবা কৰিব পাৰিছোনে নাই? আমি জনাত এই সকলৰ কাৰণে আমি যিখিনি কৰিব লাগে সেই খিনি কৰিব পৰা নাই। যদিও এই

সম্প্ৰদায়টোৰ কাৰণে এটা বেলেগ বিভাগ হল তথাপি এইটো উন্নত অৱস্থালৈ নাহিল। যি খিনি মঞ্জুৰী ইয়াৰ কাৰণে ধাৰ্য্য কৰা হৈছে সেইখিনি উচিত ধৰণেৰে কৰা হৈছেনে? গতিকে যি খিনি হব লাগে সেই খিনি ন্যাৰ্যভাবে হোৱা নাই। এই সম্প্ৰদায়ৰ উন্নয়নৰ কাৰণে আমি দাবী কৰি আহিছো, আমাক প্ৰশাসনিক ব্যৱস্থা লাগে। আমাৰ প্ৰয়াত প্ৰধানমন্ত্ৰী গান্ধীৰ যত্নত আৰু আমাৰ মুখ্য মন্ত্ৰী দেৱৰ সহযোগত এটা সঞ্চালকালয় সৃষ্টি হল যদিও ইয়াৰ বাহিৰে আন একোৱেই হোৱা নাই। আজি এই সম্প্ৰদায়টোৰ যি খিনি চাহিদা আছে, যিখিনি প্ৰয়োজন আছে সেই খিনিৰ কোনো চাৰভে হোৱা নাই। অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো এই সম্প্ৰদায়টোৰ যি খিনি চাহিদা আছে সেইটো চাৰ্ভে কৰি জনসংখ্যা অনুপাতে উন্নতিৰ বাবে অধিক ব্যৱস্থা কৰিব লাগে। মই এই পৰিপেক্ষিতত এটা কথা কব বিচাৰিছো যে পাত চিঙিবৰ কাৰণে এই সম্প্ৰদায়ৰ যি খিনি লোক পশ্চিমবঙ্গলৈ গল, ত্ৰিপুৰালৈ গল, সেই খিনি লোকে অনুসূচীত জাতি আৰু জনজাতি হিচাবে পৰিগণিত হৈ সাংবিধানিক সা-সুবিধা ভোগ কৰি আছে। কিন্তু আমাৰ ইয়ালৈ পাত চিঙিবৰ কাৰণে যি খিনি এই সম্প্ৰদায়ৰ লোক আছিল সেইখিনি লোকে অনুসুচীত জাতি আৰু জনজাতি লোক হিচাপে সা-সুবিধাৰ পৰা বঞ্চিত হৈ আহিছে। এই সম্পৰ্কত মুখ্যমন্ত্ৰীৰ তৎপৰতাত এটা কেবিনেট চাব কমিটি গঠন কৰা হল যদিও সেই কমিটি বহি কি কৰিব সেই সম্পৰ্কত আজিলৈকে একো নহল। ইতিমধ্যে দুই বছৰ পলম হৈ গৈছে। মই আশাকৰো যাতে আৰু পলম নকৰে।

এওঁলোকৰ উন্নতিৰ বাবে যিটো সঞ্চালকালয় হল তাৰ বিষয়াসকলকো এই সম্পৰ্কত মটিভেটেড্ কৰিব পৰা নাই। মোৰ মতে এই বিষয়াসকলক এই সম্প্ৰদায়ৰ সকলো সমস্যা বিলাক অবগত কৰিব লাগে। এই সম্প্ৰদায়ৰ যিবিলাক সমস্যা আছে সেইবিলাক অধ্যয়ন কৰি সেইবিলাক পূৰণ কৰিবলৈ চেষ্টা কৰিব লাগে। শেষত মন্ত্ৰী মহোদয়ে এই সম্প্ৰদায়ৰ চৰকাৰৰ চাৰ্কুলাৰ মতে নিয়োগ আদি হৈছে নে নাই, কি হৈছে, কি নহৈছে সেইবিলাক কথা চাই অন্যান্য সম্প্ৰদায় বিলাকে যি ধৰণেৰে সুবিধা পাইছে সেই ধৰণৰ সুবিধা দিবলৈ দাবী জনালো। ইয়াকে কৈ মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

Mr. Speaker :—I am sorry there are many members left out. They may speak on some other occasion. After

Lunch the Minister will reply. Now, the House stands adjourned till 2-30 p.m. today.

( The House reassembled after lunch break at 2-30 p.m. with Mr. Speaker in the Chair. )

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী ( মন্ত্ৰী )— অধ্যক্ষ মহোদয়, ট্ৰাইবেল, অনুসূচীত জাতি আৰু অন্যান্য পিচপৰা সম্প্ৰদায়ৰ শিতানত আজি যিথন বাজেট উত্থাপন কৰিছো— তাৰ ওপৰত আমাৰ কেইবাজনো মাননীয় সদস্যই কৰ্ত্তন প্ৰস্তাৱ আনি আলোচনা কৰাৰ ফলত আমি তেওঁলোকৰ পৰা কেইটামান পৰামৰ্শ পাইছো। মাননীয় সদস্য কেইগৰাকীয়ে এই পৰামৰ্শ আগবঢ়োৱাৰ কাৰণে মই তেখেত সকলক ধন্যবাদ জনাইছো।

অধ্যক্ষ মহোদয়, আজি আমাৰ এই জনজাতি আৰু অনুসূচীত জাতিৰ লোকসকল সমাজত এটা অবহেলিত জাতি হিচাবে বহু বছৰ ধৰি পৰিগণিত হৈ আহিছে। ভাৰতবৰ্ষ স্বাধীন হোৱাৰ পিচৰ পৰাই এই অবহেলিত জনগোষ্ঠীৰ লোকসকলৰ কাৰণে সংবিধানৰ কাঠামোৰ পৰিপ্ৰেক্ষিতত তেওঁলোকক কিছুমান সুবিধা প্ৰদান কৰিবলৈ যি উল্লেখ আছে তাৰ পৰিপ্ৰেক্ষিতত এই লোকসকলে যাতে অন্যান্য লোকসকলৰ লগত সামাজিক মানদণ্ডৰ ওপৰা-ওচৰিকৈ যাব পাৰে তাৰ কাৰণে ভাৰত চৰকাৰে বিবেচনা কৰাৰ ফলত, আজি অসম চৰকাৰেও এই জনগোষ্ঠীৰ লোকসকলৰ সামাজিক বিকাশৰ কাৰণে মনোযোগ দিছে।

আমাৰ মাননীয় সদস্য শ্ৰীহেমেন দাস ডাঙৰীয়াই এটা কথা কৈছে যে এই দুখীয়া জনগোষ্ঠীৰ লোকসকলৰ ওপৰত সাম্ৰাজ্যবাদ, পুঁজিবাদ ব্যৱস্থা চলি আছে। অৱশ্যে তেখেতে এইটো তেখেতৰ দলৰ যিটো নীতি সেই নীতি অনুসৰিহে কৈছে। কিন্তু এই ক্ষেত্ৰত মই কওঁ— আজি ভাৰতবৰ্ষৰ যিটো মিশ্ৰিত অৰ্থনীতি সেই অৰ্থনীতিত আমাৰ যিটো সমাজ ব্যৱস্থা, তাৰ পৰিপ্ৰেক্ষিতত, এই জনগোষ্ঠীৰ লোকসকলক ভাৰতবৰ্ষৰ অন্যান্য প্ৰদেশৰ তুলনাত অসমত অধিকাৰ আৰু অন্যান্য ক্ষমতা যথেষ্ট পৰিমাণে দিয়া হৈছে।

অধ্যক্ষ মহোদয়, আপুনি জানে যে ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্যত এই অনুসূচীত জাতি আৰু জনজাতিৰ লোকসকলৰ আৰ্থ সামাজিক ব্যৱস্থা আৰু

তেওঁলোকৰ জীয়াই থকাৰ যিটো মানদণ্ড তাৰ তুলনাত আমাৰ ৰাজ্যত এই জনগোষ্ঠীৰ লোক সকলৰ মানদণ্ড প্ৰকৃতপক্ষে বহুত উন্নত বুলি আমি স্বীকাৰ কৰিব লাগিব। আজি আমাৰ এই লোকসকলৰ মাজত দুখীয়া মানুহ নাই বুলি নকও। এই লোকসকলক কেনেকৈ সমাজৰ উন্নত স্তৰলৈ আনিব পাৰি তাৰ কাৰণে আমি যথেষ্ট চেষ্টা চলাই আছো। কিন্তু অন্যান্য ৰাজ্যৰ তুলনাত আমাৰ ৰাজ্যত এই লোকসকলক বেছি উন্নত বুলি মই এই কাৰণেই কৈছো যে অন্যান্য ৰাজ্যবোৰত এই লোকসকলৰ ওপৰত সামাজিক যিটো দৃষ্টিভঙ্গী, সামাজিক উৎপীড়ন আৰু তেওঁলোকৰ ওপৰত যি হত্যালীলা চলি আহিছে, তেনে এটা অৱস্থা আমাৰ ৰাজ্যত হোৱা নাই। অন্যান্য ৰাজ্যৰ দৰে আমাৰ ইয়াত প্ৰটেকচন অব চিভিল ৰাইটৰ ওপৰত বিচাৰ কৰিবৰ কাৰণে এতিয়ালৈকে প্ৰয়োজন বোধ কৰা নাই। অৱশ্যে দুটা এটা সৰুসুৰা ঘটনা হৈছে যদিও ই তেনেই মামুলি ধৰণৰ।

অধ্যক্ষ মহোদয়, ইয়াৰ পিচত আমাৰ বাজ্যখনত অনুসুচীত জাতি আৰু জনজাতিৰ লোকসকলক অন্যান্য জনগণৰ মেইন ষ্ট্ৰীমলৈ আনিবৰ কাৰণে আমি আৰু কিছুমান ব্যৱস্থা হাতত লৈছো। যেনে—ইণ্টাৰ কাষ্ট মেৰিয়েজ। যদি কোনো অনুসুচীত জাতিৰ ছোৱালীয়ে সমাজৰ উন্নত জাতৰ লৰাৰ লগত আনুষ্ঠানিক ভাবে বিয়া হয় তেনে বিয়াৰ ক্ষেত্ৰত এই লোকসকলক সহায় কৰিবৰ কাৰণে এই বিভাগৰ বাজেটত কিছুমান সুবিধা আছে আৰু এই সুবিধা ইতিমধ্যে আমি প্ৰদান কৰিছো। গতিকে আমাৰ যি বোৰ আৰ্থ-সামাজিক ব্যৱস্থা এই অনুসুচীত জাতি আৰু জনজাতিৰ লোকসকলে ভোগ কৰি আহিছে আৰু তেওঁলোকৰ সংবিধান স্বীকৃত যিবোৰ সা-সুবিধা বছৰে বছৰে পাই আহিছে, তাকে লৈ সমাজৰ বিভিন্ন শ্ৰেণীৰ মাজত বিভিন্ন ঠাইত আলোচনা-বিলোচনা হোৱাটো একো অস্বাভাবিক নহয়। আজি আমাৰ মাননীয় সদস্যসকলে ৰাইজৰ প্ৰতিনিধি হিচাবে এই পবিত্ৰ সদনত অংশ গ্ৰহণ কৰিছে। তেখেতসকলৰ জ্ঞাতাৰ্থে এই অনুসুচীত জাতি আৰু জনজাতিৰ লোকসকলৰ ক্ষমতা আৰু সা-সুবিধাৰ যিখিনি ব্যৱস্থা আছে সেইখিনি আমাৰ অন্যান্য ডেভোলপমেণ্ট বিভাগে কেনেকৈ ইমপ্লিমেণ্ট কৰে তাৰে এটা আভাষ দিব খুজিছো।

মাননীয় অধ্যক্ষ মহোদয়, আপুনি জানে যে আমাৰ জনজাতীয় লোক সকলৰ কাৰণে ট্ৰাইবেল চাব প্লেন আৰু অনুসুচীত জাতিৰ কাৰণে চিডিউল

কাষ্ট কম্পনেন্ট প্লেন কৰি দিয়া হৈছে। আমাৰ ৰাজ্যত জনজাতীয় লোকৰ সংখ্যা হৈছে ১৮ লাখ ৩১ হাজাৰ। আৰু গোটেই ৰাজ্যৰ মুঠ জনসংখ্যাৰ ৯:২ ভাগ। আৰু সেইদৰে ১৯৮১ চনৰ প্ৰজেক্টেড পপুলেচন মতে অনুসূচীত জাতিৰ জনসংখ্যা হৈছে ১২ লাখ ৪২ হাজাৰ। ই গোটেই অসমৰ জনসংখ্যাৰ শতকৰা—৬২৪ ভাগ। গতিকে এই জনগোষ্ঠীৰ লোকসকলৰ কাৰণে ট্ৰাইবেল চাব প্লেন আৰু চিডিউলকাষ্ট কম্পনেট প্লেনৰ মাধ্যমেৰে বিভিন্ন উন্নয়নমূলক বিভাগৰ যোগে টকা বন্টন কৰা হয়। সেই কাৰণে গোটেই অসমৰ বাজেটক কোৱান্টিফাই কৰি ট্ৰাইবেল চাব প্লেনত ১৯৮৪-৮৫ চনৰ বাজেটত ৪৭ কোটি টকা ( ইনক্লুদিং চেন্ট্ৰেল এচিষ্টেনচ ) আৰু অনুসূচীত জাতিৰ কাৰণে ১৩ কোটি টকা ( ইনক্লুদিং চেন্ট্ৰেল এচিষ্টেনচ ) ধৰা আছিল। এই টকা বিভিন্ন উন্নয়নমূলক বিভাগৰ বাজেটত দেখুৱাই দিয়া হৈছে। এই টকাবোৰ খৰচ কৰাৰ কাৰণে পৰামৰ্শ দিয়াৰ কাৰণ ৰাজ্যিক পৰ্য্যায়ত প্লেইনচ ট্ৰাইবেল এডভাইচৰী কাউন্সিল আৰু চিডিউল কাষ্ট এডভাইচৰী কাউন্সিল গঠন কৰি দিয়া হৈছে। এই টকা খৰচৰ কাৰণে তেওঁলোকে প্ৰগ্ৰেছ ৰিপাৰ্ট দিব লাগিব আৰু জিলা আৰু মহকুমা পৰ্যায়ত আই-টি-ডি-পি কমিটি আৰু চিডিউল্ কাষ্ট ওৱেলফেয়াৰ বোৰ্ড, জিলাৰ মুৰব্বী বিষয়াজনৰ লগত আলোচনা কৰি আচনি প্ৰস্তুত কৰি বোৰ্ডত উত্থাপন কৰিব লাগে। এই আচনিবোৰ ট্ৰাইবেল আৰু অনুসূচীত জাতিৰ লোকসকলৰ জনজীৱন লগত খাপ খুৱাকৈ প্ৰস্তুত কৰাৰ কাৰণে ওপৰৰ পৰা নিৰ্দ্দেশ দিয়া আছে। এই আটাইবোৰ কথা চাই তেওঁলোকে আচনি প্ৰস্তুত কৰি অনুসূচীত জাতি আৰু জনজাতিৰ বিভাগলৈ পঠায়। তেতিয়া ষ্টেট লেভেলত বোৰ্ডে এই আচনিসমূহ আলোচনা বিলোচনা কৰি এপ্ৰুভ কৰে। অৱশ্যে কোনো কোনো ক্ষেত্ৰত তলৰ পৰা প্ৰস্তুত কৰি দিয়া আচনিকেই বোৰ্ডে আলোচনা নকৰাকৈ এপ্ৰুভ কৰি দিয়াৰ অভিযোগ নোহোৱা নহয়। কিন্তু আমি এই লোকসকলৰ জন-জীৱনৰ লগত খাপ খোৱাকৈ আচনি প্ৰস্তুত কৰাৰ ওপৰত গুৰুত্ব দিওঁ।

মাননীয় অধ্যক্ষ মহোদয়, টি-এচ-পি আৰু চিডিউল কাষ্ট কম্পনেন্ট প্লেনৰ কাৰণে আজি যি বাজেট উথাপন কৰিছো সেইখন হল ১২ কোটি ৩ লাখ টকাৰ। ইয়াৰ কাৰণে আমাৰ এটা বেলেগ শাখা আছে সেইটো হল — ওৱেলফেয়াৰ অৱ বেকওৱাৰ্ড ক্লাচেছ চেক্টাৰ। এই চেক্টৰটোৰ কাম হৈছে টি-এচ-পি আৰু চিডিউল কাষ্ট কম্পনেন্ট প্লেনত কাম কৰাৰ বাহিৰেও কিছুমান মিছিং গেপ থাকি যায়। আৰু সেই মিছিং গেপবোৰ পূৰণ কৰিবৰ কাৰণে এই বাজেট উথাপন

কৰা হৈছে। এই গেপবোৰ পূৰাবৰ কাৰণে যি ব্যৱস্থা আছে সেইবোৰ কেনেকৈ বিভিন্ন চাব আইটেমৰ মাজেৰে কৰা হয় তাক মই পৰিস্কাৰকৈ কব খুজিছো।

মাননীয় অধ্যক্ষ মহোদয়, সেইটো চাবৰ কাৰণে ফাইনেনচিয়েল এচিষ্টেন্স গ্ৰেণ্ট ইন এইদ, চেয়াৰ কেপিটেল, দি মাৰজিন মানী, ডেভলাপমেণ্ট কৰপোৰেচন এইবিলাক ব্যৱস্থা ৰখা হৈছে। আৰু সেই কাৰণে মেইনলি তিনিঠা কেটেগৰিত ভাগ কৰা হৈছে। এডুকেস্বন, ইকোন'মিক আপলিটমেণ্ট, হেল্‌থ, মিচেলিনিয়াচত ভাগ কৰা হৈছে। ইয়াৰ উপৰিও পোষ্ট মেট্ৰিক স্কলাৰচিপ পিওৰলি চেণ্ট্ৰেল গৰ্ণমেণ্টৰ পৰা আহে। এই বিলাকৰ শতকৰা ৫০ ভাগ চেণ্ট্ৰেল গভৰ্ণমেণ্টৰ পৰা আহে। এনেকুৱা আইটেমৰ ব্যৱস্থা ৰখা হৈছে। গতিকে আজি চিডিউল কাষ্টৰ কাৰণে, ট্ৰাইবেলৰ কাৰণে যিখিনি কৰিবলগীয়া কামত বেকৱাৰ্ড চেক্টৰ ডেভলপমেণ্ট বাজেটত টকা দিয়া আছে সেই টকাৰে ব্যৱস্থা লব লাগে। ১৯৮৫-৮৬ চনত নতুন ব্যৱস্থা কৰিবলৈ বিচাৰিছো। এইখিনি কথা কৈ থোৱা ভাল হব মাননীয় সদস্যসকলে যিখিনি কথা উল্লেখ কৰিছে তাৰে দুই এটা কথাৰ উত্তৰ দিবলৈ চেষ্টা কৰিছো। কেইটামান নতুন আচনি ১৯৮৫-৮৬ চনত কৰিবৰ কাৰণে ব্যৱস্থা লৈছো। আমি ষষ্ঠ পৰিকল্পনাত গাৰ্লচ হোষ্টেল দিবলৈ সক্ষম হৈছো। চিডিউল কাষ্ট, চিডিউল ট্ৰাইবচৰ সপ্তম পৰিকল্পনাত বয়জ হোষ্টেল, চিডিউল কাষ্ট, চিডিউল ট্ৰাবৰ ষ্টুডেনচ ইন কলেজ। তাৰ পিচত ও-বি-চি সকলৰ কাৰণে ব্যৱস্থা লৈছো। সদনৰ মজিযাত আৰু এটা কথাত উল্লেখ হৈছে— ও-বি-চি আৰু চিডিউল কাষ্টৰ জনগোষ্ঠীৰ কল্যাণৰ কাৰণে বিশেষ ভাবে ব্যৱস্থা লবৰ কাৰণে বেলেগে বেলেগে দুটা চেপাৰেট ডিৰেক্টৰেটৰ ব্যৱস্থা লোৱা হৈছে। ও-বি-চি আৰু চিডিউল কাষ্টৰ কাৰণে সুকীয়া সুকীয়াকৈ লোৱা হৈছে। ১৯৮৫-৮৬ চনৰ প্ৰগ্ৰেম হিচাবে লোৱা হৈছে। এতিয়া মাননীয় সদস্যসকলৰ উল্লেখ আৰু পৰামৰ্শৰ পৰিপ্ৰেক্ষিতত আমাৰ বিভাগৰ পৰা কি কি ব্যৱস্থা লোৱা হৈছে অলপ জনাব বিচাৰিছো। মাননীয় সদস্য শ্ৰীবিনয় বসুমতাৰী ডাঙৰীয়াই সমালোচনা কৰিছে যে বাজেটত ডিৰেক্টৰ অফিচৰ কাৰ্য্য পৰিচালনাত শতকৰা ২০ ধৰা হৈছে। কিন্তু মই হিচাব কৰি চাইছো শতকৰা ১৬ টকা খৰছ হব। মাননীয় সদস্য সকলে নিশ্চই জানে যিমান মহকুমা আছে, দিষ্ট্ৰিক আছে, আই-টি-দি-পি ওৱেলফেয়াৰ বোৰ্ড, চিডিউল কাষ্ট বোৰ্ড, ও-বি-চি ডেভলাপমেণ্ট বোৰ্ড আছে তাৰোপৰি ডিৰেক্টৰ অব ওৱেলফাৰ অব প্লেইনচ ইনচ ট্ৰাইব এণ্ড আদাৰ বেকৱাৰ্ড

ক্লাচ এই আটাইবোৰ মিলি শতকৰা ১৬ত কৈ বেছি নাযায়। তেখেতে শতকৰা ২০ বুলি যি কৈছে সেইটো নহয়। তেখেতে কৈছে যে যেনেকৈ ৰুৰেল ডেভ-লাপমেণ্টত প্ৰজেক্ট ডাইৰেক্টৰ আছে আ-টি-দি-পিৰ কামবিলাকো প্ৰজেক্ট ডিৰেক্টৰে কৰিব লাগে। মাননীয় সদস্যক জনাব খোজো যে প্ৰজেক্ট অফিচাৰ জনক ৰি-দেজিগনেট কৰি প্ৰজেক্ট ডিৰেক্টৰ কৰা হৈছে। এই প্ৰজেক্ট ডিৰেক্টৰজন চিনিয়ৰ এ-দি-চি ৰেঙ্কৰ গতিকে কাম কাজ কৰিবলৈ অসুবিধা নাই। গোটেই দিষ্ট্ৰিক হেড কোৱাৰ্টাৰৰ বাবেই প্ৰজেক্ট অফিচাৰজনক প্ৰজেক্ট ডাইৰেক্টৰ হিচাবে ইতিমধ্যে নটিফিকেশ্বন কৰা হৈছে। তাৰ পিচত আই-টি-দি-পিত যিবিলাক সা-সুবিধা দিয়ে নগন্য বুলি কৈছে। ৰুৰেল দেভলাপমেণ্ট দিপাৰ্টমেণ্টৰ আফচত চলিবলৈ গাড়ী ঘোৰা ব্যৱস্থা হৈছে। আই-টি-দি-পি প্ৰজেক্ট অফিচাৰজন নিতান্তই দুখীয়া বুলি কৈছে। প্ৰজেক্ট অফিচাৰজন চলিবৰ কাৰণেও গাড়ী ঘোৰা দিয়া হৈছে। কাৰ্য্যালয় পৰিচালনা কৰিবৰ কাৰণে তেখেতসকলক সুবিধা দিয়া হয়। তাৰ পিচত থাৰ্ড গ্ৰেদ, ফোৰ্ড গ্ৰেদ সম্পৰ্কে কওঁ যিমান থাকিব লাগে সিমান পৰিমাণৰ নাই। ভলুম অব ওৱৰ্কৰ লগত সামঞ্জস্য ৰক্ষা কৰি চেংচন কৰা হৈছে। প্ৰজেক্ট ডাইৰেক্টৰৰ যিখন গাড়ী সেইখন ল এণ্ড অৰদাৰৰ কাৰণে ৰিকুইজিচন কৰা হয় বুলি কৈছে। কথাটো অসত্য নহয়। আগতে ৰিকুইজিচন কৰা হৈছিল। কিন্তু অলপতে আমি এখন চাৰকুলাৰ দিছো— প্ৰজেক্ট অফিচাৰৰ গাড়ী যাতে ৰিকুইজেচন কৰা নহয়। তাৰ পিচত ট্ৰাইবেলৰ উন্নয়নৰ কাৰণে বেকওৱাৰ্ড চেক্টৰ ও-বি-চিৰ কাৰণে যিমান টকা আছে তাতকৈ কম বুলি মাননীয় সদস্যই যি কৈছে সেইটো ভুল। কাৰণ এই বেকওৱাৰ্ড চাব প্লেনত আউটচাইদ চাব প্লেনৰ টকাও ধৰা হৈছে। এই গোটেইখিনিৰ কথা শুনাবলৈ গলে বহুত সময় যাব। আদাৰ বেকওৱাদতকৈ ট্ৰাইবেল উন্নয়নৰ বাবে বহুত বেছি পৰিমাণৰ টকা ধাৰ্য্য কৰা আছে। তাৰ পিছত নৰমেলাইজেশ্বন প্ৰচিডিওৰ মতে ষষ্ঠ পৰিকল্পনাত টকাৰ কথা মাননীয় সদস্যই কৈছে—স্কলাৰশ্বিপৰ ক্ষেত্ৰত। পঞ্চম পৰিকল্পনাত ৪৯ লাখ, ষষ্ঠ পৰিকল্পনাত ১ কোটি। গতিকে পঞ্চম আৰু ষষ্ঠ পৰিকল্পনাত ১ কোটি ৪৯ লাখ টকা নৰমেলাইজ হিচাবে আহিব। গতিকে ১ কোটি ৪৯ লাখ টকা স্কলাৰশ্বিপ শিতানত এই বাজেটত আছে। নন্ প্লেনত ১ কোটি ৭৬ লাখ টকা ধৰা হৈছে। ১ কোটি ৪৯ লাখ টকা নৰমালাইজেচন প্ৰচিডিওৰ মতে ৰাজ্যিক চৰকাৰৰ ওপৰত আহিব। অহা বছৰৰ যিখন বাজেট তাতো ১ কোটি ৭৬ লাখ টকা আমাৰ আছে। এই হিচাবত টোটেল ৩ কোটি

টকাৰ অধিক ষ্টেট গভৰ্ণমেণ্টৰ বাজেটত নন্ প্লেন শিতানত আহি যাব। এই ১ কোটি ৭৬ লাখ টকা এইটো নন্ প্লেনৰ টকা। ইয়াক ৫ম আৰু ৬ষ্ঠ পৰিকল্পনাত নৰ্মেলাইজ কৰা হৈছে— কেবল ৫ কোটি ৭৬ লাখ টকা ১৯৮৫-৮৬ চনত ধাৰ্য্য কৰা হৈছে বৃত্তিৰ কাৰণে আৰু ইয়াত কেন্দ্ৰীয় চৰকাৰৰ চেয়াৰ হৈছে ১ কোটি ৫০ লাখ টকা। গতিকে এই ৫ কোটি ৭৬ লাখ টকা বৃত্তি দিয়া কাৰণে যথেষ্ঠ হব বুলি আমি ভাবিছো। বৃত্তি দিয়া সম্পৰ্কে কিছু আভাষ দিয়া ভাল হব। আমাৰ সৰ্ব্বমুঠ ১৯৮৪-৮৫ চনত বৃত্তিৰ কাৰণে দৰ্খাস্ত পোৱা গৈছিল এচ-চি ১৮ হাজাৰ ৫০৬, এচ-টি ২৯ হাজাৰ ৩৪২ আৰু ও-বি-চিৰ ৪০ হাজাৰ ৩৬ খন আৰু গোটেইখিনি লগলাগি এচ-টি, এচ-চি, ও-বি-চি পোষ্ট মেট্ৰিক স্কোলাৰশ্বিপৰ ৮৭৮৮৪ এতিয়ালৈকে। তাৰে ভিতৰত বৃত্তি দিয়া হৈছে অনুসূচীত জাতি ১১,৩২৪ জনক আৰু এই বৃত্তিৰ মূল্য হৈছে ৮০,৬৬৩৬ টকা, অনুসূচীত জনজাতিৰ ১৬,৪৫৯ ল'ৰা-ছোৱালীক বৃত্তি দিয়া হৈছে আৰু তাৰ মূল্য হৈছে ১ কোটি ২৪ লাখ ৪১ হাজাৰ ১৭০ টকা অৰ্থাৎ এই বছৰ এচ-চি, এচ-টি ছাত্ৰ ছাত্ৰীৰ কাৰণে বৃত্তি দিয়াত খৰছ হৈছে ২ কোটি ৪ লাখ ৪৫ হাজাৰ ১০৪ টকা, ও-বি-চি ছাত্ৰ-ছাত্ৰীক দিয়া হৈছে ১৯ হাজাৰ ৭৬২ জনক আৰু টকা হৈছে ১ কোটি, ১২ লাখ ৯৭ হাজাৰ ৬৯৬ টকা। এই যে ১ কোটি ৭৬ লাখ টকা একৰদিং টু এক্জিচটিং নৰ্ম্মৰ ভিতৰত ১ কোটি ১৩ লাখ টকা ও-বি-চি ল'ৰা ছোৱালীৰ, এইখিনি নন্ প্লেনৰ টকা। আচলতে অনুসূচীত জাতি আৰু জন জাতিৰ কাৰণে বৃত্তি দিয়াৰ কাৰণে মুঠ টকা লাগে ৩ কোটি ৪২ লাখ টকা তাৰে ২ কোটি, ৪ লাখ ৪৫ হাজাৰ ১০৪ টকা দিয়া হ'ল। তাত চৰ্টফল থাকিল ১ কোটি, ৭৭ লাখ ৫৪ হাজাৰ ৮৯৬ টকা। ইয়াৰে কেন্দ্ৰীয় চৰকাৰৰ চেয়াৰ হ'ল ২ কোটি টকা আৰু এই টকা আমি ৩১ মাৰ্চৰ আগতে আশা কৰিছো। ও-বি-চি ছাত্ৰ-ছাত্ৰীৰ কাৰণে চৰ্টফল হব ৪৭ লাখ ৬৫ হাজাৰ ২৬ টকা। এইটো অৱশ্যে নন্ প্লেনৰ টকা। এইযে ১ কোটি ১২ লাখ টকা ৯৭ হাজাৰ ৬৯৬ টকাৰ পৰা যিটো চৰ্টফল হ'ল ও-বি-চি ছাত্ৰ ছাত্ৰীক বৃত্তি দিয়া কাৰণে, সেইটো আমি অহা বছৰ চাপ্লিমেণ্টৰী বাজেটত আনিব লাগিব। ইয়াৰ বাহিৰে আমাৰ কোনো উপায় নাই। এই পোষ্ট মেট্ৰিক বৃত্তি দিয়া সম্পৰ্কে মই সদনক জনাব বিচাৰিছো এই গোটেই কথাটোত এটা ডাঙৰ বেমেজালি বা অসুবিধাই দেখা দিছে। সেই অসুবিধা বা বেমেজালি আমি এইবাৰ নাইকিয়া কৰিব পাৰিম বুলি আশা কৰিছো। মাননীয় সদস্য কেইবাগৰাকীয়েও পৰামৰ্শ দিছে যে

এই বৃত্তি মাহেকীয়া কৰিব নোৱাৰিলেও ৩ মাহত দিয়াৰ ব্যৱস্থা কৰিব লাগে। অধ্যক্ষ মহোদয়, মই সাহসেৰে কব বিচাৰিছো এই বৃত্তি মাহেকীয়াকৈ দিব বিচৰা হৈছে। এই বৃত্তি দিয়াটো অহা এপ্ৰিল মাহত আমাৰ মাননীয় সদস্য সকল আৰু মাননীয় মন্ত্ৰী মহোদয় সকলে চেৰেমোনিয়েল অপুনিং কৰিব লাগিব। তাৰ কাৰণে মই সকললৈ চিঠি লিখিম। ফাণ্ড সম্পৰ্কে মাননীয় সদস্য বসুমতাৰী ডাঙৰীয়াই কৈছে। তেখেতে নিজে ভুল কৰিছে। ফাণ্ড আমাৰ বিভাগলৈ নাহে এই ফাণ্ড ৰেস্পেকটিভ বিভাগতে থাকে আৰু সেইবিলাক বিভাগত এই ফাণ্ড প্ৰজেক্ট কৰা আছে। ৰেস্পেকটিভ বিভাগে আমাৰ যিবিলাক আই-টি-দি-পি কমিটি, ট্ৰাইবেল বোৰ্ড বা অনুসূচীত জাতি পৰিষদ আছে তেওঁলোকক জনাব লাগে। এই বোৰ্ডবিলাক মে মাহত বহিব লাগে আৰু মে মাহৰ ভিতৰতে সেই আচনি বিলাক গ্ৰহণ কৰি মহকুমা পৰ্য্যায়ত প্ৰচেচ কৰি ইয়ালৈ আহিব লাগে। কিন্তু আমি যি দেখিছো মিটিং বিলাক সোনকালে নামাতে, ফলত আচনিবিলাক জিলাৰ পৰা শেষ মূহূৰ্ত্তত আহে কাৰণে আমাৰো ধুমধামকৈ চাবলগীয়া হয় সময়ৰ নাটনিত। তাৰ পিচত সেইবিলাক ৰাজ্যিক পৰ্য্যায়ৰ যিখন এচ-চি বা এচ-টি এডভাইছৰী কমিটি আছে উচ্চতম পৰ্য্যায়ত। সেই কাউন্সিলৰ মিটিংত আলোচনা হয়। গতিকে এই পৰিষদটোত এটা গেপ থাকি যায়। গতিকে ৰাজ্য পৰ্য্যায়ৰ পৰা মহকুমা পৰ্য্যায়লৈ এই বিলাকৰ এটা গধুৰ দায়িত্ব থাকে।

মাননীয় অধ্যক্ষ মহোদয়, তাৰ কাৰণে মই ইতিমধ্যেই ব্যাখ্যা কৰিছো। মিটিং বহু দেৰিকৈ হয়। অনুমোদন কওঁতে কিছু পলম হয়। এই বিভাগৰ উচ্চতম কমিটি 'ষ্টেট লেভেল এডভাইছৰি কমিটি'য়ে এইটো 'ফাইনেলাইজ' কৰে। যিটো গেপ আছে সেইটো নাইকিয়া কৰিব লাগিব। সেই কাৰণেই মে' মাহৰ ভিতৰতে চাব ডিভিজনেল আৰু জিলা পৰ্য্যায়ৰ কমিটি বিলাকৰ মিটিং পাতিবৰ কাৰণে ব্যৱস্থা কৰা হৈছে। বিভিন্ন ডেভেলপমেণ্ট বিভাগ বিলাকে 'এলকেশ্বন' জনাব লাগিব কমিটিলৈ।

তাৰ পিচত মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় সদস্য শ্ৰীডেকা ডাঙৰীয়াই 'মডেল আচনিৰ' কথা কৈছে। মই এই পবিত্ৰ সদনৰ জ্ঞাতাৰ্থে জনাব খোজো যে ৩৯ খন জনজাতীয় অধ্যুষিত গাওঁ এইবাৰ 'মডেল ভিলেজলৈ' ৰূপান্তৰিত কৰিবৰ কাৰণে 'ট্ৰাইবেল ডেভলপমেণ্ট অথৰিটিক' নিৰ্দ্দেশ আৰু

দায়িত্ব দিয়া হৈছে। মাননীয় সদস্যসকলে এই বিষয়ে নিশ্চয় এই বিষয়ে পৰামৰ্শ আদি সংশ্লিষ্ট বিভাগক দিব। কিমানখন গাওঁ গ্ৰহণ কৰা হব, সেই গাওঁবিলাকৰ ৰাস্তা ঘাতৰ পৰা আৰম্ভ কৰি অন্যান্য যিবিলাক আদৰ্শমূলক কাম কাজ কৰিব লাগে, এই বিলাক কৰাৰ কাৰণে উচিত ব্যৱস্থা কৰা হব।

মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় সদস্য বন্ধুবৰ শ্ৰীডেকা ডাঙৰীয়াই আৰু এটা পৰামৰ্শ আগবঢ়াইছে যে, এচ-চিয়েই হওক, এচ-টিয়েই হওক বা ও-বি-চিয়েই হওক তত্‌সংশ্লিষ্ট কমিটি আৰু বৰ্ড সমূহত 'জেনেৰেল কাষ্ট'ৰ বিধায়ক সকলকো লব লাগে। এটা অতি মূল্যবান পৰামৰ্শ দিছে। মই এই পবিত্ৰ সদনৰ জ্ঞাতাৰ্থে জনাব খুজিছো যে, এই বিষয়টো ইতিমধ্যে আমাৰ কংগ্ৰেছ দলৰ লেজিছলেছাৰ কমিটিত আলোচনা হৈছে আৰু মাননীয় মুখ্যমন্ত্ৰীয়ে তেখেতৰ নিৰ্দ্দেশ দিছে।

মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ভালেকেইজন মাননীয় সদস্যই বিশেষকৈ শ্ৰীদুৰ্গেশ্বৰ পাটিৰ ডাঙৰীয়াইও ভালেমান পৰামৰ্শ আগবঢ়াইছে। সেইবিলাক আমি গ্ৰহণ কৰিছো।

এচ-চি বৰ্ডেই হওঁক বা এচ-টি বৰ্ডেই হওঁক বা ও-বি-চি বৰ্ডেই হওঁক, বৰ্ডত তেখেতসকলক সদস্য হিচাবে ৰখা হব। তেতিয়া তেখেতসকলে তেখেত-সকলৰ মুল্যবান পৰামৰ্শসমূহ দিবলৈ সুবিধা পাব।

(ভইচ:— ভোট দিবলৈ পাব নে নেপায়?)

মাননীয় অধ্যক্ষ মহোদয়, ইয়াত ভোটৰ প্ৰশ্ন নুঠে?

ইয়াৰ পিছত গৰু কিনাৰ কাৰণে টকাৰ ব্যৱস্থা কৰিব লাগে বুলি কৈছে। মাননীয় অধ্যক্ষ মহোদয়, গৰু কিনাৰ কাৰণে বহুত টকা আছে— ট্ৰাইবেল চাবপ্লেন, এচ-টি কম্পনেণ্ট প্লেন আৰু বেকওৱাৰ্ড চেক্টৰত গৰু কিনাৰ কাৰণে। ইয়াত হালৰ কাৰণেও গৰু কিনাৰ ব্যৱস্থা আছে আৰু গাখীৰতী গাই কিনাৰ কাৰণেও ব্যৱস্থা আছে।

মাননীয় সদস্য শ্ৰীঅজিত বড়ো ডাঙৰীয়াই ১৯৭১ চনৰ চেঞ্চাচ ভুল বুলি কৈছে। লগতে তেখেতে এইটোও কৈছে যে, ট্ৰাইবেলৰ জনসংখ্যা যিমান হব লাগিছিল সিমান হোৱা নাই বুলিও তেখেতে কৈছে। ট্ৰাইবেল ১৩ লাখ ৪৪ হেজাৰ আছিল। তেখেতে এখন গাওঁৰ উদাহৰণ দি কৈছে যে, যত চেঞ্চাচৰ আগতে

৫০০ জন আছিল, চেঞ্চাচৰ পিছত এজন দেখুৱাইছে। মাননীয় অধ্যক্ষ মহোদয়, এইটো আচলতে হব নোৱাৰে। কৰবাত হয়টো 'প্ৰিণ্টিং মিষ্টেক' হব পাৰে। কিন্তু তাকে এইটো ভুল বুলি কোৱাটো বৰ ঠিক নহব। এই ক্ষেত্ৰত আমাৰ মাননীয় সদস্যসকল আৰু সমাজৰ সকলো শ্ৰেণীৰ লোকেই অলপ সচেতন হলে ভাল কাম হব বুলি মই ভাবো।

তাৰোপৰি, মাননীয় সদস্যজনে আৰু এটা অভিযোগ আনিছে যে, এচ-চি, এচ-টি বা ও-বি-চি আদিৰ উন্নয়ণৰ কাৰণে থকা আচনিবিলাক ওপৰৰ পৰা জাপি দিয়া বুলি কৈছে। কিন্তু এই ক্ষেত্ৰত মই কওঁ আৰু মাননীয় সদস্যসকলেও জানে যে, এই আচনিসমূহ ওপৰৰ পৰা জাপি দিয়া নাই। কিয়নো এই সম্পৰ্কীয় ৰাজ্যিক লেভেলত থকা 'এডভাইজৰি কমিটি'ত মাননীয় সদস্যসকলে 'উইথ অল চিনচিয়াৰিটি অংশ গ্ৰহণ কৰে আৰু নিজা নিজা অভিমতবোৰ ব্যক্ত কৰে। মাননীয় সদস্য শ্ৰীবিনয় কুমাৰ বসুমতাৰী ডাঙৰীয়াইও অংশ গ্ৰহণ কৰে আৰু তেখেতৰ বহুমূলীয়া পৰামৰ্শ দিয়ে। গতিকে এইটো ওপৰৰ পৰা জাপি দিয়াৰ কথা নুঠে। অহা মে মাহ বা জুন মাহত 'ষ্টেট এডভাইজৰি কাউন্সিল'ৰ মিটিং আৰু মে মাহত জিলা পৰ্য্যায়ৰ মিটিংসমূহ পতা হব। লগতে চাবডিভিজনেল পৰ্য্যায়ৰো।

আৰু এটা মাননীয় অধ্যক্ষ মহোদয়, অভিযোগ আছে যে, অই-টি-দি-পিৰ ক্ষেত্ৰত এচ-চি, এচ-টি আদিৰ ডেভেলপমেণ্ট বোৰ্ডসমূহ ঠিক শুদ্ধ ভাৱে গঠন হোৱা নাই বুলি কৈছে। এই বিলাক গঠন কৰোতে মূৰৰ বিষ উঠে। শুদ্ধ তালিকা বনোৱা সচাকৈয়ে সম্ভৱপৰ নহয়। এই চৰকাৰে কাৰ্য্যভাৰ গ্ৰহণ কৰা তাৰিখৰ পৰা আজি দুবছৰেই মেম্বাৰ হবৰ কাৰণে আমি দৰ্খাস্ত পায়েই আছো। এই বিলাক চিৰন্তন নীতি হিচাবে চলিয়েই থাকিব।

অধ্যক্ষ মহোদয়, আমাৰ মাননীয় সদস্যসকলে যিবিলাক ভুল ক্ৰটি আদি আঙুলিয়াই দিছে সেইবিলাক সংশোধন কৰাৰ কাৰণে আমি চেষ্টা কৰিম।

মাননীয় সদস্য শ্ৰীহেমেন দাস ডাঙৰীয়াই 'মিনিকিট' আৰু কোদালবিলাক ঠিকমতে বিতৰণ হোৱা নাই বুলি কৈছে। এইবিলাক সংশ্লিষ্ট বিভাগৰ বিভিন্ন কমিটিৰ যিবিলাক মেম্বাৰ আছে সেই সকলে চাব লাগে। এইটো চাবৰ কাৰণে তেখেতসকলকৰ দায়িত্ব আছে। কৰবাত যদি 'মিছপ্ৰপ্ৰিয়েশ্বন' হৈছে সেইটো চাব লাগে।

মাননীয় সদস্যজনে চিলাপঠাৰ কলেজৰ বৃত্তিৰ টকা খাই পেলোৱাৰ যিটো অভিযোগ আনিছে সেই সম্পৰ্কত মই ইয়াকে কওঁ যে, ওৱেলফেয়াৰ বিভাগৰ ডেপুটি ডিৰেক্টৰে এইটো তদন্ত কৰিছে আৰু আশা কৰা হৈছে দুই এদিনৰ ভিতৰতে ইয়াৰ ৰিপৰ্ট দাখিল কৰিব। যদি খাই পেলাইছে তেতিয়াহলে, তেখেতৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰা হব। 'ভেটেৰেনেৰী ডিস্পেন্সেৰী'ৰ ক্ষেত্ৰত এচ-চি, এচ-টি ও-বি-চি আদি প্লেনৰ ফালৰ গ্ৰেণ্ট দিয়াৰ নিয়ম আছে। আচনি আছে। 'চেন্সাচৰ' যি কথা কোৱা হৈছে সেইটো আলোচনা কৰা হৈছেই। ও-বি-চিৰ ৰিজাৰ্ভেশ্বনৰ ক্ষেত্ৰত মণ্ডল আয়োগৰ প্ৰতিবেদনৰ পৰামৰ্শবলী কেন্দ্ৰীয় পৰ্য্যায়ত এতিয়ালৈকে একৃচেপটেড হোৱা নাই।

অধ্যক্ষ মহোদয়, মাননীয় সদস্য কেবাগৰাকীয়েও ভালেমান পৰামৰ্শ দাঙি ধৰিছিল। মাননীয় সদস্য শ্ৰীপুষ্পধৰ পেগু ডাঙৰীয়াই চিলাপথাৰ কলেজৰ বৃত্তিৰ টকা খাই পেলোৱা বুলি অভিযোগ তুলিছে এই বিষয়টো আমাৰ ডেপুটি ডিৰেক্টৰে তদন্ত কৰি আছে আৰু দুই এদিনতে তদন্তৰ ফল জানিব পৰা হব। তেতিয়া সেইমতে ব্যৱস্থা লোৱা হব। ডিচপেন্সাৰিৰ কথা, টি-এচ-পি আৰু এচ-চি আৰু ও-বি-চি বুক গ্ৰাণ্টৰ কথাও ভালেকেইজন মাননীয় সদস্যই কৈছে। ও-বি-চিৰ সকলো ক্ষেত্ৰতে যিটো ৰিজাৰ্ভেশ্বন দাঙি ধৰিছে সেইটো মণ্ডল কমিশ্বনাৰৰ ৰিপোৰ্ট কেন্দ্ৰীয় পৰ্য্যায়ত গ্ৰহণ হোৱা নাই। আমাৰ ৰাজ্যিক চৰকাৰে নিজা ধৰীয়াকৈ শতকৰা ১৫ ভাগ চাকৰিৰ ক্ষেত্ৰত বান্ধি দিছে এইটো পিচত আইনগত ভাবে ব্যৱস্থা লোৱা হব।

Mr. Speaker :—Hon'ble Minister should sum up and other members should not be allowed to interrupt.

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী (জনজাতীয় উন্নয়ন দপ্তৰৰ মন্ত্ৰী)— চাৰ এই কেইটা কথা দাঙি ধৰিলো। ইয়াৰ উপৰিও মাননীয় সদস্য কন্দপান ডাঙৰীয়াই টি গাৰ্ডেন ট্ৰাইবকো ট্ৰাইবেল কৰাৰ কথা কৈছে। এই সম্পৰ্কে কওঁ যে এটা কেবিনেট চাব কমিটি কৰি দিছে চৰকাৰে আৰু অহা ৭-৮ এপ্ৰিলত হিয়াৰিং লৈ কেবিনেটত জনোৱা কথা আছে। তাৰ পিচত কেবিনেটৰ পৰা সেই পৰামৰ্শসমূহ কেন্দ্ৰীয় চৰকাৰলৈ ৰাজ্যিক চৰকাৰে জনাব। মই এতিয়া মাননীয় সদস্য বসুমতাৰী ডাঙৰীয়া আৰু ডেকা ডাঙৰীয়াক কৰ্ত্তন প্ৰস্তাৱ উঠাই লবলৈ অনুৰোধ কৰিছো।

Shri Benoy Kumar Basumatary— Sir, I challenge the figures presented by the Minister that the Direction and Administration is only 16 per cent. But the total budget is for Rs: 12·3 crores. Sir, 10 per cent means 1.20 crores but it is clearly stated at page 33 that the total provision under Direction and Administration Head is Rs. 2.59 crores. So, Sir, if Rs. 1.20 crores is 10 per cent, then Rs. 2.59 crores is more than 20 per cent and not 16 percent.

My second point is that we have opposed this allocation of Rs: 1.00 crore for tea garden tribes in Sixth Schedule Areas because majority are in the General Areas of Assam and for them only Rs: 10.00 lakhs are provided. Therefore, it is a loop-sided budget. Sir, now either the Minister has to change it or he has to withdraw the Grant.

শ্ৰীবাৰেন্দ্ৰ নাৰায়ণ বসুমতাৰী ( জনজাতীয় উন্নয়ণ দপ্তৰৰ মন্ত্ৰী ) :—ডাইৰেক্সন আৰু এডমিনিষ্ট্ৰেশ্বনৰ বাজেটত আছে। সেইটো চিকথ্ চিডিউল মতে আছে। টকাৰ পৰিমাণ ঠিকেই আছে। গতিকে সেই হিচাপে মই চিক্সটিন হিচাব কৰিছো। টি গাৰ্ডেন ট্ৰাইবচ্ পেজ ১৩৪ত আছে।

Budget for welfare of tea garden and ex-tea garden tribes is Rs. 10.28 lakhs and for Hill Tribes, the budget is for Rs: 1:50 crores:

এইটো জেনেৰেলত আছে। এক লাখ টকা হিল ট্ৰাইবচ্ৰ।

অধ্যক্ষ মহোদয়, অলপ লাইনৰ ভুল হব পাৰে। কিন্তু হিল এৰিয়াৰ চাব প্লেন টি গাৰ্ডেনৰ দহ লাখ আঠাইশ হাজাৰ এইটো জেনেৰেলত আছে

Shri Benoy Kumar Basumatary :—Sir I say Rs. 1.00 crore for tea garden tribes.

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী ( জনজাতীয় উন্নয়ণ দপ্তৰৰ মন্ত্ৰী )— ভালকৈ চালে বুজা যাব চাৰ। এক্‌কে লাইনত নাই অলপ ওপৰত পৰিছে।

Shri Benoy Kumar Basumatary— Sir, we are concerned with figures and we cannot accept the contention of the Minister about the figures he wants to indicate in separate line. We would not have any objection if the amount comes under the head "Hill Tribes".

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী ( জনজাতীয় উন্নয়ণ দপ্তৰৰ মন্ত্ৰী)—অধ্যক্ষ মহোদয়, চিক্সথ চিডিউলত আছে। গতিকে মই অনুৰোধ কৰিছো যাতে কৰ্ত্তন প্ৰস্তাৱ উঠাই লয়।

Shri Benoy Kumar Basumatary— Sir, out of Rs. 12.00 crores, only Rs. 61.00 lakhs has been provided for Scheduled Tribes. This Budget itself is unjustified towards Scheduled Tribes. So, we cannot withdraw the cut Motion and in protest, we walk out.

( Shri Benoy Kumar Basumatary and Shri Tajamul Ali Laskar walked out. )

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী ( জনজাতীয় উন্নয়ণ দপ্তৰৰ মন্ত্ৰী )—অধ্যক্ষ মহোদয়, ব্যাখ্যা কৰিছো। আৰু ডাঙৰ লিষ্ট আছে।

শ্ৰীপূৰ্ণ বড়ো :—মন্ত্ৰী মহোদয়ে কৈছে যে এচ-চি আৰু নন্ এচ-চিৰ বিয়াৰ ক্ষেত্ৰত উদগনিমূলক সাহায্যৰ ব্যৱস্থা আছে ট্ৰাইবেল আৰু অনাট্ৰাইবেলৰ বিয়াৰ ক্ষেত্ৰত আছে নেকি?

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী ( জনজাতীয় উন্নয়ণ দপ্তৰৰ মন্ত্ৰী )— ট্ৰাইবেলক সকলোৱে বিয়া কৰায়। এইটো তেনেকুৱা দিয়াৰ কথা নাই। এচ-চিৰ ক্ষেত্ৰত ইনচেনটিভ হিচাপে কেন্দ্ৰীয় চৰকাৰে অনুমোদন দিছে।

শ্ৰীঅলিত চন্দ্ৰ বড়ো :—অধ্যক্ষ মহোদয়, মই এটা স্পষ্টীকৰণ বিচাৰিছো,

ট্ৰাইবেলৰ ক্ষেত্ৰত চাকৰিৰ কাৰণে মহকুমা ডেভলাপমেণ্ট বোৰ্ডৰ চেয়াৰম্যানে চাৰ্টিফিকেট দি আছে এইটো দিবপৰা ব্যৱস্থা আছে নেকি ?

শ্ৰীৰণেন্দ্ৰ কুমাৰ বসুমতাৰী ( জনজাতীয় উন্নয়ন দপ্তৰৰ মন্ত্ৰী ):— এইটো আইন আছে। এচ-চি, এচ-টিৰ যিটো ৰুল আছে তাত এইটো আছে। কিন্তু বোৰ্ডৰ চেয়াৰম্যানে দিলেও এইটোত ডি-চি বা এচ-ডি-অ'ই কাউণ্টাৰ চাইন কৰিব লাগে।

শ্ৰীমথুৰা ডেকা :—মন্ত্ৰী মহোদয়ৰ পৰা ৩৯ খন মডেল ভিলেজৰ নাম কেইটা শুনিবলৈ আশা কৰিছিলো, কিন্তু যি নহওক মই উঠাই লৈছো কৰ্ত্তন প্ৰস্তাৱটো।

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী ( জনজাতীয় উন্নয়ণ দপ্তৰৰ মন্ত্ৰী ): —নাম কেইটা পিচত দিব পৰা হব।

Mr. Speaker— Now as the mover of the first Cut Motion is absent, it shall have to be considered the Cut Motion is withdrawn as per Rule 267(2) and regarding the Cut Motion No. 2, is it the pleasure of the House to grant leave to withdraw the Cut Motion ?

( voices : yes, yes )

Leave is granted and Cut Motion is withdrawn.

Now I put the Grant No. 43 before the House that a sum of Rs. 12,03,09,000/- be granted to the Minister-in-charge to defray the charges which will come in course of payment during the year ending the 31 st March 1986 for the administration of "Welfare of Scheduled Castes / Scheduled Tribes and Other Backward Classes".

Grant No. 43 is passed
Now grant No. 55

Shri Zahirul Islam— Mr. Speaker, Sir, on the recommendation of the Governor of Assam, I beg, to move that a sum of Rs. 59,78,30,000 be granted to the Minister-in-charge

to defray the charges which will come in course of payment during the year ending the 31 st March, 1986 for the administration of "Irrigation".

Mr. Speaker— There are 4 cut motions to this grant. First one is tabled by Shri Binoy Kumar Basumatary, Shri Alit Chandra Boro, Shri Tajamul Ali Laskar, Shri Mohammad Hussain. The second one is tabled by Shri Chandradhar Kalita. And the third one is tabled by both Shri Hemen Das and Shri Purna Boro, and the last one by Shri Mathura Deka.

Now, Shri Binoy Kumar Basumatary is to move.

Shri Binoy Kumar Basumatary— Sir, I beg to move that the total provision of Rs. 59,78,30,000 under Grant No 55 in respect of "Irrigation", at pages 1-67 of Volume II, part IX of the Budget, be reduced to Rs. 1, i. e., the amount of the whole grant of Rs. 59,78.30,000, do stand reduced to Rs. 1.

Mr. Speaker— Shri Chandradhar Kalita is absent. Shri Mathura Deka is to move now.

শ্ৰীমথুৰা ডেকা ঃ—মাননীয় অধ্যক্ষ মহোদয়, জলসিঞ্চন শিতানত গ্ৰাণ্ট নং ৫৫ মুঠ টকাৰ পৃষ্ঠা ১ পৰা ৬৭ পাৰ্ট ১১ বাজেটত এটকালৈ হ্ৰাস অৰ্থাৎ মুঠ ৫৯ কোটি ৭৮ লাখ ৩০ হাজাৰৰ পৰা এটকালৈ হ্ৰাস কৰিবলৈ মই প্ৰস্তাৱ দাঙি ধৰিলো।

Mr. Speaker— Now Shri Hemen Das is to move.

Shri Hemen Das— Sir, I beg to move that the total provision of Rs. 59,78,30,000, under Grant No. 55 in respect

of "Irrigation", at pages 1-67 of Volume II, Part IX of the Budget, be reduced by Rs. 100, i. e., the amount of the whole grant of Rs. 59,78,30,000, do stand reduced by Rs. 100.

Mr. Speaker— Shri Basumatary is to speak.

Shri Binoy Kumar Basumatary— Sir, this demand of Irrigation Department is in a tune of more than 50 crores of rupees and there are many irrigation schemes in the State. But Sir, you will know that I have been a member of the Public Accounts Committee and during our discussions it transpired that up to 75% of the projects are a failure and there is so much of official irregularities in this department, that the Auditor General thinks it fit to censure this department officially. This censuring has been continuing by the official body for the last 9 years, even then we do not see any sign of improvement. We, therefore, do not know what has to be done with this Irrigation Department. But, as our cut motion is a policy cut, I would like to suggest to this Government that those of the Irrigation Planning as is done now has come to an end, it should be left and instead of this sort of planning, some sort of new planning should be started. In most other States of India like— U. P., Bihar, Punjab, they no longer depend on huge irrigation schemes. They are solely dependant on deep tube wells and draw water through energy and in some cases where the water level is high they use animals to draw water and irrigate their feild. Sir, if this tube wells are installed we do not require to acquire and requisition land. I have a copy of Assam Gazette and this pertains to only one publication i. e.,

Assam Gazette of January, 1985, and we will find from this declaration of Assam Gazette notification that acquiring of land and requisition of land in my district i. e., Darrang and in Dhansiri area are under process and is still going on, whereas this process should have been completed many years ago and, in fact, this Dhansiri Irrigation Project when would it be in a pisition to supply water to our farmers, we do not know. But it has failed to do so and we do not know when this Project will be completed. For instance, in one issue of Assam Gazette in one notification there are 31 persons and all of them there are tribals and Adibashis and in the second notification also there are 52 persons and even in this 52, they were all tribals and adibashis and again in the third notification also there are 78 persons and all of them were tribals and adibashis. Sir, what is the total area involved? We are told that more than 16,000 bighas of land are taken over for this Dhansiri Irrigation Project. But, we find, in actual field, the land acquired for this Project is much more than 16,000 bighas. This area is full of cannals and are now spread out in many areas of my constituency and when this cannals are dugout hapazardly, the total cultivable area of my constituency is reduced. Not only, that they dig many agricultural land but also spoil the areas for the cannals and destroy them for all times to come. Mr. Chairman, Sir, you will also be knowing about the land position in our Dhansiri Irrigation Project. So, we can safely say that in one project area i. e., the cultivable land to the tune of more than 21,000 bighas are destroyed for all times to come. Some of those people, who are the

owners of this 20 thousand bighas of land, as you know, the Government has not been able to make any alternative arrangement for their livelihood. Not only that, they have not been paid their compensation. There is a Special Officer for land acquisition in the Dhansiri Project area but since the agitation started he has been only doing law and order duties. A new Sub-division was started in Udalguri and there is no Special Officer for land acquisition. Since 1979 till date, we have seen, not even a rupee has been released towards compensation to the land holders. What is the main idea of irrigation— the main idea of irrigation is to increase agricultural production of the State. But instead of increasing the agricultural production, land to the tune of twenty thousand bighas are destroyed by this project for all time to come and settlers of this twenty thousand bighas of land are made homeless; they are not paid compensation. Therefore, instead of increasing the productivity of the State, it is reducing the productivity of farmers. Therefore, the very purpose of irrigation is negated. and therefore, we have not alternative but to say that the irrigation policy has failed. Now, Sir, with the Dhansiri Irrigation Project, we are told a mini hydel project will also be started, along with it. Sir, I have been talking about mini hydel projects many times even in this House but we do not know whether any progress has been made. There are many situations which has given us to come to a decision that this House and the Government should recommend that the very policy of irrigation should be changed in the entire State. We should not go in for damming of big rivers and other water

sources, but we should go for deep tubewells. Then the land mass that we are destroying will be avoided and crores of rupees which are wasted will also be saved. Therefore, with this alternative policy I conclude my remark and we demand that this Govt. should change its irrigation policy.

শ্ৰীহেমেন দাস :—মাননীয় চেয়াৰমেন ডাঙৰীয়া, মই মোৰ কৰ্ত্তন প্ৰস্তাৱটো উত্থাপন কৰি জলসিঞ্চন বিভাগৰ বিষয়ে কবলৈ যোৱাৰ আগতে মই বিভাগীয় মন্ত্ৰী আৰু বিত্তমন্ত্ৰী মহোদয়ৰ পৰা এটা কথাৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। সেইটো হৈছে বাজেটখন কেনেধৰণে দাঙি ধৰা হৈছে কব নোৱাৰো। ডিমাণ্ড ফৰ গ্ৰেণ্টত যি টকা দেখুৱাইছে সেইটো বাৰ্ষিক বিত্তীয় প্ৰবিবৰণীত তাতকৈ কম টকা দেখুৱাইছে, এইটো কোনোমতেই হব নোৱাৰে। ভাৰতীয় সংবিধান মতে বছৰটোত যি খৰচ কৰা হব সেই খৰচটো ডাঙি ধৰিব লাগে কিন্তু ইয়াত কি হৈছে, বাৰ্ষিক বিত্তীয় প্ৰবিৱৰণীত ডিমাণ্ড ফৰ গ্ৰেণ্টত যিটো খৰচ দেখুওৱা হৈছে তাতকৈ বেচি টকা ধৰা হৈছে। মুঠতে ইয়াত ৰাজহৰ শিতানত ৫২ লাখ টকাৰ ইফাল সিফাল হৈছে। মেজৰ হেড ৩০৬ত দেখুওৱা হৈছে ৭ কৌটি ৪১ লাখ ৪৫ হাজাৰ টকা কিন্তু বাৰ্ষিক বিত্তীয় প্ৰবিৱৰণীত সেই হেডত টকা ধৰিছে ৬ কৌটি ৯৭ লাখ ৯৫ হাজাৰ। আন এটা হেড ৩৩৩ত ডিমাণ্ড ফৰ গ্ৰেণ্টত আছে ১ কৌটি ৪৬ লাখ ৪৫ হাজাৰ টকা কিন্তু বাৰ্ষিক প্ৰবিৱৰণী গ্ৰেণ্টত আছে ১ কৌটি ৫৭ লাখ ৪৫ হাজাৰ টকা। মই যোৱা কালি বন বিভাগৰ আলোচনাত ৭ কৌটি টকাৰ খেলিমেলি ডাঙি ধৰিছিলো। আজি যি দেখিছো একেখন চৰকাৰে সেই একেটা কামকেই কৰিছে। বিত্তমন্ত্ৰী আৰু জলসিঞ্চন মন্ত্ৰী ডাঙৰীয়াই এইটো বুজাই দিব লাগে।

শ্ৰীমহম্মদ ইদ্ৰিছ (মন্ত্ৰী)— যোৱা কালি তেখেতে ৭ কৌটি টকা চাচপেঞ্চ একাউণ্টত ৰখাৰ আপত্তি দৰ্শাইছিল। ইয়াত যিটো বাদ দিলে সেই পৰিমাণৰ সিমানখিনি টকা গ্ৰেণ্টত দেখুৱাব লাগিছিল। এইটো এক্সপেণ্ডিচাৰ হিচাবে দেখুওৱা হৈছিল আৰু এইটো চাচপেঞ্চ একাউণ্টত দেখুওৱা হয়। তাত লামচাম প্ৰভিজন ৰখা হয়। এই ৭ কৌটি টকা আলটিমেটলি দেখুওৱা মতেই কামত খৰচ কৰা হব। এইটো ৰখা হৈছে বন বিভাগে এই টকাতো ওৱাঙ্ক কিনিবৰ

কাৰণে আৰু শ্লিপাৰ কিনিবৰ কাৰণে। কাজেই চাচপেঞ্চ শিতানত টকাটো এইবিলাক কাম কৰিব নোৱাৰি। এই শ্লিপাৰত যিটো টকা খৰচ হয় সেইটো পিচত ৰিইম্বাৰ্চমেণ্ট হিচাবে পোৱা যায়। এই টকাটো লাহে লাহে চাচপেঞ্চ একাউণ্টচৰ পৰা খৰচ কৰা হয়। এইটো প্ৰভিচন নাৰাখিলে ডিপাৰ্টমেণ্টৰ কাম কৰা অসুবিধা হয়। চাৰ, তেখেতে ইৰিগেচনৰ বিষয়ে যিখিনি কথা জানিবলৈ বিচাৰিছে সেইখিনি কথা মই চাই পেলাইহে কব পাৰিম।

শ্ৰীহেমেন দাস :—চাই পেলাই কলেই হব। আমি সংবিধানক বাদ দি চলিব নোৱাৰো। সেইবিলাকো সংবিধানমতে হব লাগিব। সংবিধানত এটা কথা আছে—বছৰটোৰ খৰচতো সদনত দাঙি ধৰিব লাগে। এই বিভাগত যেতিয়া এইটো আহিছে আশাকৰো এই কথাটো আমাক স্পষ্ট ভাবে বুজাই দিব। মাননীয় সদস্য বিনয় কুমাৰ বসুমতাৰী ডাঙৰীয়াই জলসিঞ্চন আচনিবিলাক সম্পৰ্কে উল্লেখ কৰি কৈছে যে এইবিলাক পৰিত্যক্ত আচনি আৰু ই এক সমস্যা হিচাবে দেখা দিছে। আচনি লৈছে আৰু এৰি দিছে আৰু এইদৰে গোটেই ৰাজ্যখনতেই বহু সৰু সুৰা আচনি এবাৰ লৈ পিচত এৰি দিবলৈ বাধ্য হৈছে। ইয়াত দুই প্ৰকাৰৰ আচনি আছে— এক প্ৰকাৰ হ'ল কৃষি বিভাগৰ পৰা জলসিঞ্চনে লোৱা আচনি আৰু কিছুমান আছে জলসিঞ্চন বিভাগে লোৱা আচনি। এই আচনিৰ পৰা ৰাইজৰ কেনে ধৰণে উপকাৰ হব আৰু কত নহব এই সম্পৰ্কে তথ্যপাতি অনুসন্ধানৰ ওপৰত বিভাগে কম গুৰুত্ব দি আছে। বহু ঠাইত দীৰ্ঘদিনীয়া তথ্য সংগ্ৰহ নকৰাকৈ হঠাৎ আচনি লোৱাৰ ফলত সেই আচনিৰ গতিটো কেনে ভাবে বিভাগটোৱে নিজেই দেখিছে। চাৰ, এটা সমস্যা আমাৰ চকুৰ আগত পৰিছে। গতিকে ভবিষ্যতে যাতে তেনে হব নোৱাৰে তাৰ প্ৰতি সতৰ্ক হব লাগে আৰু কোনো আচনিয়েই পৰিত্যক্ত হব দিব নালাগে। আৰু তাৰ কাৰণে প্ৰয়োজনীয় যিবিলাক অথ্যপাতি আৰু অসমৰ নদীসমূহত কিমান নদীত কিমান পানী গোটেই বছৰটোত বৈ যায় তাৰ হিচাব ৰাখিব লাগে। কিমান মাটিত কেনে ধৰণে জলসিঞ্চনৰ হেড ওৱৰ্ক বহুৱালে ফলপ্ৰসু হব সেই সম্পৰ্কে তেনেধৰণৰ তথ্যপাতি সংগ্ৰহ কৰিব লাগে। পাবলিক একাউণ্টচ কমিটিত আমি পাইছো যে কামৰূপ জিলাত ডেকাদল নামে এটা আচনি আছিল।

( সময়ৰ সংকেট )

চাৰ, তাত দেখা গৈছে যে কোন ঠাইত হেড ওৱৰ্ক বহুৱাৰ তাৰ কোনো তথ্য

সংগ্ৰহ নকৰাৰ কাৰণে ছুবাৰকৈ স্থান পৰিবৰ্ত্তন কৰিব লগা হ'ল। ফলত কেৱল এটা আইটেমৰ কথাই কওঁ এই আচনিত বিভাগৰ শিলৰ ডিমাণ্ড আছিল ৩ হাজাৰ কিউবিক মিটাৰ কিন্তু সেইটো ওলট পালট কৰাৰ কাৰণে তাৰ অতি-ৰিক্ত ১৯ হাজাৰ কিউবিক মিটাৰ শিল খৰচ কৰা হৈছে। এইটো অতিৰিক্ত খৰচ হল তাৰ কাৰণ কি? তাৰ কাৰণ হ'ল হেড ওৱৰ্ক যত বহুওৱাব তাৰ তথ্যপাতি সংগ্ৰহ কৰা হোৱা নাছিল। এই কেইটা আচনি পৰিত্যক্ত কৰা হৈছে। তাত দেখা গৈছে এইবিলাক ঠাইৰ পৰা পানী কম পোৱা যাব, এই সম্পৰ্কে দীৰ্ঘদিনৰ তথ্য থাকিব লাগিব কিন্তু সেইবিলাক কৰা হোৱা নাই। ৰাজনীতি হেচা বা ৰাইজৰ দাবীৰ কাৰণে বিভাগে এই আচনি লৈছে। আচনি ললে, মাটি অধিগ্ৰহণ কৰিলে, ৰাজহুৱা ধন খৰচ হ'ল কিন্তু উদ্দেশ্য যি আছিল সেইটো পূৰণ নহ'ল। মই পৰামৰ্শ দিব বিচাৰিছো অসমৰ নদীসমূহৰ তথ্য সংগ্ৰহ কৰাৰ কাৰণে এই বিভাগটোৰ ভিতৰতেই এটা সুকীয়া বিভাগ গঢ়ি তোলক। সেই বিভাগৰ কাম হব পূৰ্ণ তথ্য সংগ্ৰহ কৰা। কোন ঠাইত কি কাম কৰিলে ভাল হব, কত পানী হব কত নহব, ইৰিগেচন স্কীম হব পাৰেনে নাই এইবিলাক সকলো পৰীক্ষা কৰি চাব। তেতিয়াহলে এই আচনিৰ পৰিত্যক্ত কৰা কামটো বন্ধ হব। আৰু কিছুমান কথা আছে যিমানেই আচনিবিলাক পলম হয় সিমানেই খৰচৰ মাত্ৰা বাঢ়ি যায়। গতিকে ইয়াৰ নিৰ্দ্দিষ্ট সময় বান্ধি দিব লাগে। সেইদৰে ধনশিৰী আচনিতো ইমান দীঘলীয়া হ'ল যে এইটো কোন শতিকাত শেষ হব কব নোৱাৰো। যিমান ইষ্টিমেটেৰে আৰম্ভ কৰা হৈছিল এতিয়া তাতকৈ দুগুণ বেচি হ'ল। শতকৰা ৫০ ভাগ কাম হৈছে নে নাই কব নোৱাৰো। মূল হেড ওৱৰ্কটো ৰেডী হোৱা নাই। অথচ মাটি কটা কাম হৈ গৈছে। যি কেনেলৰ লগত হেড ওৱৰ্কৰ সম্পৰ্ক আছে তাতেই মাটি কাটিছে। আনকি বিলৰ মাজতো মাটি খান্দি আছে, গাড়ীৰে মাটি কঢ়িয়াবলৈ অসুবিধা হোৱাৰ কাৰণে মানুহৰ হতুৱাই মাটি কঢ়িয়াইছে। কাৰণ বিলৰ মাজেদি গাড়ী আহিব নোৱাৰে। এইদৰে বহু লক্ষ টকা খৰচ হৈ গৈছে। মঞ্জুৰীবিলাক পাচ হোৱাৰ পাচত ইঞ্জিনীয়াৰবিলাকে কাম বিতৰণ কৰে কিন্তু তাৰ আগতেই এইবিলাক তথ্যপাতি সংগ্ৰহ কৰাটো আৱশ্যক। তথ্যপাতি সংগ্ৰহ নকৰাকৈ বিলৰ মাজেদি নলা খান্দিবলৈ আৰম্ভ কৰে। এনেকুৱাও দিন আহিব যে নদীৰ মাজেদিও কেনেল খান্দিবলৈ আৰম্ভ কৰিব। এইবিলাকৰ কিয় শাস্তিমূলক ব্যৱস্থা লোৱা নাই? তাৰ আৰু এটা দৰকাৰী কথা হ'ল মেইনটেনেঞ্চৰ কথা। এই মেইনটেনেঞ্চৰ

কাৰণে কোনো টকা ধাৰ্য্য কৰা নাই। এইটো নকৰিলে আচনিবিলাক নামতহে কৰা হব। সেইটো ধ্বংসত পৰিণত হব। গতিকে সম্পদ এটা সৃষ্টি কৰি সম্পদটো ৰক্ষণা-বেক্ষণ দিয়াৰ ব্যৱস্থা যদি নকৰে সেইটো কেনেকৈ তিষ্ঠি থাকিব। গতিকে মই কও মেইনটেনেঞ্চৰ কাৰণে প্ৰয়োজনীয় টকা পইচা ধাৰ্য্য কৰিব লাগে। চাৰ, আমাৰ ইয়াত এতিয়াও খেতিয়কসকলে মাটিত দুই তিনিটা খেতি আৰম্ভ কৰা নাই। এতিয়াও বহুতো অঞ্চল আছে য'ত নেকি কেতিয়াবা দুটা খেতি কৰিবলৈ নাযাব সেইটো নহয়। ইয়াৰ মাটিৰ উৰ্বৰতাৰ কাৰণে আমাৰ খেতিয়কে নিশ্চয় এদিন দুটা খেতি কৰিবলৈ আগবাঢ়ি আহিব।

কিছুমানে পানী বিচাৰিছে, পানী পোৱা নাই। কৰবাত ইৰিগেচনৰ মেইন কেনেল আছে, ফিল্ড কেনেল নাই। বজালি অঞ্চলত আছে, ফিল্ড কেনেলৰ কাৰণে আপত্তি কৰিব লগা হৈছে। এইবিলাকত ৰাইজৰ আপত্তি কৰিবলগা নাই। কাৰণ আচনি লোৱাৰ লগে লগে ফিল্ড কেনেলৰ চিন্তা কৰিব। মেইন কেনেল তৈয়াৰ হোৱাৰ লগে লগে আচনি সমাপ্ত হোৱা বুলি ধৰিব নালাগিব। এই বিভাগত এতিয়া যি টকা ধাৰ্য্য কৰিছে মই নাভাবো যে অসমৰ নিচিনা পিচপৰি থকা ৰাজ্য এখনৰ কাৰণে এই টকা প্ৰচুৰ। মই এই কাৰণে কব বিচাৰিছো যে এই দেশত যিহেতু এতিয়াও জলসিঞ্চন কৰা মাটিৰ পৰিমাণ খুব কম। আমি পঞ্জাবৰ ওচৰলৈ যাব নোৱাৰো। পঞ্জাবত শতকৰা ৮২ ভাগ মাটিত জলসিঞ্চন। বাকী সৰ্ব্বভাৰতীয় বোধহয় ২৬ ভাগ। অসমত এতিয়াও শতকৰা ২০ ভাগ মাটি জলসিঞ্চন আচনিৰ ভিতৰলৈ যোৱা নাই। মই নাজানো ৭ম পাচবছৰীয়া পৰিকল্পনাত এই বিভাগে কি লক্ষ্য স্থিৰ কৰিছে। ৭ম পঞ্চ বাৰ্ষিক পৰিকল্পনাত অসমৰ মাটিত শতকৰা ৬০ ভাগ জলসিঞ্চন আচনি লোৱা হয় তাৰ বাবে বিভাগ তত্‌পৰ হব লাগে বুলি কৈ মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

শ্ৰীপূৰ্ণ বড়ো :—চেয়াৰমেন মহোদয়, জলসিঞ্চনৰ শিতানত কৰ্ত্তন প্ৰস্তাবৰ ক্ষেত্ৰত মই দু আষাৰ কথা কব বিচাৰিছো। ইতিমধ্যে বক্তাসকলৰ বক্তব্যত এই কথা প্ৰকাশ পাইছে যে অসমৰ বহু পথাৰত এতিয়াও জলসিঞ্চন নোহোৱাকৈ আছে। সচাকৈ যদি উৎপাদন বৃদ্ধি কৰিব লগা হয় তেনেহলে খেতি পথাৰত জলসিঞ্চনৰ ব্যৱস্থা কৰিব লাগিব। এতিয়ালৈ ক্ষুদ্ৰ প্ৰকল্প হাতত লোৱা হৈছে যদিওবা এই ক্ষুদ্ৰ জলসিঞ্চনসমূহ ঠিক ধৰণে চলি থকা নাই। চৰকাৰৰ হিচাবত দেখা যায় যে মজলীয়া জলসিঞ্চন প্ৰকল্প কিছু ১৯৮২-৮৩ চনত হৈছিল আৰু

কৃষক ৰাইজে এইবিলাক জলসিঞ্চন প্ৰকল্পৰ ওপৰত নিৰ্ভৰ কৰি খেতি কৰিব লগা হৈছিল। দেখা যায় যে ১৯৮২-৮৩ চনত বৰপেটাত মাত্ৰ এটা মজলীয়া প্ৰকল্পৰ কাম চলি আছিল। নলবাৰীত এটা সম্পূৰ্ণ হৈছিল আৰু এটাৰ কাম চলি আছিল। কোকৰাঝাৰত দুটা সম্পূৰ্ণ হৈছিল, এটাৰ কাম চলি আছে, তেজপুৰত এটাৰ কাম চলি আছিল আৰু এটা সম্পূৰ্ণ হৈছে। নগাওঁত এটা সম্পূৰ্ণ হৈছিল, আৰু দুটাৰ কাম চলি আছিল। ডিব্ৰুগড়ত এটাৰ মাত্ৰ কাম চলি থাকে। এই হল মজলীয়া জলসিঞ্চন প্ৰকল্প। ক্ষুদ্ৰ জলসিঞ্চন প্ৰকল্প কিছু নোহোৱা নহয়। লিফ্‌ট ইৰিগেচন, দীপ টিউব ওৱেল, ফ্লো ইৰিগেচন হৈছে। কিন্তু ১৯৮২ চনত মাজুলীত জলসিঞ্চন প্ৰকল্প নাছিল। শদিয়াত ৩টা, হাইলাকান্দিত ৪টা আছিল। গতিকে দেখা যায় যে জলসিঞ্চনৰ যোগেদি খেতি পথাৰত যেনেভাবে পানী যোগানৰ যোগেদি উৎপাদন বৃদ্ধিত সহায় কৰিব লাগিছিল, তেনেভাবে উৎপাদন বৃদ্ধিত সহায় কৰাৰ ক্ষেত্ৰত জলসিঞ্চন বিভাগ আচলতে ব্যৰ্থ হৈছে। আমি এটা কথা জানো যে খৰাং বতৰ এটা প্ৰাকৃতিক দুৰ্য্যোগ। প্ৰাকৃতিক দুৰ্য্যোগৰ ক্ষেত্ৰত মানুহৰ হাত নাই যদিও জলসিঞ্চন ব্যৱস্থা যদি থাকে তেনেহলে সেই খৰাং বতৰৰ দিনতো খেতি পথাৰত পানী যোগান ধৰা ব্যৱস্থা কৰিব পৰা যায়। এই খৰাং বতৰ চলি থকাৰ কাৰণে খেতিয়কসকলৰ যি শস্য, সাংঘাতিক ক্ষতিৰ সন্মুখীন হব লগা পৰিস্থিতিৰ সৃষ্টি হয়, সেই সময়তো পানী যোগান ব্যৱস্থা কৰিব পাৰি বিশেষকৈ গভীৰ নলীনাদ জলসিঞ্চন প্ৰকল্প যদি থাকে। অসমত বহু নদী নলা আছে, যি নদী নলাৰ পানী জলসিঞ্চনৰ কামত ব্যৱহাৰ কৰিব পৰা যায়। সচাকৈ যদি নদী নলাসমূহৰ জলভাগ খেতি পথাৰত কামত ব্যৱহাৰ কৰাৰ ব্যৱস্থা কৰা হয় নিশ্চয় অসমৰ খেতি পথাৰসমূহত জলসিঞ্চন হৈ উঠিব আৰু উৎপাদন বৃদ্ধি হব। ইয়াত কমৰেড হেমেন দাসে উল্লেখ কৰি গৈছে যে কিছুমান মানুহে এটা মাথোন খেতি কৰে। কৃষকসকল বৰষুণৰ ওপৰত নিৰ্ভৰশীল। বৰষুণ নহলে খেতি নহয়। গতিকে এটা খেতি কৰাত কৃষকসকলৰ অৱস্থা এনেকৈ দিনক দিনে বেয়া হৈছে। তেওঁলোকে কম মাটিৰ খেতিত চলিব লাগে। তেনে স্থলত এটাতকৈ বেছি খেতি নিশ্চয় কৰিব যদি জলসিঞ্চনৰ ব্যৱস্থা খেতি পথাৰত কৰা হয়। এতিয়া আমি দেখিছো আমাৰ অঞ্চলত শুক্লা প্ৰকল্পৰ দোং খন্দা হৈছিল আৰু খেতিয়কৰ বহু মাটি ভাত গৈছে। কিন্তু ফিল্ড চেনেল কৰাৰ কাম পৰি আছে আৰু সেই অঞ্চলৰ ৰাইজৰ পৰা অভিযোগ পাইছো যে ফিল্ড চেনেল কৰাৰ ক্ষেত্ৰত কৃষকৰ কোনো ধৰণৰ পৰামৰ্শ

বিভাগে শুনিবলৈ ইচ্ছুক নহয়। ৰামগাৱত কমেও চাৰিশ বিঘা মাটিত পানী যোগানৰ ব্যৱস্থা কৰাৰ কাৰণে ফিল্ড চেনেলৰ প্ৰয়োজন। সেই অঞ্চলত ইতিমধ্যে ফিল্ড চেনেলৰ কাৰণে জৰীপ কৰি আছে। সেই পথাৰত যদি ফিল্ড চেনেল কৰা হয় তেনেহলে কৃষকৰ সন্মতি সাপেক্ষে হলে খেতি পথাৰত ৰাইজে পানী পাব। সেই অঞ্চলৰ ৰাইজৰ পৰা অভিযোগ পাইছো যে ৰামগাওঁ গাওঁথনৰ ৰাইজে বাৰে বাৰে দৰ্খাস্ত কৰিও শুক্লা প্ৰকল্পৰ ২নং চেনেলৰ পৰা ফিল্ড কেনেলৰ আচনি লোৱাৰ ক্ষেত্ৰত বিভাগৰ বিষয়াসকলক সন্মত কৰিব পৰা নাই। মেইন কেনেল খান্দোতে সন্মতি নোহোৱাকৈ হৈছিল, ফিল্ড কেনেল নিৰ্মাণ কৰোতে ৰাইজৰ ইচ্ছা অনুযায়ী কৰিব লাগে।

চেয়াৰমেন মহোদয়, ইয়াত ক্ষতিপূৰণৰ কথাও ওলাইছে। এই ক্ষেত্ৰত মই প্ৰশ্নও চাৰটা কৰিছিলো যদিও এতিয়ালৈকে উত্তৰ পোৱা নাই। কাউৰবাহা মৌজাত দিপ টিউব ওৱেল মাদৈৰতা গাওঁত আৰু ৰৰমূলি গাওঁত দিয়া হৈছে আৰু এইবিলাকৰ লগতে চকিদাৰ থকাৰ কাৰণে কোৱাৰ্টাৰ সজা হৈছিল। সেই কোৱাৰ্টাৰবিলাক বন্ধাৰ সময়ত যিসকল কৃষকৰ মাটি লোৱা হৈছিল আজি ইমান বছৰেও সেই কৃষকসকলক মাটিৰ মূল্য অৰ্থাৎ কমপেনচেচন দিয়া হোৱা নাই। এই ক্ষেত্ৰত মোৰ প্ৰশ্ন আছে যদিও উত্তৰ পোৱা নাই। মন্ত্ৰী মহোদয়ে এই পৰিপ্ৰেক্ষিতত নিশ্চয় আমাক উত্তৰ দিব আৰু ক্ষতিপূৰণৰ ব্যৱস্থা কৰিছেনে নাই সেই বিষয়ে জনাব। চেয়াৰমেন মহোদয়, অৱশ্যে অন্যান্য প্ৰশ্নৰ উত্তৰত এই কথাটো প্ৰকাশ পাইছে যে, জলসিঞ্চন আচনিৰ কাৰণে যি মাটি লোৱা হৈছিল সেই মাটিৰ ১৯৫২ চনৰে পৰা এতিয়ালৈকে ক্ষতিপূৰণ দিয়াৰ ব্যৱস্থা কৰা হোৱা নাই। আৰু হয়তো এতিয়াও সেই ক্ষতিপূৰণ দিয়াৰ বাবে এই দাবী মঞ্জুৰীত ধন ধৰা হোৱা নাই। সেইটো হলে কৃষকসকলৰ প্ৰতি অন্যায় কৰা হব। ক্ষতিপূৰণ অতি সোনকালে দিয়াৰ ব্যৱস্থা কৰিব লাগে।

চেয়াৰমেন মহোদয়, মাননীয় সদস্য বসুমতাৰী ডাঙৰীয়াই দিপ টিউব ওৱেলৰ ওপৰত গুৰুত্ব দিছে আৰু আমিও দিম। এই কাৰণেই দিম যে, যিবিলাক লিফ্‌ট ইৰিগেচন আছে, ফ্লু ইৰিগেচন আছে এইবিলাকত বহু সময়ত বৰষুণৰ ওপৰত নিৰ্ভৰ কৰিব লাগে। আমি দেখিছো যে, শুক্লা ইৰিগেচন প্ৰকল্প যোগেদিও বৰষুণ নোহোৱাৰ কাৰণে পানী যোগাব নোৱাৰে। গতিকে ফল ইৰিগেচনৰ যোগেদি বৰষুণ নোহোৱাৰ সময়ত পানী দিয়াৰ ব্যৱস্থা কৰিব নোৱাৰি। দিপ

টিউবওৱেল কৰিলে মাটিৰ তলত থকা পানী ওলাব আৰু সেই পানী খৰাং বতৰৰ দিনতো যেতিয়া প্ৰাকৃতিক দুৰ্যোগ হয় সেই সময়ত গভীৰ নলী নাদৰ যোগেদি খেতি বাৰিত পানী যোগান ধৰিব পৰা ব্যৱস্থা কৰিব পৰা হব। এই ক্ষেত্ৰত গুৰুত্ব দিবলৈ মই অনুৰোধ কৰিলো। আমি আশা কৰিছো যে, দিপ টিউবওৱেলৰ ক্ষেত্ৰত বিশেষকৈ গুৰুত্ব আৰোপ কৰা হব। এই ক্ষেত্ৰত এটা কথা উল্লেখ কৰিবলগীয়া হৈছে যে, ৰঙিয়াৰ উত্তৰ ফালে তামোলপুৰৰ কচুকাতাত জলসিঞ্চন প্ৰকল্পটো চৰকাৰে লৈছে, কিন্তু ইয়াৰ কাম কাজ এতিয়ালৈকে হোৱা দেখা নাই। গতিকে এই অঞ্চলটোত অসুবিধাৰ সৃষ্টি হৈছে। তাৰোপৰি দাৰকুচি অঞ্চলটো ৰঙিয়া সমষ্টিৰ অনগ্ৰসৰ অঞ্চল। ইয়াত দিপ টিউবওৱেল বা অন্য ধৰণৰ লিফ্‌ট ইৰিগেচন কৰিবলৈ কলেও বিভাগে সন্মতি নজনায়। ইয়াৰ কাৰণ হল, কচুকাতা জলসিঞ্চন প্ৰকল্পটোৰ কেনেল সেইফালে অহাৰ সম্ভাৱনা আছে। গতিকে এতিয়ালৈকে তাত জলসিঞ্চনৰ ব্যৱস্থা হোৱা নাই। আনহাতে কচুকাতা জলসিঞ্চন প্ৰকল্পটো লোৱা হৈছে যদিও তাৰ কাম এতিয়ালৈকে আৰম্ভ কৰা হোৱা নাই।

চেয়াৰমেন মহোদয়, মাননীয় সদস্যসকলে উল্লেখ কৰিছে যে, আজি জলসিঞ্চন প্ৰকল্পবিলাক পৰিত্যক্ত অৱস্থাত থাকিবলগা হৈছে। লিফট ইৰিগেচনৰ যোগেদি বা দিপ টিউব ওৱেলৰ যোগেদি পানী যোগানৰ ব্যৱস্থা সম্ভৱপৰ হোৱা নাই। গতিকেই আন এটা অসুবিধাৰ সৃষ্টি হৈছে। লগতে জলসিঞ্চন বিভাগত কাম কৰা মাষ্টাৰ ৰোল ওৱৰ্কাৰৰ সমস্যা আছে। তেওঁলোকে দাবী জনাইছে যে, তেওঁলোকৰ চাকৰি স্থায়ী কৰিব লাগে। তেওঁলোকৰ চাকৰিবিলাক স্থায়ী কৰা হোৱা নাই গতিকে অতি সোনকালে সেইবিলাক চাকৰি স্থায়ীকৰণৰ ব্যৱস্থা কৰিব লাগে। ১৯৮৪ চনৰ অসম গেজেটত ঘোষণা কৰিছিল যে তাৰ নং জি, এল, আৰ, ৩৯৩-১৫-৪৫, মে, শ্ৰমিকসকলক বিশেষকৈ নিম্নতম মজুৰি আৰু মৰগীয়া বানচ দিয়া হব। কিন্তু শ্ৰমিকসকলে কৈছে যে, তেওঁলোকক নিম্নতম মজুৰি দিয়া হোৱা নাই। মৰগীয়া বানচো দিয়া হোৱা নাই। গতিকে এই শ্ৰমিকসকলক মৰগীয়া বানচ নিম্নতম মজুৰি এৰিয়াৰ সহ দিব লাগে। আকৌ ১৯৮৩ চনৰ ৩ জানুৱাৰী তাৰিখৰ অসম ৰাজপত্ৰত ঘোষণা কৰিছে যে, তেওঁলোকক ভি, দি, এ, দিয়া হব। কিন্তু দুখৰ বিষয় যে, এইটোও আজিলৈকে দিয়া হোৱা নাই। গতিকে এইটো চৰকাৰে আদায় দিয়াৰ ব্যৱস্থা কৰিব লাগে। তদুপৰি

বিভাগৰ যিসকল পুৰণা শ্ৰমিক আছে, সেইসকলক বৰ্খাস্ত কৰি নতুন নতুন শ্ৰমিক নিয়োগ কৰা হৈছে। তেওঁলোকে দাবী কৰিছে যে, যাতে তেওঁলোকক কামৰ পৰা বৰ্খাস্ত কৰা নহয়। সেইদৰেই এই বিভাগত তৃতীয় আৰু চতুৰ্থ শ্ৰেণীৰ চাকৰি খালী হলে এই মাষ্টাৰ ৰোলত থকা ওৱৰ্কাৰৰ পৰা অগ্ৰাধিকাৰ ভিত্তিত তেওঁলোকক স্থায়ী পদত নিযুক্ত কৰিব লাগে। এই পৰিপ্ৰেক্ষিতত মই উল্লেখ কৰিব বিচাৰিছো যে, আমাৰ ৰঙিয়া সমষ্টিৰ একজিকিউটিভ ইঞ্জিনিয়াৰজনে ভুলকৈ বিজ্ঞাপন দিছিল আৰু চাকৰিৰ বাবে বহুতো লৰাই দৰ্খাস্ত দিছিল। তেওঁলোকৰ পৰা চৰকাৰে ট্ৰেজাৰী চালানৰ কিছু পইচা পাইছিল। গতিকে তেওঁলোকক ইন্টাৰভিউ দিয়াৰ সুবিধা দিব লাগে।

চেয়াৰমেন মহোদয়, আমাৰ কচুকাতা জলসিঞ্চন প্ৰকল্পটোত কিছুমান কাম ওলাইছে তাতো নিযুক্তি দিয়াৰ ব্যৱস্থা কৰিব লাগে। আৰু বিশেষকৈ তৃতীয় আৰু চতুৰ্থ শ্ৰেণীত মাষ্টাৰ ৰোলত কাম কৰি থকা লোকসকলক নিযুক্তিৰ বাবে অগ্ৰাধিকাৰ দিব লাগে। এইখিনিকে কৈ মই এই কৰ্ত্তন প্ৰস্তাৱৰ সমৰ্থন কৰি মই মোৰ বক্তব্য সামৰিলো।

Shri Altaf Hussain Majumdar :—Mr. Chairman Sir, Irrigation is the main stay of our economy. The success of agriculture depends upon adequate irrigation facilities. The total investment for the year 1985-86 is Rs. 50.90 crores covering an area of 34,700 hectares, that is 70.27 percent of the cultivable land available. This Deptt. is having an efficient Minister and a batch of efficient officers to do this work. Sir, since the time is very short, I will not go to the details, but touch on certain specific problems. There in progresses made, but yet I would like to say that the works are not done well in certain regions. This is a new Department and it is growing up steadily and doing very good jobs— there is no doubt about it. I would like to mention particularly and draw your attention Mr.

Chairman to some aspects of the matter pertaining to my district. The districts of Cachar and Karimganj are under one Addl Chief Engineer whose zone is North Lakhimpur and as a result there is no supervision practically and therefore I would like to suggest that for proper work and its supervision, to create post of Addl C.E at Silchar for these two neglected districts to have on the spot supervision. Sir, during the last 3 years there were some works done in these districts, but unfortunately the standard of work is very low. That after switching the pump the pucca drains of a project at Lakhimpur costing about twenty lakls collapsed. The drain could that stand the force of water. This is due to defects in the drainage system. A similar thing has occured in my place which is known to the Superintending Engineer as he was there on that day. This is not the only instance, there are several instances of similar nature. In Sonai Sir, in Sonai area we have seen bad quality of work also. Sir, there were many complaints from the local M. L. As but we were surprised to hear that all the blames were given to the earthquake. Therefore, Sir, unless some measures of check and control are enforced there will be wastage of money. In this regard I would like to mention particnlarly one constituency where an officer is involved in the misappropriation of money. I do not went a hurried answer. Nor do I want the Minister to protect the officer, but, I want to place before the Minister and let him verify it, if necessary make an on the spot inquiry to find out as to how the money has been misappropriated in a planned manner If after the inquiry this is found to be true then

I will request the Hon: Minister to punish all those delinquent officers who conspired and misappropriated the money. Sir, this is only a particular instance. There are other instances also: Sir, in the remodelling of the Rajnagar Lift Irrigation scheme, protection work to the tune of about Rs. 2 lakhs was taken up, for the Bairagi bazar Pump Centre with an estimated amount of Rs. 2 lakhs. Mr: Chairman, Sir, you will be surprised to know that the work was executed without approved drawings and estimates. Sir, you can well imagine that this has been done with certain motives: I would request the Hon: Minister to kindly find out who is the officer responsible for this and fix responsibility on that officer for doing things in such a manner violating the regulations of the department. Sir, lot of allegations have been made by the public about the work done, particularly about the work I have mentioned earlier, but, it is surprising that the department has turned a deaf ear to those allegations. The public and the President of the GP gave a petition about what is going on in the protection work. The petition was submitted to the Addl. Chief Engineer on 4. 7. 84. Sir, without fear of contradiction I can boldly say that 70 per cent of the boulder used were undersized, there was no proper wire nething. The size used for the work was 20 cm whereas the required size is 10 cm. Now, Sir, for this item of work as per tender it is defective as only breadth and depth is mentioned, Sir, some sanceapes were placed without boulder and now the plea taken is that there was flood and that flood has damaged. The matter was brought to the notice of the Hon'ble Minister and the Commissioner and they have

forwarded it to the department concerned and the department sent a team of Quality Control to investigate into the matter. Sir, the source of this information which I have got is from the department itself. Sir, unfortunately, the Quality Control is trying to protect the officer. Sir, if any report is submitted by the Quality Control to protect the officer then it should not be relied upon. I would rather suggest that this report should be scrapped. Sir, let the Hon'ble Minister direct an enquiry by a superior officer. Though the allegations were made by the public and the GP President, they were not associated by the Quality Control while conducting the enquiry. Sir, they did their work in the evening without intimating them. I do not know what report the Quality Control has given. I also do not know if they have submitted their report. Sir, this work was done in such a hurried manner that it will be evident if one goes through the bills submitted for the work. Sir, there had been repeated allegations again the SDO concerned. The only action the department has taken that the SDO has been transferred to another place, Billing everything just prior to his transfer. Sir, I know the Hon. Minister is very keen in getting things properly done with our cooperation. I call upon him to demonstrate his action boldly in this particular case. I hope such things will never go unnoticed, unscathed and unpunished. Sir, only some laceages without boulder was placed and 75 per cent of the entire amount was misappriated. Therefore, I urge that immediate action should be taken against this officer. Sir, I do not want a hurried reply from the Hon'ble Minister, Let him take his own time. What I want to say

is that this QualityControl Department should be strengthened. Sir, Quality Control is headed by a Superintending Engineer. I am afraid, Sir, how he can report against officer senior to him. Therefore, Sir, a superior officer atleast of the rank of Additional Chief Engineer should be placed there. Sir, allegations have been made that Quality Control Department has become some sort of protective instrument which gives protection to the delinquent officers. Sir, this impression needs to be removed immediately. Therefore, I would request the Hon'ble Minister to see that this department is strengthened and that an officer of the rank of Additional Chief Engineer is placed incharge of this department. Sir. with these observations I conclude my speech.

শ্ৰীমথুৰা ডেকা :—চেয়াৰমেন মহোদয়, মই কৰ্ত্তন প্ৰস্তাৱৰ ওপৰত কব বিচাৰিছো। আমাৰ জলসিঞ্চন মন্ত্ৰীৰ ওচৰত এই সদনৰ মজিয়াত মই কিছুমান প্ৰশ্ন উথাপন কৰিছিলো। সেই প্ৰশ্নসমূহৰ কিছুমান যোৱা বেলিও তোলা হৈছিল। এইবাৰো কৰা হৈছিল মন্ত্ৰীয়ে উত্তৰ দিছিল কিন্তু প্ৰায়বোৰ প্ৰশ্নৰে উত্তৰ ঠিকভাবে পোৱা নাই। সিদিনা মই এটা প্ৰশ্ন সুধিছিলো যে বড়িয়া জলসিঞ্চন বিভাগৰ নিয়োগৰ বিষয়ে৳ মন্ত্ৰী মহোদয়ে উত্তৰ দিলে যে নতুন মানুহ লোৱা নাই। পুৰণা খিনিকে লোৱা হৈছে। কিন্তু সেই অফিচতে ৰাজেন কলিতা নামৰ এজন চেকচনেল এচিষ্টেন আছে। মোৰ আৰু নাম আছিল ঘৰত থাকি আহিল আনিবলৈ পাহৰিলো। মই আজি মন্ত্ৰী মহোদয়ৰ পদত্যাগ দাবী কৰিব পাৰো, কিন্তু নকৰো, কাৰণ এই তথ্য মন্ত্ৰী মহোদয়ে নিজে দিয়া নাই, তেওঁক কৰ্মচাৰীসকলে ভুল পথে নিছে। মন্ত্ৰীয়ে ভুল তথ্যৰে সমাজ আৰু দেশ ৰক্ষা কৰিব পাৰিব জানো? তেওঁ ভুল তথ্যৰে আমাক বিপথে লৈ গৈ আছে। সেই কাৰণে মই এতিয়া কওঁ যে কলঙ্কৰ হাত সাৰিবলৈ তেখেত সজাগ হবৰ হল। কোনো কলঙ্ক যাতে তেওঁলৈ নাহে তাৰ বাবে অনুৰোধ কৰিলো।

আনহাতে কিছুমান কথা হল এইযে জলসিঞ্চন বিভাগটো আধুনিকীকৰণ বা বৈজ্ঞানিকীকৰণ কৰাৰ কথা মানুহে আজি ভাবিছে। যি সময়ত মানুহে

খেতিত পানী লাগে বুলি জনা নাছিল। তেতিয়া চৰকাৰৰ পৰা বিভাগীয় কৰ্ত্তৃপক্ষই এই ব্যৱস্থাটো উলিয়ালে, কিন্তু কি হল চেয়াৰমেন মহোদয়, যোৱা বানপানীৰ পিচত কৃষি বিভাগে অসমৰ বানবিধ্বস্ত ৰাইজক যথেষ্ট গম বিতৰণ কৰিলে। কিন্তু দুখৰ বিষয় গম গজিল কিন্তু পানীৰ কাৰণে হাহাঁকাৰ লাগিল। মন্ত্ৰীয়ে পানী দিয়া বুলি কৈছে। সেইটোও এটা হল মিছা তথ্য, শ'শ' মাটিৰ গম পানীৰ অভাৱত নষ্ট হল। দুখ লাগে। এনে ভুল তথ্য এই বিভাগে কৰ পৰা পায়? এই বিভাগৰ কৰ্ত্তব্য কি? ধনশিৰী প্ৰজেক্ট ললে ফেইল হল। ১৬ হাজাৰ বিঘা মাটি এনেয়ে গল? এইবিলাক কাৰ মাটি আছিল। খেতি কৰা হলে মানুহে হয়তো অলপমান কিবা ক্ষতিপূৰণ পালে হয়। শুক্লা প্ৰজেক্ট লোৱা হল বহু হেজাৰ মাটি গল অৱশ্যে মানুহে সামান্য ক্ষতিপূৰণ পালে। কিন্তু উপকাৰ কাৰ হল? প্ৰজেক্ট যদি উপকাৰত নাহে তেন্তে কি লাভ? আৰু ডিপ টিউব ওৱেলৰ চেনেল তৈয়াৰ নকৰিলে এনে কিছুমান ব্যৱস্থা আমি দেখিছো চেনেলৰ অভাৱত পথাৰত পানী নগৈ ভুগৰ্ভৰ পানী ভুগৰ্ভতে বৈ থাকিল। কৰ্মচাৰীয়ে কিন্তু দৰমহা পাই থাকিল। লিফ্ট ইৰিগেচনৰ পাইপত মামৰে ধৰিলে। মন্ত্ৰী মহোদয়ে কৈছে চলি আছে। এতিয়া নতুনকৈ আকৌ শুক্লা চি, ডি প্ৰজেক্ট হৈছে তাত ১০ লাখ টকা খৰছ কৰিবলৈ লৈছে। তাৰপৰা কি হল? কিছুমান ইটা কিনা হব আৰু কিছু বালি কিনা হব আৰু চিমেণ্ট নিদিয়াকৈ প্লাষ্টাৰ কৰা হব। ইঞ্জিনীয়াৰে পানীৰ সোত কোনপিনে যায় আগতে কিয় নাচায় তেওঁলোকৰ অভিজ্ঞতা নাই নেকি? আমাৰ বোধেৰে খেতিয়কক উপকাৰ কৰিবৰ কাৰণে যথেষ্ট প্ৰকল্প হাতত লৈছে। ইয়াৰেও কেইজনমান বিষয়া বা ঠিকাদাৰৰহে উপকাৰ হৈছে ওদালগুৰি, ভৈৰৱকুণ্ডত প্ৰজেক্ট হল তিনিমাহ ঠিকা কৰাৰ পিচতে লাইনে লাইনে ঠিকাদাৰসকলৰ ঘৰ উঠিল আৰু দুখন তিনিখন ট্ৰাক কিনিব পৰা হল। এই প্ৰজেক্টবিলাক হোৱা নাই কাৰণে চিমেণ্টৰ হাহাঁকাৰ হৈছে। প্ৰজেক্টবোৰ আৰম্ভ হলে চিমেণ্টৰ খোলা বজাৰ বহিব। এই দুৰ্নীতি এই বিভাগত আমি বেছিকৈ দেখা পাইছো। বিভাগটো নতুন আৰু মন্ত্ৰী মহোদয়ো নতুন। মন্ত্ৰী মহোদয়ে যদি তেখেতৰ সন্মান ৰক্ষা কৰিব খোজে তেন্তে যথেষ্ট পৰিশ্ৰম কৰিব লাগিব। কৰ্ম্মচাৰীয়ে ভুল তথ্যৰে মানুহক প্ৰতাৰণা কৰিলে নহব। মানুহ সদায়ে ঠিৰেৰে নাথাকে। তেওঁলোক এদিন অধৈৰ্য্য হবই। কিছুমান মৌজাত আমি কোনো দিনেই বানপানী হোৱা দেখা নাছিলো। কিন্তু শুক্লা প্ৰজেক্ট হোৱাৰ পৰা বানপানী আৰম্ভ হল। কি কাৰণে হল? এটা ভুল তথ্যৰে উত্তৰ দি

আমাৰ কথা বা প্ৰশ্নবিলাক শেষ কৰে। আৰু প্ৰশ্নৰ সময়খিনিও পাৰ কৰে তাতে আমি আমাৰ বিভাগীয় মন্ত্ৰীসকল সন্তুষ্ট হোৱা উচিত নহয়।

চেয়াৰমেন মহোদয়, কোনজন ইঞ্জিনীয়াৰে পথাৰলৈ গৈ কত প্ৰজেক্ট কৰিলে মানুহৰ উপকাৰ হব নহব চাইছেনে? ৰাইজে দৰ্খাস্ত কৰিছে বিধায়ক সকলে বা মন্ত্ৰীয়ে কৈছে আৰু তেওঁলোকে কৰি দিছে। মই সিদিনা এটা পৰিপূৰক প্ৰশ্ন কৰিছিলো যে মাটিৰ হেক্টৰৰ হিচাব কোনে লয়? উত্তৰ যি দিলে সেইটোও একেবাৰে মিছা। কাৰণ এখন গাওঁত তামোল পানৰ পৰা আদি কৰি মানুহৰ কিমান বস্তি থাকে সেই কথা নজনাকৈ মণ্ডলে দিয়া নক্সাখনৰ ওপৰতে হেক্টৰৰ হিচাব কৰে। অকল জলসিঞ্চন বিভাগতেই নহয় বিভিন্ন বিভাগৰো একেই কথা। গতিকে মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো তেখেত নিজে যাওক বিষয়াসকলক পঠাওক কাৰ কিমান বস্তি গল, কিমান মাটি গল, ক'ত কিমান পানী লাগিব সেইবোৰ নিজে চাই আহিব পাৰিব। আনৰ দ্বাৰা কাম নহয়। সদনত বাজেট পাছ কৰিব ভুল তথ্য দিয়াৰ কথা আমি কলেও বাজেট পাছ নোহোৱাকৈ নাথাকে কাৰণ আমাৰ ৫-১০ জন মানুহৰ কথা কোনে শুনিব? কিন্তু ভুল তথ্যৰে কাক প্ৰতাৰণা কৰিব আমাক নে ৰাইজক নে চৰকাৰক? কিন্তু প্ৰতাৰণা কৰি কত সাৰিব? এদিন আপোনালোক ধূলিসাত্ হৈ যাব। ইঞ্জিনীয়াৰসকল গাৱেঁ গাৱেঁ বাৰিষা যাওক কত পানী লাগে কেনেভাবে পানীৰ সোত বৈছে, কত পানী বন্ধ হৈ থাকে, কৰপৰা পানীৰ সোত বয় চাওক আকৌ খৰালিও যাওক পানীৰ কত অভাৱ সেইটোও চাওক। তেওঁলোকে নিজে নজনাকৈ ৰাইজৰ দৰ্খাস্তৰ ওপৰত নিৰ্ভৰ কৰিলে নহব।

ৰঙিয়াত মিলিটাৰী কেম্প কৰাৰ উদ্দেশ্য কি আছিল? জমিদাৰে ক্ষতি পূৰণ পোৱাৰ কাৰণে আৰু ৰায়তসকলক উচ্ছেদ কৰি ৰাইজৰ মাটি মিলিটাৰীক দিয়াৰ কাৰণে। আচনিবিলাক কৰিলে চৰকাৰৰ আৰু কিছুমান বিষয়াৰ লাভ হয়। সেইবিলাক বন্ধ কৰক। আমাৰ জলসিঞ্চন বিভাগৰ পৰা ৰাইজৰ উপকাৰ হব লাগিব। তাৰ বাবে মন্ত্ৰী মহোদয়ে সজাগ হব লাগিব। এইটো অনুৰোধ মই তেখেতক কৰো যে জিলা ভিত্তিত মহকুমা ভিত্তিত বিধায়কসকলক মাতি আনি আলোচনা কৰক। কত কি আছে কি ধৰণে জলসিঞ্চন কৰিব লাগে এইবিলাক কথা আলোচনা কৰিলেহে তেখেত কলঙ্কৰ পৰা আতৰি থাকিব পাৰিব। সঠিক পৰিকল্পনা কৰিব লাগিলে ডাকভাওনা বা ফেনৰ তলত বহিলে নচলিব, পথাৰত গৈ সভাপাতি নিৰিক্ষণ কৰিব লাগিব। দেশখনক অগ্ৰগতিৰ পথত নিবলৈ হলে মন্ত্ৰী মহোদয়ে

পৰিশ্ৰম কৰিব লাগিব। এইখিনিকে কৈ মই সামৰিছো।

শ্ৰীঅলিত বড়ো :—চেয়াৰমেন মহোদয়, জলসিঞ্চন শিতানত বিৰোধী পক্ষৰ পৰা অনা কৰ্ত্তন প্ৰস্তাৱৰ সমৰ্থন কৰি মই দুষাৰমান কব খুজিছো। চেয়াৰমেন মহোদয়, জলসিঞ্চন বিভাগত কোটি কোটি টকা খৰছ কৰা হৈছে। যি নহওক বছৰে বছৰে টকা খৰছ কৰি আছে যদিও আমাৰ ৰাইজৰ মাজত এইটো ফলপ্ৰসু হৈছে নে নাই সেইটো অনুসন্ধান কৰি চাবলগীয়া হৈছে। এইখিনিতে মই কেইটামান কথা ডাঙি ধৰিব খুজিছো। জলসিঞ্চন আচনি যিবিলাক ঠাইত কৰা হয় সেইবিলাক ঠাইৰ থলুৱা ৰাইজৰ পৰামৰ্শ লোৱা ভাল। কাৰণ কোনফালে জলে কেনেকৈ আচনি কাৰ্য্যকৰী হব সেইটো থলুৱা ৰাইজে ভালকৈ জানে। গতিকে আমাৰ ৰাইজৰ পৰামৰ্শ আৰু বিভাগীয় কৰ্ম্মচাৰীৰ আচনিৰ যি প্ৰস্তুতি সেইটোৰ এটা যোগসূত্ৰ থকা উচিত। ইয়াৰ অভাৱত বহু আচনি অকৃতকাৰ্য্য হোৱা আমি দেখা পাইছো। উদাহৰণ স্বৰূপে মই এটা কথা কব বিচাৰিছো যে মোৰ সমষ্টিৰ লক্ষী নদীৰ আচনি কাৰ্য্যকৰি হোৱা নাই। তাত যি ঠাইত হেডৱৰ্ক পাতিব লাগে সেই ঠাইত নাপাতি সুন্দৰ গড়কাপ্তানী বিভাগৰ ৰাস্তাৰ কাষত পতাৰ কাৰণে এই আচনিৰ পৰা যি ফল ৰাইজে পাব লাগে সেই ফল ৰাইজে পোৱা নাই। এতিয়া যি ঠাইত আছে সেই ঠাইত পতাৰ কাৰণে ৰাইজে আপত্তি দৰ্শাইছিল যদিও তাৰপৰা একো ফল নহল। এনেকুৱাকৈ ৰাইজৰ কামত নহা আচনিবিলাক কাৰ্য্যকৰি কৰিব নালাগে।

চেলো জলসিঞ্চনেই হওক বা লিফট্ জলসিঞ্চনেই হওক এইবিলাক কৰোঁতে বহুত দিন লাগে। তাৰোপৰি বহুত দিন পৰি থকাৰ ফলত সেইবিলাক কাৰ্য্যক্ষম নহয়। আমাৰ খেতিয়কৰ কথা হৈছে কেনেকৈ সহজে আৰু সোনকালে খেতি কৰাৰ কাৰণে পথাৰত পানী পাব পাৰে। আমাৰ ৰাইজে বান্ধ বান্ধি খেতিৰ ব্যৱস্থা কৰে। এই বান্ধবিলাক যদি দুৰ্বল হয় সেইবিলাক চৰকাৰৰ ফালৰ পৰা শক্তিশালী কৰাৰ ব্যৱস্থা কৰি দিব লাগে। লগতে আৰু এটা কথা যে আচনিবিলাক বহুত দিন পৰি থাকিলে সেইবিলাক পিচত কৰিবলৈ হলে খৰচ বৰ বেছিকৈ ভৰিবলগীয়া হয়। সেই কাৰণে আচনিবিলাক বহুত দিন পেলাই ৰখাৰ ব্যৱস্থা নাইকিয়া কৰি কেনেকৈ ৰাইজে খেতি কৰিবলৈ পথাৰত পাই তাৰ ব্যৱস্থা কৰি দিব লাগে।

মই মন্ত্ৰী মহোদয়ক এটা কথা সুঁৱৰাই দিব খুজিছো যে মৰাপাগলাদিয়া লিফ্‌ট এৰিগেচনৰ পৰা আমাৰ ৰাইজৰ কোনো কাম হোৱা নাই। যোৱা বানপানীয়ে

এই আচনিৰ প্ৰায় সকলো বিলাককে ভাঙি চিঙি উটাই লৈ গল। সেইদৰে টিহু নদীৰ লিফ্‌ট ইৰি গচনৰ এটাও পইন্ট নাই। এইবিলাকৰ পৰা ৰাইজৰ একো উপকাৰ হোৱা নাই। এইবিলাক অনুসন্ধান কৰি ভাল ব্যৱস্থা কৰা দৰকাৰ।

শেষত মই এটা কথা কব বিচাৰিছো যে আমাৰ ট্ৰাইবেল এডভাইচাৰী কাউনচিলৰ তৰফৰ পৰা প্ৰতিটো সমষ্টিৰ কাৰণে ৬টাকৈ জলসিঞ্চন আচনি বিচাৰিছিল। আমি সেইমতেই দিছিলোও। কিন্তু সেইবিলাকৰ কি হল একো জানিব নোৱাৰিলো। আমি যিবিলাক আচনি অতি লাগতীয়াল বুলি ভাবিছিলো সেই মতেই আচনি দিছিলো। এই আচনিবিলাক যাতে কাৰ্যকৰি হয় তাৰ কাৰণে মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো। মই এইখিনিকে কৈ দাবী মঞ্জুৰীটোৰ বিৰোধীতা কৰি কৰ্ত্তন প্ৰস্তাবটোৰ সমৰ্থন জনালো।

Shri Silvius Condpan (Chairman)— Now, Shri Laskar. Only 5 minutes.

শ্ৰীতজমুল আলী লস্কর :—মাননীয় চেয়ারমেন মহোদয়, ইরিগেশন বিভাগের কর্ত্তন প্রস্তাবের সমর্থনে আমি কয়েকটি কথা বলব। বিশেষভাবে কাছাড়ে ইরিগেশন বিভাগের কাজকর্ম সম্পর্কে। শাসক দলের সদস্য মাননীয় শ্রীআলতাফ হোসেন মজুমদার সাহেব একটা লিফট ইরিগেশন স্কীমের কথা তার বক্তৃতায় বলেছেন যেখানে ২০ লক্ষ টাকা খরচ করা হয়েছে অথচ জল ছাড়ার সঙ্গে সঙ্গে ক্যানেল ভেঙ্গে গিয়েছে। এই রকম স্কীম কাছাড়ে অনেক আছে। সরকারী কাগজ পত্রে আছে যে এতো হেক্টার জমিতে জল দেওয়া হচ্ছে কিন্তু তদন্ত করলে দেখা যাবে যে শতকরা ৯৯ ভাগ স্কীম কেবল কাগজে পত্রে আছে, জল দেওয়া হচ্ছে না। অথচ টাকা সব শেষ। কাছাড়ে কিছু অফিচার আছেন যারা এই সমস্ত স্কীম কার্যকরী হউক, গ্রামের কৃষক যাতে জল পায়, ক্ষেত কৃষি করতে পারে— তা চায় না। এই ব্যাপারে আমি মন্ত্রী মহোদয়কে বারে বারে বলেছি যে এর একটা প্রতিকার করুন এবং কর্মচারীদের বিরুদ্ধে ব্যবস্থা গ্রহণ করুন। কিছু কিছু অফিসার আসে যারা ঠিকাদারের সঙ্গে পরামর্শ করে কেবল পার্চেজ করে স্কীমের সমস্ত টাকা শেষ করে দেয়। অবশ্যে বর্ত্তমান চরকার গঠন হওয়ার পরে মন্ত্রী মহাশয় কাছাড়ের ব্যাপারে এক বিশেষ আগ্রহ দেখাচ্ছেন। এটা শুভ লক্ষণ কারণ কাছাড়ে কোনও মিডিয়াম ইরিগেশন প্রজেক্ট ছিল না। বর্ত্তমানে ৭ম পরিকল্পনায় তুইটি ধরা হয়েছে। এর একটা হাইলাকান্দি মহকুমায় পড়েছে

আর একটা সার্ভে স্কীম ইনভেষ্টিগেশনের জন্য পাঠানো হয়েছে। মাত্র ৫ লক্ষ টাকার স্কীম। কিন্তু গত ৭ মাস ধরে এই ব্যাপারে কেবল গৌহাটী-হাইলাকান্দি আসা-যাওয়া চলছে। কোনও ফল হচ্ছে না। তার নাম হলো কাটাখাল সার্ভে স্কীম। এখনো সেংশন হয়নি। এটা ভুল কথা যে এই স্কীমের সার্ভে সম্পূর্ণ হয়নি। কারণ আমি নিজে একজিকিউটিভ ইঞ্জিনীয়ারের অফিসে দেখেছি। এই ব্যাপারে এডিশনেল চীফ ইঞ্জিনীয়ারের সঙ্গে দেখাও করেছি এবং চীফ ইঞ্জিনীয়ারকে অন্ততঃ ২০ দিন বলেছি। কিন্তু দেখা যায় যে টেকনিক্যাল ব্রাঞ্চ (৩) এ কিছু লোক আছে যারা কাছাড়ের কোনও স্কীম আসলে স্যাবটেজ করে। আমি হাতে নাতে ধরে এই ব্যাপারে বলেছি। তাছাড়া কাছাড়ে যে সব অফিসার রয়েছে যাদের কাজ করার ইচ্ছা নাই, কেবল ঠিকাদার নিয়ে ব্যস্ত থাকেন— তাদের ব্যাপারে যেন শীঘ্রে ব্যবস্থা নেওয়া হয়।

মহোদয়, মিডিয়াম বা বড় বড় স্কীমে অভারসিয়ার থেকে যারা একজিকিউটিভ ইঞ্জিনীয়ার হয়েছে তাদেরে দায়িত্ব দেওয়া ঠিক হবে না। কারণ, আমি দেখিছি যে আমার হাইলাকান্দিতে অভারসিয়ার গ্রেড্ থ্রি থেকে প্রমোচন পেয়ে পেয়ে পেয়ে যে ভদ্রলোক বর্ত্তমানে একজিকিউটিভ ইঞ্জিনীয়ার হয়ে বসে আছেন তার কাজে কোন মন নাই। নতুন নতুন যে সব স্কীম হচ্ছে তার কোনও খবরেই তিনি রাখেন না। সেইজন্য আমি অনুরোধ করছি যে যে কোনও বি-ই পাশ ইঞ্জিনীয়ারকে যেন সেখানে পোষ্টিং করা হয়। কারণ সেখানে একটা মিডিয়াম ইরিগেশনের স্কীম নেওয়া হয়েছে।

চেয়ারম্যান মহোদয়, মাননীয় সদস্য আলতাফ হোচেন মজুমদার সাহেব আর একটা কথা বলেছেন যার পূর্ণ সমর্থন আমি করি সেটা হলো যে এমন একটা জোনের সঙ্গে কাছাড় ডিভিশনকে যুক্ত করা হয়েছে যে সেটা একটা অদ্ভুত ব্যাপার। কারণ জনসংখ্যার অনুপাতেও বিচার করলে দেখা যায় যে কাছার ও করিমগঞ্জ মিলে একটা জোন করা অত্যন্ত যুক্তি সংগত।

মহোদয়, কাছাড়ে, ইরিগেশনের যে মেকানিকেল উইংগ আছে তা একেবারে ইনএফেক্টিভ। আমরা আজ এখনে ২০-৩০ কোটি টাকার বাজেট পাশ করছি। কিন্তু কাছাড়ে একটা ৩০ টাকার পার্টস যদি নষ্ট হয় তাহলে মেশিন সম্পূর্ণ অচল হয়ে যায়।

তাছাড়া করিমগঞ্জ ও হাইলাকান্দি মিলে মাত্র একটা মেকানিকেল সাব-ডিভিশন রয়েছে। এতে অনেক অসুবিধার সৃষ্টি হয়েছে। এই ব্যাপারে মন্ত্রী মহোদয়কে

অনুরোধ করব যে করিমগঞ্জ ও হাইলাকান্দি মিলে মাত্র একটা মেকানিকেল ডিভিশন যেন গঠন করা হয়।

আরু একটা পরামর্শ— হাইলাকান্দি সাব-ডিভিশনে ধলেশ্বরী নামে একটা ডেড্ নদী আছে। এখানে একটা ইনভেষ্টিগেশন করা দরকার। সেখান থেকে একটা স্কীম করলে কৃষকের অনেক উপকার হবে। এই বলে আমি আমার বক্তব্য শেষ করলাম।

(at 4-53 p. m. Mr. Speaker occupied the chair and Mr. Chairman Shri Silvius Condpan vacated it.)

Mr. Speaker :—Shall I ask the Minister to reply Mr. Condpan ? You were eager to speak. (Shri Silvius Condpan: No Sir, I am not speaking). All right. Minister will reply now.

শ্ৰীজেহিৰুল ইচলাম (মন্ত্ৰী)—মাননীয় অধ্যক্ষ মহোদয়, সমালোচনাৰ উত্তৰ দিয়াৰ আগতে ৰাজ্যৰ জলসিঞ্চনৰ অগ্ৰগতিৰ এটি ৰূপ ৰেখা ডাঙি ধৰিবৰ প্ৰয়াস কৰিছো। অসমৰ জলসিঞ্চনৰ অগ্ৰগতিৰ খতিয়ান এটা ডাঙি ধৰিব লাগিলে পোন প্ৰথমে ভাৰতবৰ্ষৰ জলসিঞ্চনৰ অগ্ৰগতিৰ খতিয়ানৰ এটা থুলমূল বিন্যাস কৰিব লাগিব। সমগ্ৰ দেশৰ জলসিঞ্চন কৰিবলগীয়া মাটিকালিৰ পৰিমাণ—১৩৭ নিযুত হেক্টৰ নিৰ্ণিত হৈছে। পঞ্চ বাৰ্ষিক পৰিকল্পনা আৰম্ভ কৰাৰ আগেয়ে ১৯৫১ চনলৈকে দেশৰ জলসিঞ্চন সম্পদ নিৰ্ণিত হৈছিল ২২.৬ নিযুত হেক্টৰ। ৬ষ্ঠ পৰিকল্পনাৰ প্ৰাৰম্ভত অৰ্থাৎ ১৯৭৯-৮০ চনলৈকে দেশৰ আহৰণ কৰা জলসিঞ্চন সম্পদ ৫৬.৬ নিযুত হেক্টৰ হয়গৈ। স্বাধীনোত্তৰ কালৰ ১৯৫১ চনলৈ অসমৰ আহৰণ কৰা জলসিঞ্চন সম্পদ আছিল মাত্ৰ ৮১০ হেক্টৰ। ৬ষ্ঠ পৰিকল্পনাৰ প্ৰাৰম্ভত অৰ্থাৎ ১৯৭৯-৮০ চনলৈকে আহৰণ কৰা জলসিঞ্চন সম্পদ আছিল ৩১৪ হেজাৰ হেক্টৰ। তাৰে ৭৪ হেজাৰ হেক্টৰ হয় মজলীয়া ভূ-পৃষ্ঠৰ আঁচনিৰ পৰা আৰু ২৪০ হেজাৰ হেক্টৰ হয় ক্ষুদ্ৰ আৰু ভূ-গৰ্ভৰ আঁচনিৰ পৰা। হিচাব মতে অসমৰ আহৰণ কৰিব পৰা সাম্ভাব্য জলসিঞ্চন সম্পদ হব ২৭ লাখ হেক্টৰ। তাৰে ১০ লাখ হেক্টৰ আহৰণ কৰিব লাগিব বৃহৎ আৰু মজলীয়া আঁচনিৰ পৰা। আৰু ১৭ লাখ হেক্টৰ ক্ষুদ্ৰ জলসিঞ্চন আঁচনিৰ পৰা। এই ১৭ লাখৰ ৯ লাখ হেক্টৰ হব ভূ-গৰ্ভৰ পৰা উত্তোলন কৰা জলসিঞ্চনৰ পৰা।

এটা কথা স্বীকাৰ কৰিব লাগিব যে দেশত জলসিঞ্চনৰ উন্নয়নৰ ইতিহাস,

উন্নয়নৰ অসমতাৰ এটা ইতিহাস। যি ঠাইত ১৯৮১-৮২ চনলৈ সমগ্ৰ দেশৰ জলসিঞ্চনৰ সামৰ্থ আহৰণ কৰা হৈছে ৫৪ শতাংশ। সেই ঠাইত অসমৰ জলসিঞ্চনত সামৰ্থ আহৰণ কৰা হৈছে—১৪.৪ শতাংশ। ৬ষ্ঠ পৰিকল্পনাৰ শেষলৈ অসমত এই জলসিঞ্চনৰ সামৰ্থ আহৰণ হব মাত্ৰ ১৭.২ শতাংশ। ৭ম পঞ্চ বাৰ্ষিক পৰিকল্পনাৰ নীতি নিৰ্দ্ধাৰণৰ বাবে আৰু পৰিকল্পনা ৰচনাৰ বাবে যোজনা আয়োগে কেন্দ্ৰীয় জলসিঞ্চন সচিব আৰু অতিৰিক্ত জলসিঞ্চন সচিবৰ নেতৃত্বত দুখন ওৰ্কিং গ্ৰুপৰ সৃষ্টি কৰিছিল, যোৱা বছৰৰ মাজ ভাগতে।

এই ৱৰ্কিং গ্ৰুপ দুখনে সমগ্ৰ দেশতে জলসিঞ্চন আচনিবোৰৰ সম্যক অধ্যয়ন কৰি আৰু জলসিঞ্চনৰ ক্ষেত্ৰত পশ্চাদপদ ৰাজ্যবিলাকক অন্ততঃ ২০০৫ চনত সমগ্ৰ দেশৰ জলসিঞ্চনৰ সামথৰ সমতা স্থাপন কৰাৰ উদ্দেশ্য কিছুমান বিশেষ চুপাৰিশ কৰিছিল। যোৱা বছৰৰ মাজ ভাগতে গুৱাহাটীত পতা ক্ষুদ্ৰ জলসিঞ্চনৰ ৱৰ্কিং গ্ৰুপৰ এখন সভা উদ্বোধন কৰাৰ সৌভাগ্য মোৰ হৈছিল। আৰু তাত সেইটো কথাই মই আঙুলিয়াই দিছিলো যে ৱৰ্কিং গ্ৰুপ যাতে এনেকুৱা এটা ফৰমূলা উলিয়াব যাব দ্বাৰা সমগ্ৰ দেশৰ লগতে জলসিঞ্চনত পিচপৰা ৰাজ্য সমূহেও অন্ততঃ ২০০৫ চনলৈ চিহ্নিত জলসিঞ্চন সামৰ্থ আহৰণ কৰা সম্ভৱ হয়। সৌভাগ্যৰ কথা যে সেই বহল ভিত্তিত ২০০৫ চনত সমগ্ৰ দেশৰ জলসিঞ্চনৰ অগ্ৰগতিৰ আপেক্ষিক নূন্যতা হ্ৰাস কৰাৰ ভিত্তিত এই দুখন ৱৰ্কিং গ্ৰুপে যি চুপাৰিশ কৰিছিল সি আমাৰ ৰাজ্যৰ বাবে সম্পূৰ্ণ গ্ৰহণযোগ্য আছিল। সেই ভিত্তিত তেওঁলোকে চুপাৰিশ কৰিছিল যে ৭ম পৰিকল্পনাত ৩১৩ কৌটি টকাৰ বৃহত আৰু মধ্যলীয়া আচনি বিনিয়োগত ২,১৩,০০০ হেক্টৰ কালি মাটিত জলসিঞ্চন সামৰ্থ আৰু সেইদৰে ২৫৩ কৌটি টকাৰ বিনিয়োগত ক্ষুদ্ৰ জলসিঞ্চন আচনিৰ দ্বাৰা ৩,১০,০০০ হেক্টৰ কালি মাটিত জলসিঞ্চন সম্প্ৰসাৰণৰ পৰিকল্পনা কৰা হব। কিন্তু শেহতীয়াকৈ যোজনা আয়োগৰ ৱৰ্কিং গ্ৰুপে ৰাজ্য ভিত্তিক আলোচনাৰ সময়ত সেই নিৰ্দ্ধাৰিত পুজিৰ শতকৰা ৫০ ভাগলৈকে হ্ৰাস কৰিবলৈ প্ৰয়াস কৰিছিল। আৰু সেই বাবে অসমৰ নিচিনা জলসিঞ্চনৰ ক্ষেত্ৰত পিচপৰা ৰাজ্য এখনৰ বাবে এই এক তৰফা হ্ৰাস কৰা নহয় তাৰ বাবে মুখ্যমন্ত্ৰী ডাঙৰীয়াই ইতিমধ্যে প্ৰধান মন্ত্ৰীৰ লগত যোগাযোগ কৰিছে আৰু ময়ো মোৰ ববীয়াকৈ কেন্দ্ৰীয় জলসিঞ্চন মন্ত্ৰীৰ লগত যোগাযোগ কৰিছো। যোজনা আয়োগে ১৯৮৫-৮৬ চনৰ পৰিকল্পনাৰ আৰু ৭ম পঞ্চ বাৰ্ষিক পৰিকল্পনাৰ তেওঁলোকৰ এতিয়াও চূড়ান্ত চুপাৰিশ দিয়া নাই আৰু আমি আশা ৰাখিছো তেওঁলোকে যেন এই বিষয়ে

কেন্দ্ৰীয় জলসিঞ্চন সচিব আৰু কেন্দ্ৰীয় অতিৰিক্ত জলসিঞ্চন সচিবৰ নেতৃত্বত দাখিল কৰা তুখন ৱৰ্কিং গ্ৰুপৰ চুপাৰিশৰ প্ৰতি বিশেষ দৃষ্টি ৰাখে। এতিয়ালৈকে পৰিকল্পনা আয়োগৰ চুপাৰিশসমূহ আমি নোপোৱা বাবে বৰ্ত্তমান বাজেটখন যোৱা বছৰৰ সীমাৰ ভিতৰতেই দাখিল কৰিবলগা হৈছে। হলেও এই কথা কোৱা যায় যে পৰিকল্পনা আয়োগে কৰিব খোজা হ্ৰাসকৰণ প্ৰকৃততে ৭ম বাৰ্ষিক পৰিকল্পনাৰ ২য় বছৰৰ পাছৰ পৰাহে হ্ৰাস কৰাৰ কথা আছিল। আৰু ১ম বছৰত আমাৰ নিজৰ প্ৰস্তাৱ আৰু পৰিকল্পনা আয়োগৰ সাম্ভাব্য চুপাৰিশৰ ভিতৰত বিশেষ পাৰ্থক্য নাছিল।

| | As proposed by state 1985-86 | As recomended by working group 1985-86 |
|---|---|---|
| (1) | Maj-Med—37·00 Crore | 32·00 Crore |
| (2) | Minor—30·92 Crore | 30·02 Crore |

Mr. Speaker— It is now 5 O'clock. We will have to extend time. So, I request the Hon'ble Members to kindly indicate how far shall I continue ?

Shri Benoy Kumar Basumatary—We have another Cut Motion. So, we will require one hour more.

Mr. Speaker— The House will extend upto 5·45 P. M.

শ্ৰীজেহিৰুল ইছলাম (মন্ত্ৰী)— এই বছৰ বৃহৎ ও মজলীয়া জলসিঞ্চন আচনিৰ বাবে বাজেটত জেনেৰেল এৰিয়াৰ বাবে ২৩·২৮ কোটি টকাৰ আৰু হিল এৰিয়াৰ বাবে ৮১ লাখ আৰু সৰ্ব্বমুঠ ২৪·০৯ কোটি টকা ধৰা হৈছে। এইখিনি টকা মূলত: চম্পামতি আৰু ধনশিৰি বৃহৎ আচনি আৰু ১২টা মজলীয়া আচনিত খৰচ কৰা হব। যেনে— বৰলীয়া, পহুমৰা, ৰূপহী, বৰডিক্ৰাই, কালদিয়া, ডেকাদং, বুঢ়িদিহিং, কলং কলীয়াবৰ, কলঙ্গা, হাৱাইপুৰ আৰু ডিখাৰী। শতাংশ হিচাপে এইবোৰ আচনিৰ কাৰ্য্যগতি এনে ধৰণৰ :— ধনশিৰি—৪৮ শতাংশ, চম্পামতি—২৮ শতাংশ, বৰলীয়া—২৪ শতাংশ, পহুমৰা—৩৫ শতাংশ, ৰূপহী—৭৭ শতাংশ, কলঙ্গা —৪৯ শতাংশ, হাৱাইপুৰ—৪৬ শতাংশ, কালদিয়া - ৪৬ শতাংশ, ডেকাদং—৪৫ শতাংশ, বুঢ়িদিহিং—৬০ শতাংশ দিখাৰী—১০০ শতাংশ, কলং—৪৫ শতাংশ কলিয়াবৰ—৬০ শতাংশ আৰু বৰদিক্ৰাই—৮৪ শতাংশ।

এই বছৰ ক্ষুদ্ৰ জলসিঞ্চনৰ বাবে যোৱা বছৰৰ সীমা ভিত্তিত সৰ্ব্বমুঠ ২৬.৮১ কোটি টকা যাৰ ভিতৰত ২৩.৮৫ টকা জেনেৰেল এৰিয়াৰ বাবে আৰু ২.৯৬ কোটি টকা পাহাৰ অঞ্চলৰ বাবে ৰখা হৈছে। এই কথা স্বীকাৰ কৰিব লাগিব যে ক্ষুদ্ৰ জলসিঞ্চনৰ শিতানত আগেয়ে এনেকুৱা বহু আচনি লোৱা হৈছিল যত সমাপ্তিকৰণৰ কোনো সীমা ৰেখা কঠোৰ ভাবে নিৰ্দ্ধাৰণ কৰা হোৱা নাছিল। সেইবাবে তাৰ প্ৰতিক্ৰীয়া আমি এতিয়ালৈকে বহন কৰি আহিছো। ১৯৮৫-৮৬ চনত সাম্ভাব্য স্পীল অভাৰ স্কীমৰ বাবে ৩১.৫৩ কোটি টকাৰ প্ৰয়োজন হ'ব। এই স্পীল অভাৰ আৰু নতুন আচনিৰ সমন্বয় স্থাপন কৰিছে নতুন আচনিৰ বাবে অনুমোদনৰ কথা ভবা হৈছে। নতুন আচনিৰ বাবে নিৰ্দ্ধাৰণ কৰা টকাৰ সাধাৰণতে ৩ গুনৰ বেংক অৱ চেংচন কৰি ৰখা হয় যাতে ৩ বছৰৰ ভিতৰত এই আচনিবোৰ সম্পূৰ্ণ হয়। ইয়াৰ লগতে মই আৰু এটা কথা উল্লেকিয়াব খুজিছো যে আমাৰ মাননীয় সদস্যসকলে ভবাৰ দৰে জলসিঞ্চন আচনিবোৰ সাধাৰণতে কাটাই কাটাই সমষ্টি ভিত্তিক কৰিব পৰা নহয়। কৃষি বিভাগে গোটেই ৰাজ্যত সামগ্ৰীক ভিত্তিত জলসিঞ্চন সামাৰ্থ্য চিহ্নিত কৰিছে ২৭ লাখ হেক্টৰ। তাৰ ভিতৰত এতিয়ালৈকে ষষ্ঠ পৰিকল্পনাৰ শেষলৈকে আমি জলসিঞ্চন সামৰ্থ সৃষ্টি কৰিব পাৰিম ৪.৬৬ লাখ হেক্টৰ। গতিকে মহকুমা ভিত্তিত আমি সামগ্ৰিকভাবে চিহ্নিত জলসিঞ্চনৰ সামৰ্থ্য আৰু এতিয়ালৈকে সৃষ্টি কৰিবলৈ বাকী থকা জলসিঞ্চনৰ সামৰ্থ্যৰ পৰা এটা শতাংশ ভিত্তিক জলসিঞ্চনৰ আপেক্ষিক শূন্যতা নিৰ্ণয় কৰা হৈছে। সেই হিচাপত নতুন আচনি বিলাকৰ বাবে আমি অনুদান বিতৰণ কৰিবলৈ প্ৰয়াস কৰিছো। যিহেতু বৰ্ত্তমান পৰিকল্পনাৰ ভিত্তিত ব্লকত নিৰ্দ্ধাৰণ কৰা হৈছে গতিকে এতিয়া আমি এই জলসিঞ্চনৰ শূন্যতা ব্লক ভিত্তিক নিৰ্দ্ধাৰণ কৰিবলৈ চেষ্টা কৰিছো। আৰু সেইবাবে আমি কৃষি বিভাগলৈ এই ২৭ লাখ হেক্টৰৰ চূড়ান্ত জলসিঞ্চন সামৰ্থ্যতা ব্লক ভিত্তিত বিতৰণ কৰি আমাক জনাবলৈ অনুৰোধ কৰিছো। এই তথ্য সমূহ পোৱা হলে আমি নতুন আচনিসমূহ ব্লকভিত্তিত অনুদান ভবিষ্যতে বন্টনৰ প্ৰয়াস কৰিম।

মই এতিয়া জনজাতীয় উপ আচনি ও অনুসূচীত জাতিৰ আচনিৰ কথা কব বিচাৰিছো। জনজাতীয় উপ পৰিকল্পনাৰ বাবে যোৱা বছৰৰ ভিত্তিত এই বছৰৰ বাজেটত বৃহৎ ও মজলীয়া আচনিৰ বাবে ৯০৪ লাখ ও ক্ষুদ্ৰ আচনিৰ বাবে ৭৭০ লাখ টকা ধৰা হৈছে। বৃহৎ ও মজলীয়া জলসিঞ্চন আচনিত জনজাতীয় উপপৰিকল্পনাৰ টকা আচনিবোৰৰ জনজাতীয় উপকৃত শতাংশ অঞ্চল

হিচাপে ধৰা যায়। এইবোৰৰ জনজাতীয় উপকৃত এলেকাৰ শতাংশ এনেধৰণৰ— ধনশিৰি—৪৬.২৫, চম্পামতী—৫৮.০০, ডেকাদাং—২৫.০০, কলং—১২.০০, ৰূপহী— ৭৭.০০ পহুমৰা—৫৭.০০, বুঢ়িদিহিং—৫৭.৩৭ বৰলীয়া—৩৯.০০।

অনুসূচীত জাতিৰ এতিয়ালৈকে আচুতীয়া আচনিৰ অগ্ৰগতি বিশেষ ভাল নাছিল। এই বছৰৰ পৰা এই আচনিবোৰ বিশেষ তৎপৰতাৰে শেষ কৰিবলৈকে আমি প্ৰয়াস কৰিছো। যোৱা বছৰৰ সীমাৰেখা ভিত্তিক এই বছৰৰ বাবে ৬০ লাখ অনুদান আৰু ১৬ লাখ টকা কেন্দ্ৰীয় এডিটিভ প্লেন মুঠ ৭৬ লাখ টকা ধৰা হৈছে।

এইখিনিতে মই আৰু এটা উন্নুকিয়াব খুজিছো যে দেশত জলসিঞ্চনৰ সামৰ্থ্যৰ সম্যক ব্যৱহাৰৰ প্ৰশ্ন এতিয়া উঠিছে। বিশেষকৈ বৃহৎ ও মজলীয়া আচনিৰ পৰা নিসৃত হোৱা জলসিঞ্চন সামৰ্থ্য আৰু তাৰ বিভিন্ন ব্যৱহাৰৰ মাজত হোৱা যথেষ্ট পাৰ্থক্য দেখা যায়। আগেয়ে ভাৰত চৰকাৰৰ নিৰ্দ্দেশ মতে আচনিবোৰত চৰকাৰী নিৰ্গত নলাবোৰ ৪০ হেক্টৰত পানী দিব পৰাকৈ ৰখা হৈছিল। বৰ্ত্তমান জলবণ্টনৰ সুবিধাৰ বাবে আৰু আচনিসমূহ অধিক কাৰ্য্যক্ৰম কৰি তোলাৰ বাবে ভাৰত চৰকাৰৰ নিৰ্দ্দেশত এই নিৰ্গত নলাৰ সীমা ৪ৰ পৰা ৮ হেক্টৰত স্থিৰ কৰা হৈছে।

অধ্যক্ষ মহোদয়, নতুন আচনিসমূহ এইদৰে ৰূপায়িত কৰিবলৈ প্ৰচেষ্টা হাতত লোৱা হৈছে। আনহাতে চুকুলা ও জমুনা-কলিয়াবৰৰ বাবে ২টা কামান্ড এৰিয়া ডেভলাপমেণ্ট অথৰিটি কেইটা স্থাপন কৰা হৈছে। আমি এইদৰে আশা কৰিছো অহা কেইবছৰ মানৰ ভিতৰত এই অথৰিটি কেইটা কাৰ্যক্ষম হৈ উঠিলে বিকাশ ক্ষেত্ৰবিলাকৰ বহুমুখী বিকাশৰ প্ৰচেষ্টা হাতত লব পৰা যাব।

জলসিঞ্চন সামৰ্থৰ আহৰণৰ যোৱা কেইবছৰৰ অভিজ্ঞতাৰ পৰা মই এই কথা উপলব্ধি কৰিছো যে জলসিঞ্চন আচনিবোৰৰ কাম আৰম্ভ কৰাৰ আগেয়ে ব্যাপক জৰীপ আৰু কাৰিকৰী অনুসন্ধান অতীব প্ৰয়োজন আৰু অতীতত আগতীয়া জৰীপ অনুসন্ধান ব্যাপকৰূপে নোলোৱাৰ বাবে বহু আচনিৰ ক্ষিপ্ৰ ৰূপায়নত বিঘিন পথালিৰ সৃষ্টি হৈছে। কাৰিকৰী দিশ নিৰ্ণয় জৰীপ অনুসন্ধানৰ এটা বিশিষ্ট ভূমিকা আছে। সেয়ে মই আশা ৰাখিছো অহা বছৰৰ ভিতৰত ৩টা জৰীপ অনুসন্ধান চক্ৰ আৰু ৭টা জৰীপ অনুসন্ধান সংমণ্ডলৰ সৈতে জৰীপ অনুসন্ধান শাখা এটা সৃষ্টি কৰিব পৰা যাব। তেতিয়া হলে অন্তত ১০ বছৰৰ ভিতৰত জলসিঞ্চন বিভাগৰ এটা নিজস্ব দাতা বেঙ্ক তৈয়াৰ হব।

জলসিঞ্চন বিভাগ আৰম্ভ হোৱাৰ পৰা ১১ বছৰ হল। এই সময়ছোৱাত পুৰণি সমাপ্ত হোৱাত অৰ্দ্ধ সমাপ্ত হোৱা আচনিবোৰৰ পৰা বহুতো সমস্যা উত্তৱ নোহোৱা নহয়। বিশেষকৈ উত্তৱ পাৰৰ উত্তোলন আচনিবোৰৰ ক্ষেত্ৰত দেখা যায় যে নদীৰ গতি সঘনে সলনি হোৱাৰ বাবে উপকৃত আচনিবোৰৰ পৰা পানী যোগান কঠিন হৈ পৰে। সেই দেখি এই বিষয়ে সম্যক অনুসন্ধানৰ বাবে আমি কথাটো ব্ৰহ্মপুত্ৰ বোৰ্ডৰ টি, এ, চি, মিটিঙত এবাৰ উত্থাপন কৰা হৈছিল। প্ৰয়োজন হলে এই আচনিবোৰৰ ৰুগ্নতা কেনেকৈ নিৰাময় কৰিব পাৰি সেই বিষয়ে চেণ্ট্ৰেল ওৱাটাৰ কমিচনৰ লগত যোগাযোগ কৰিবলৈ মুখ্য অভিযন্তাক পৰামৰ্শ দিয়া হৈছে। জলসিঞ্চন আচনিৰ ক্ষেত্ৰত আৰু এটা কথা কোৱা যায় যে এই আচনিবোৰৰ বিশেষকৈ গভীৰ ও অগভীৰ নলী নাদবোৰৰ এটা বিশেষ জীৱনসীমা আছে আৰু সেইলৈ এটা দিপ্ৰেচিয়েচন দিব লাগে। এই হিচাপ আমি এতিয়াও কৰি উঠিব পৰা নাই। আনহাতে জলসিঞ্চন আচনিবোৰ কাৰ্য্যক্ষম ৰাখিব লাগিলে সম্যক পৰিমাণৰ সংৰক্ষণৰ অনুদানৰ প্ৰয়োজন হব। সেই ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে তথা জলসিঞ্চন মন্ত্ৰী সমিতিয়ে চুপাৰিশ কৰা অনুদানৰ আমি ৪০ শতাংশহে পাওঁ। আৰু এই অনুদান সাধাৰণতে দৰমহা আৰু সীমিত পৰিমাণৰ তেল, বিজুলীবিল আদিত খৰচ হয়। সেই বাবে সম্যক সংৰক্ষণৰ অভাৱত আচনিসমূহ বিনষ্ট হবলৈ ধৰিছে। সেই বিষয়ে এতিয়াও জলসিঞ্চন মন্ত্ৰী মণ্ডলৰ চুপ্যাৰিশ মতে যাতে অনুদান পোৱা যায় মই তাৰ চেষ্টা কৰি আছো।

মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ৰাজ্যিক বাননিয়ন্ত্ৰণ মন্ত্ৰী যেতিয়া বিধায়ক হৈ আছিল তেতিয়া মই উত্তৰ লক্ষীমপুৰলৈ তেখেতৰ সমষ্টিত এটা জলসিঞ্চন আচনি চাবলৈ গৈছিলো। সেই আচনিটোত দেখিছিলো তাৰ পৰা অলপো পানী যোগান ধৰিব পৰা হোৱা নাই। কিয়নো আচল নদীখনে তাৰপৰা গতি সলাইছে। এতিয়া সেই নদীখন আমি পুনৰ আগৰ সোতেৰে বোৱাই নিবৰ কাৰণে চেষ্টা কৰিছো যাতে সেই আচনিটোৰ পৰা খেতিয়ক ৰাইজ উপকৃত হয়। এই আচনিত ব্যৱহাৰ হোৱা যন্ত্ৰ-পাতি ৫-৬ বছৰ ধৰি পৰি আছে। তাত কোনো মেৰামতি হোৱা নাই। মনানীয় সদস্যৰ লগত একমত যে এইবিলাক মেৰামতি নোহোৱাৰ কাৰণে এইবিলাক বিনষ্ট হব ধৰিছে।

মাননীয় সদস্য বিনয় বসুমতাৰী ডাঙৰীয়াই মাটি অধিগ্ৰহণ সম্বন্ধে প্ৰশ্ন উত্থাপন কৰিছে। এই সম্বন্ধে জনাও যে এই বিষয়ে মোৰ দৃষ্টি আকৰ্ষণ কৰিছে। বিষয়টো মই নিজে তেখেতৰ লগত আলোচনা কৰিছো। এটা কথা ভুল হৈছে

নেকি যে ১৬ হেজাৰ বিঘা মাটি একুইজিচন কৰা নাছিল। ৯ হেজাৰ ৬শ ৪৪ বিঘাহে কৰিছিল। তাত ক্ষতি পূৰণৰ টকা দিয়া হব। আৰু এতিয়ালৈকে ১৪ লাখ টকা চেংচন কৰিছে। যত বাৰ লাখ ৫০ হেজাৰ উল্লেখ কৰা হৈছে। মাননীয় সদস্যই জানে যে এই বিষয়টো স্পেচিয়েল লেণ্ড অফিচাৰক দিয়া হৈছিল। তেখেতে আইন শৃঙ্খলাৰ ক্ষেত্ৰতো কাম কৰিছিল। সেই কাৰণে তেখেতে যাতে অকল মাটি অধিগ্ৰহনৰ কাম কৰে তাৰ কাৰণে ব্যৱস্থা কৰিছো। আশা ৰাখিছো এই ক্ষতিপূৰণ যাতে সোনকালে পায়। যিমান মাটি লোৱা হয় তাৰ ক্ষতিপূৰণ ১০ বছৰ ১২ বছৰ পিচত পায়। এইটো দুখ লগা কথা। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে কৈছে যে ক্ষতিপূৰণ যি ব্যৱস্থা এই ব্যৱস্থা খৰতকীয়াকৈ পৰিণত কৰিব লাগিব। ৰেলৱে আদি আন আন বিভাগৰ দৰে ক্ষতি পূৰণ দিব লাগে। মাননীয় সদস্য মৌলনা জেলিল চৌধুৰীয়ে যি কৈছে এই বিষয়ে মই অৱগত হৈছো। অফিচাৰে এইবিলাক এনকুৱাৰী কৰি আছে। আশা ৰাখিছো দুই চাৰি দিনৰ ভিতৰতে ৰিপোৰ্ট দাখিল কৰিব। তাৰ পিচত মই ব্যৱস্থা লম। এই স্কীমবিলাকৰ বিষয়ে মই বিভিন্ন ধৰণে শুনি আছো। এই বিলাক শুনি আছো যে বান্ধবিলাক ভাঙি যায় মই চিফ ইঞ্জিনীয়াৰক পঠিয়াই সকলোখিনি তদন্ত কৰাম আৰু দৰ্কাৰ হলে মই তাত গৈ তদন্ত কৰিম। মাননীয় সদস্য শ্ৰীঅলিত বড়োই কৈছে যে তেখেতে কিছুমান স্কীম দিছিল। সেই স্কীমবিলাক লোৱা হৈছে নে নাই কব নোৱাৰো। মই কওঁ যিবিলাক এচ-চি, এচ-টি স্কীম আছে আৰু টি-এচ-পি আৰু এচ-চি সেইবিলাক আমাৰ বিভাগে অনুমোদন নকৰে। W.P.T. & B.C বোৰ্ডে স্কীমবিলাক নিৰ্দ্ধাৰণ কৰি দিয়ে। তেখেতে বহুবিলাক আচনিৰ কথা উল্লেখ কৰিছে মই-এই সম্বন্ধে অনুসন্ধান কৰিম। আৰু যদি আমাৰ বিভাগৰ পৰা সম্ভৱ হয় তেতিয়া নিশ্চই ব্যৱস্থা কৰিম। তেখেতে কিছুমান প্ৰাচীন যুগৰে প্ৰজেক্টৰ নাম উল্লেখ কৰিছে। তেখেতে কেইবাটাও নাম কৈ গৈছে মই এই বিষয়ে অনুসন্ধান কৰিম আৰু আমাৰ বিভাগৰ যদি কিবা কৰিবলগীয়া আছে নিশ্চয় কৰা হব। অৱশ্যে এই বিভাগৰ সেইবিলাক আচনিৰ ফিজিবিলিটি থাকিব লাগিব। তেখেতে বান্ধ বিলাকৰ কথা কৈছে মৰা পাগলদিয়া, শিৰাং আদি সেই বিলাকলৈ মই বিষয়াসকলক পঠিয়াই তদন্ত কৰি সম্ভৱপৰ সকলো ব্যৱস্থা নিশ্চয় কৰিম। মাননীয় সদস্য শ্ৰীমথুৰা ডেকা ডাঙৰীয়াই উচ্ছস্থ ভাষাৰে আমাৰ বিভাগক সমালোচনা কৰিছে। চাৰ, এই বিভাগটো মই নিৰ্দ্দোষ বুলি নকওঁ আৰু সকলো আচনিয়ে কৃতকাৰ্য্য হৈছে বুলি নকওঁ। কিন্তু এই বিভাগৰ

যে বহুত ভাল ভাল আঁচনিয়ে ৰাইজক জলসিঞ্চনৰ ব্যৱস্থা কৰি আছে তাক স্বীকাৰ কৰিব লাগিব। সকলো কথাৰে দোষাৰোপ কৰিলেই নহব। এই বিভাগৰ মুৰব্বী হিচাবে অসুবিধাবিলাক দূৰ কৰিবলৈ সততে চেষ্টা কৰি আছে, খেতিয়ক ৰাইজ যাতে এই বিভাগৰ পৰা সহায় পায় তাৰ কাৰণে সকলো ধৰণৰ আন্তৰিক চেষ্টা কৰা হব বুলি মই সদনক আশ্বাস দিছো। ইয়াৰ উপৰিও মাননীয় সদস্য সকলোৰ উত্থাপন কৰা সকলো বিষয়ে বিচাৰ কৰি চোৱা হব।

মই এতিয়া মাননীয় সদস্যসকলক কৰ্তন প্ৰস্তাৱটো উঠাই লবলৈ অনুৰোধ জনালো।

Shri Benoy Kumar Basumatari— Sir, I want clarification on two points. What was the first estimate for Dhansiri Irrigation Project and what is the revised estimate—that is number one. Number two, whether this special LAO's office will be bifurcated from the present SDO's office because everything is now together. So this office should be bifurcated from the SDO's office.

শ্ৰীজেহিৰুল ইচলাম (মন্ত্ৰী)—ধনশিৰি প্ৰজেক্টৰ প্ৰথম প্ৰাক কলন আছিল ১৫.৮৩ কৌটি টকাৰ।

Dhansiri Irrigation Project was approved by the Planning Commission during 1975 at an estimated cost of Rs. 15.83 crores and the revised estimatedcost of the Project is Rs. 66·32 crores.

আৰু তেখেতে এল এইৰ হিচাবৰ কথা কৈছে এইটো মোৰ বিভাগৰ নহয়। মাননীয় সদস্য গৰাকীৰ উদ্বেগ নিশ্চয় ৰাজহ বিভাগক জনোৱা হব।

শ্ৰীমথুৰা ডেকা :—মাননীয় অধ্যক্ষ মহোদয়, মোৰ মাননীয় মন্ত্ৰীৰ প্ৰতি কোনো আক্ষেপ নাই কিন্তু কথাটো হ'ল এই বিভাগে তেখেতক ঠগাই আছে।

মই কৰ্তন প্ৰস্তাৱটো উঠাই লৈছো।

শ্ৰীহেমেন দাস :— মই উঠাই লৈছো।

Mr. Speaker :—Is it the pleasure of the House to grant leave to withdraw the cut motions ?

Leave is granted and cut motions are withdrawn.

Now, I put the Grant No. 55 that a sum of Rs. 59,78,30,000 be granted to the Minister-in-charge to defray the charges

which will come in course of payment during the year ending the 31st March, 1986 for the administration of 'Irrigation'.

Grant No: 55 is passed.

Now, Grant No. 44.

Shri Dipak Moormoo ( Minister)—Sir, on the recommendation of the Governor of Assam, I beg to move that a sum of Rs: 10,48,61,000 be granted to the Minister-in-charge to defray the charges which will come in course of payment during the year ending the 31st March, 1986 for the administration of "Social Welfare".

Mr. Speaker—There is no cut motion to this Grant. Now, I put the Grant No. 44 that a sum of Rs. 10,48,61,000 be granted to the Minister-in-charge to defray the charges which will come in course of payment during the year ending the 31 st March, 1986 for the administration of "Social Welfare".

The Grant No. 44 is passed.

Now, Grant No. 67:

Shri Abdul Muhib Mazumdar ( Minister )—Mr. Speaker, Sir, on the recommendation of the Governor of Assam, I beg, Sir, to move that a sum of Rs. 74,68,10,000 be granted to the Minister-in-charge to defray the charges which will come in course of payment during the year ending the 31st March, 1986 for the administration of "Mines, Minerals and Power".

Mr. Speaker— There is a cut motion to this Grant table by Shri Mathura Deka, Shri Md. Hussain, Shri Benoy Kumar Basumatari and Shri Tajamul Ali Laskar. Shri Deka to move.

শ্ৰীমথুৰা ডেকা :—মাননীয় অধ্যক্ষ মহোদয়, মাইনচ, মিনাৰেল, পাৱাৰ শিতানত মই কৰ্ত্তন প্ৰস্তাৱ দাঙি ধৰিছো। মুঠ ৭৫ কোটি ৬৮ লাখ ১০ হাজাৰ টকাৰ ৬৭ নং মঞ্জুৰীৰ শিতানৰ পৃষ্ঠা ১-৬ ভলিউম ২খণ্ড বাৰ অধ্যায়ৰ পৰা এটকালৈ হ্ৰাস কৰিবলৈ বিচাৰিছো। ৭৫ কোটি ৬৮ লাখ ১০ হাজাৰ টকাৰ পৰা এটকালৈ হ্ৰাস কৰিব বিচাৰিছো। শূণ্য স্থিতি ৰক্ষা কৰিবলৈ বিচাৰিছো।

মাননীয় অধ্যক্ষ মহোদয়, মই মঞ্জুৰী সম্বন্ধে আমি আগতেওঁ বহুত আলোচনা কৰিছো। এই শক্তি বিভাগৰ বিষয়ে আমাৰ কৈ কৈ বেয়া লাগিছে কিমান কম কাৰণ এটা কথাকে কৈ থাকিলে মন্ত্ৰী মহোদয়ৰো আক্ষেপ হব আৰু আপোনাৰো আমাৰ প্ৰতি আক্ষেপ হব। মই তেখেতৰ পৰা এটা কথাই জানিব বিচাৰিছো এই বিভাগৰ লাইট কিয় নুমায়? তেখেতৰ বিভাগে যিমান টকা বিচাৰিছে এই সদনে দিছে আৰু বেছি লাগিলেও দিব কিন্তু লাইট কিয় নুমায় তাক নুনুমোৱা কৰিব পাৰিবনে? লাইট নুমুৱাৰ কাৰণে হয়তো কেতিয়াবা সদনৰ খং উঠি বাজেটেই বন্ধ কৰি দিব। গতিকে মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো এই বিভাগটো কিছু কাৰ্য্যক্ষম কৰিব লাগে। ১৯৮৫ চনত ৰাইজক লাইট দিব নোৱাৰিলেও অন্ততঃ ৰাষ্টাই ৰাষ্টাই খুটা পোতাৰ ব্যৱস্থা কৰক আমি ৰাইজক কব পাৰিম যে লাইট আহিব। শক্তি বিভাগে কাৰেণ্ট দিব নোৱাৰে তাৰবোৰ চোৰ কৰা অপৰাধত বিজুলি সংযোগ বিচ্ছিন্ন কৰে।

মাননীয় অধ্যক্ষ মহোদয়, এই বিজুলী তাৰবোৰ চোৰ কৰাৰ ক্ষেত্ৰত বিভাগ নিজেই জড়িত থাকে যেন পাওঁ। কিয়নো জ্বলি থকা অৱস্থাত তাৰ কেনেকৈ চোৰ কৰিব পাৰে? সেইটো আমি নিজেই বুজি নেপাওঁ। সেই হিচাবেহে মই কৈছো। বিভাগীয় ভাবে তাৰ চোৰ কৰাটো বাদ দিয়ক। যদি আন দুষ্ট লোকৰ দ্বাৰা এই চুৰি কাৰ্য্য সম্পাদন হৈছে, কিমান পুলিচ লাগে লওঁক। মুখ্যমন্ত্ৰী নিজেই পুলিচৰ মালিক। তেখেতে বিচাৰিলে ট্ৰাকে ট্ৰাকে পুলিচ দিব পাৰে এনেভাবে এটি আচনি ব্যৰ্থ কৰিব তাক ক্ষমা কৰা নেযায়। উন্নয়নৰ ক্ষেত্ৰটো কিছুমান কথা আছে। লিফ্‌ট ইৰিগেচনৰ কথা আছে। উদ্যোগবিলাকৰ কথা আছে। অকল পুলিচৰ ওপৰত এই কথাবিলাক এৰি দিলেই নহব, যিবিলাক চাব ডিভিজন আৰু ডিভিজন আছে সেইবিলাককো নিৰ্দ্দেশ দিব লাগে যাতে এই তাৰবিলাক চোৰ হব নোৱাৰে চোৰৰ বাবে সতৰ্ক দৃষ্টি ৰাখে। মাননীয় অধ্যক্ষ মহোদয়, চোৰ কোন সেই কথা বিলাক সকলোৱেই জানে কিন্তু কোনেও নকয়।

মাননীয় অধ্যক্ষ মহোদয়, কিছুমান জাগাত বিজুলী যোগান হৈছে আৰু কিছুমান জাগাত হোৱা নাই। কিবা এটা মেগাৱাট আছে। এই মেগাৱট মানে কি আমি বুজি নেপাওঁ। মাত্ৰ এটা কথাই জানো যে সকলোতে লাইট হলে ভাল হয়। সকলোৱেই মাছ খায় যেতিয়া বিজুলীৰ পোহৰত যাতে ডিঙিত কাইট নলগাকৈ মাছ ভাত খাব পাৰে লৰা ছোৱালীয়ে যাতে পঢ়া-শুনা কৰিব পাৰে। তাৰ ব্যৱস্থা কৰিব লাগে। যেতিয়া বিজুলী নাছিল তেতিয়া এনেবোৰ সমস্যা

নাছিল, বিজুলী প্ৰৱৰ্ত্তন হোৱাৰ পিচত যেতিয়া ইয়াৰ বিজুতি ঘটে প্ৰতিষ্ঠান-বোৰত সমস্যাই দেখা দিয়ে। এমাহৰ খৰছখিনি এদিনতে যাবলৈ লয়। তাৰ উপৰি ঘনাই বিজুলীৰ বিজুটি ঘটি থাকিলে বাল্ববোৰ ফিউজ হৈ পৰে। বিজুলিৰ বিজুটি ঘটিলে কল কাৰখানা বোৰৰ কি যে বিপৰ্য্যয় ঘটে সি বৰ্ণাতীত এখন ৰাজ্যৰ উন্নয়নত বৰ্ত্তমান বিজুলীয়ে প্ৰধান ভূমিকা লৈছে তেনে ক্ষেত্ৰত ইয়াৰ বিজুটিবোৰ ক্ষমা কৰিব নোৱাৰা হল।

মাননীয় অধ্যক্ষ মহোদয়; যিবিলাক ডিভিজ্যন, চাব-ডিভিজ্যন আছে সেই বিলাকতে আচল কথাটো আছে। আমাৰ চাৰিআলিত এজন এচ-ডি-অ আছিল তেখেতে যত মুছলমান মানুহ থাকে তালৈ লাইন নিনিয়ে। সেই কাৰনেহে কৈছো যে, এইবিলাক তদাৰক কৰিবৰ কাৰণে কিছুমান চাবডিভিজ্যনেল কমিটি আদি হলে এনে ধৰণৰ আসোৱাহ বিলাক হব নোৱাৰিব। লগতে আমাৰ সমাজখনো আন্ধাৰৰ পৰা উদ্ধাৰ হব। এইখিনিকে কৈ মই মোৰ কৰ্ত্তন প্ৰস্তাৱটো উত্থাপন কৰিছো।

Shri Binoy Kumar Basumatary— Sir, in support of the Cut Motion I wish to remark that the term "Mines, Minerals and Power" that is the name given to the Department is very deceptive. Mines can be of two types. One type of mine is that we are to dig and the other type of mines wqich blast you apart and take you to un-known places. Similarly this Grant is also very deceptive. Provision of Rs. 74,63,10,000 is there under this Grant. Under the Head—328 Mines and Minerals, etc. 55,50,000 is under Plan, 64,40,000 under Non-Plan and 7, 20, 000 under Plan of Sixth Schedule have been provided and it is said that these amounts are necessary for regulation the Department of Mines. That means this amount of atleast $1\frac{1}{2}$ crores wil be spent mostly for regulation of the mines. So, Sir, I want to know what are the mines we have in our State; I think, prominent mines in our State is coal mine around Ledo-Margerita areas, limestone quarry in and around Karbi Anglong district. Otherwise we do not find any other kind of mines in the State. Earlier Sir, in the river Subansiri we were told that our people, Kacharis used to collect

gold from the river bed of Subansiri. I have travelled throughout the nooks and corners of the State. Beyond Dibrugarh if you proceed towards north you will find some rocky mountains and in those mountains you will find some kind of stone which glitters in the sun-shine. One believes that particle of gold exist in those type of stone found in the mountains. So, these all are there in Assam. You are to tap the resources. But our Government has failed to find out the potentialities of other minerals in the State. Sir this way, the allocation made in the Budget makes it absolutely clear that we are not interested in developing the potentialities of the resources of the State because the amount of Rs. 1, 20, 00, 000 is spent only for regulation of existing coal mines and limestone querries. Then, Sir, at page 2 you will find only 5.00,000 is provided for Capital outlay on Mining and Metallurgical industries. Sir, the term Metallurgical Industries is a very big term. We do not know what sort of metallurgical industries we have in Assam. We may perhaps be enlightened by the Hon. Minister on this issue. Next comes, Sir, "734-Loans for Power Projects": Rs. 73,86,00,000 has been provided under this Head. This has been earmarked for loans for Power Projects. This allocation, it appears, Sir, is taking us to bankruptcy. We are perhaps giving this huge amount to the State Electricity Board. Every year we are giving such grant to State Electricity Board. But what is the benefit ? Hon: Member who spoke before me has already given a picture as to how we are going on without power and the electric lines, Here, Sir, in this house, we all have our children, and their examination is now going on. In the evening while they are preparing themselves for the examination all on a sudden you will find Sir, lights are off. Why it is so ? Because there is no power, Therefore. Sir, our children are also suffering for want of regular supply of power. This has become a regular phenomenon. Therefore, Sir, the main reason of

our failure to supply the power to the State is because of the loans that we give to the power projects. We give them any amount of loan that they demand from our means without any control. Sir, we pass budget in this House and provide funds but we do not have any control. Therefore, I feel it is hightime now to engage some machinery which can control and see that the funds are not misused over this Electricity Board budget. The Govt. should have some machinery to control over the power machinery of this Govt. Sir, this reminds me of a small story about Shri Biju Patnaik of Orissa. When Shri Biju Patnaik became Chief Minister during the period of Janata Govt, and when we wanted to talk to him everybody was telling that you cannot talk to him as he is a man of steel and everything that he says is like that of a steel'. Therefore, Sir, I hope and believe that our Hon'ble Minister of Power does not become a man of power like that of Shri Biju Patnaik as man of steel and see that people of this State are not deprived of getting the power. With these words, Sir, I conclude.

শ্ৰীহেমেন দাস :—মাননীয় অধ্যক্ষ মহোদয়, মই কৰ্ত্তন প্ৰস্তাৱটোৰ সমৰ্থনত তুআযাৰমান কথা কব বিচাৰিছো। আমাৰ ইয়াত মঞ্জুৰী তুটা বিভাগৰ কাৰণে আনিছ। এটা মাইনচ্ এণ্ড মিনাৰেল আৰু পাওৱাৰ। সৰুতে স্কুলত পঢ়িছিলো যে আসাম ইজ ৰিশ্চ ইন মিনাৰেল ৰিচোৰ্চ্চ্। এই কথা সত্য প্ৰতিপন্ন হোৱা দেখিছো কিয়নো অসমৰ মাটিত তেল আৰু প্ৰাকৃতিক গেচ ওলাইছে। ইয়াৰ পৰা দেখা যায় আগতে যি পৰিমাণৰ পোৱা গৈছিল এতিয়া তাতকৈ বহু বেছি পৰিমাণে পোৱা গৈছে। কিন্তু অন্যান্য বিভাগে এই বিভাগটোক নজৰ দিয়া নাই। এই বিভাগটোৰ ওপৰত আমাৰ সকলোৰে দৃষ্টি কম। আমাৰ সম্পদৰ আহৰণৰ ক্ষেত্ৰত আমাৰ অসমৰ গছ মাটি আৰু মাটিৰ তলতো আমি লক্ষ্য কৰিব লাগিব লাগিব কিয়নো আমাৰ ৰাজ্যখনৰ চাৰিওফালে সম্পদেৰে ভৰি আছে। মই কালিও এই কথা উল্লেখ কৰিছো। মাটিৰ তলত থকা সম্পদ আহৰণৰ কাৰণে আমি প্ৰয়োজনীয় গুৰুত্ব দিয়া নাই। বিধান সভা পুথিভড়ালত বি-চি এলেনে লিখা ১৯০৫ চনৰ ডিষ্ট্ৰীক্ট গেজেটিয়াৰ আছে তাত নৰ্থ কাচাৰ আৰু কাৰ্বি আংলং

জিলা সম্পদেৰে ভৰপুৰ বুলি উল্লেখ আছে। মই হিলচ্ ইণ্ডাষ্ট্ৰীক কৈছিলো সেইবিলাক অনুসন্ধান কৰিবলৈ। ১৯০৫ চনতে যদি চাহাব এজনে পাহাৰৰ মাজত আমাৰ ইয়াত কি কি আছে তাক উলিয়াব পাৰে আমি কিয় নোৱাৰো। আমি এতিয়া বেয়া দৰ্শনৰ মাজত সোমাই আছো। চাৰ্ব্বাক দৰ্শনৰ ঋণং কৃত্বা ঘৃতং পিবেত্ দৰ্শনত সোমাই পৰি কেন্দ্ৰীয় চৰকাৰৰ পৰা ঋণ কৰি টকা অনাৰ ওপৰত যিমান গুৰুত্ব দিয়া হৈছে ৰাজ্যখনত নিজৰ সম্পদ উদঘাটনৰ কাৰণে সিমান গুৰুত্ব দিয়া হোৱা নাই। মই অনুৰোধ কৰো এই বিভাগৰ দায়িত্বত থকা সকলে বি-চি-এলেনৰ কিতাপখন পঢ়ক। তাতোকৈ দুৰ্ভাগাৰ কথা অধ্যক্ষ মহোদয়, এই কিতাপখন বিদেশী কোম্পানী এটাই ছপা কৰি আমাৰ ইয়াত ১৯০ টকাত বিক্ৰী কৰিছে। সেই কিতাপত তথ্য বিচাৰি পাইছিল চাহাব এজনে। আমি সেই তথ্য উদঘাটনৰ কাৰণে প্ৰয়োজনীয় ব্যৱস্থা কৰা উচিত। আমাৰ জিঅ'লজি চাৰ্ভে বিভাগে এইটো চাই লব পাৰে আৰু সেইমতে ব্যৱস্থা লব পাৰে। সেই বিভাগৰ মানুহ কেইজনমান আ.ছ আৰু গাৱেঁ ভূ ঞ ঘুৰি ফুৰে কিবা কিবি কাম কাজ কৰি। সেই বিভাগটো টনকিয়াল কৰিব লাগে।

Mr. Speaker— It is more than 5-45 p. m. now. The House was extended up-to 5-45 p. m. Now, I want to know how long the House will sit to complete the business of the House.

(Voices, up-to 6 p. m.)

So, the House will sit upto 6 p. m. to complete the Demands on Grants.

শ্ৰীহেমেন দাস :—গতিকে তাত গুৰুত্ব দিয়াৰ কাৰণে আহ্বান জনালো। পাওৱাৰৰ ক্ষেত্ৰত এইটো কৰ পাৰি যে অসমত পাওৱাৰ চৰ্টেজ আছে। গুৱাহাটী মহানগৰীকে ধৰি বিভিন্ন গাওঁ অঞ্চলত খুটা পোটা হৈছে কিন্তু পাওৱাৰ ঠিকমতে চাপ্লাই হোৱা নাই। পাওৱাৰ পূৰ্ণ কৰাৰ কাৰণে এতিয়া ব্যৱস্থা লব লাগিব কিয়নো এইটো নকৰিলে উদ্যোগিক বিকাশ বিশেষকৈ কৃষিৰ বিকাশ ব্যাহত হব। তাৰ কাৰণে প্ৰয়োজনীয় পাওৱাৰ ঘাটি পূৰণ কৰিবৰ কাৰণে চৰকাৰে সময়োপযোগী মনোযোগ দিব লাগে বুলি জনাই ৰাখিলো।

Shri Abdul Muhib Mazumdar (Minister)—Mr. Speaker, Sir. I won't take much time of this House. I am grateful

to the Hon'ble Members who have moved and supported the cut-motion. Sir, Hon'ble Members in course of their speeches have raised valuable points and suggestions and I fully agree with some of the points as raised. In fact those points on which all the Hon'ble Members have concentrated are drawing our best possible attention, But Sir, there are certain difficulties which stand on the way. Sir, regarding the first point about the supply of power and the anomaly of power generation in this State; I can only say before the House that on this point we have to depend on somany other units; Sir, it is known to the Hon'ble Members why there is load-shedding. It also known to the Hon'ble Members about the limits of our units. We are to depend on other units of Meghalaya and Loktok project of Manipur, So, sir, sometimes there are disruptions and breakdown on the grid and sometimes there are breakdown in the machinery and in the lines that are drawn and it is due to these reasons supply in Assam becomes irregular. I agree with the Hon'ble Members that there is always some shortfall in power projects recently. There is some difficulties in Bongaigoan and Chandrapur projects because of the breakdown of the machines. I am told that the situation would be improved from the middle of March. Sir, as I have stated, when some difficulties start in Shillong under Meghalaya, supply of power is less in our State. I can assure the Hon'ble Members that the position will improve as soon as new projects which we have undertaken will be commissioned. We hope that in near future the position will improve and there will not be any shortfall and possibility of major breakdown in the supply system. One question has been raised about the control of on the power sector. I can inform Mr. Basumatary that ASEB is an autonomous body constituted under the Central Electricity Act and the Act itself provides for the extent of our hold on the Board. I have gone through the working of Electricity Boards of different State of India and I hava

come to know that ours is a better one. I understand the anxiety of the members on the frequent power failure in the State. I am not complaccent that we are better of— we should do still better as there are ample scopes for improvement. There is a limit to our controlling the ASEB affairs as this is an autonomous Board and if we involve ourselves too much in their affairs then the purpose for which this Board was created will be destroyed. We cannot have a total control on them as we do in other departments. At the same time we must not forget that it is an extension of the Govt. in some other form—afterall the Board has been constituted by the Govt. Regardings the points raised by Shri Deka and others about load shedding and frequent power failures, I would say that there are various reasons for that. Short supply of power from different stations, mechanical defects in the system, and poor quality of materials used in the mechanism. The theft of wires is a cause which is purturbing all of us. It is not possible to guard the whole transmission lines as they pass over hilly terrain, unapproachable areas and areas uninhabited by people. The only check we can offer, if we can educate the people that it is property of the country and it belongs to the people and any damage done to it will cause inconvenience to all of us, then we can achieve some good results. It is said that the charged lines are less prone to mischief. But I would like to say that there are instances where the charged wires were stolen away. Therefore, public consciousness should be raised for participating themselves in safeguarding these vital transmission lines.

Another point about the subdivisional committees to be formed, I apologise that this could not be done yet as some members have not submitted their names. We will form the Subdivisional Committee immediately after the session is over. In these Committees the public will be involved so that the local complaints can be looked

into by these Committees for a better understanding of the difficulties and finding out their solutions.

Another point was raised about huge amount of loans given. This is inevitable – an example will make it clear. When a road is constructed by the P. W. D. we do not expect any return out of it. These roads are well used by the people, that is all. But in the case of electricity we have to look for certain money returns. It is an organisation which is to maintain itself. Here I can give an example. If we draw a line to an area for about 4 or 5 miles, it involves huge money—now if nobody consumes the power in that area, out expenditure becomes a waste as we are not getting any return out of it. Therefore, we are to motivate the people to consume power in their smaill industrial units and so on. These of course require co-operation of all concerned.

About the other matters raised, I have taken note of it and I can assure the House that these matters will be examined properly. About mines and minerals a point has been raised. A lot of ground work has been done on that also. Mr. Das has said that Assam is very rich in minerals. I can read out a note for the information of the House. As per strategy of the Sixth plan programme emphasis is being given for intensive exploration of various Minerals resources found in course of previous works as well as on investigation of ground water resources for immediate preparation of irrigational schemes. In the Mineral sector good progress has been made in the exploration of limestone, coal and ceramic raw materials. Some deposits of cement and high grade limestone have been delineated and sufficient reserve has already been proved to sustain 2 to 3 Minicement plants. Regional exploration for establishing reserve for high capacity cement plant has just been initiated some deposits for ceramic industry like china clay, quartz and feldsper have been proved and action

have been initiated to set up ceramic industries in the State. Low grade silimanite rocks have been delineated over extensive areas of Karbi Anglong district and explorator drilling as well as Loboratory Pilot Scale studies are in progress in respect of some promising areas. In the Upper Assam Coal field a promising coal horizon hiterto unanown has been located in the Dilli-Joypore coalfield. In the Ground Water sector part of Sibsagar, Dibrugarh, Goalpara and also Karbi Anglong District have been covered by first approximate resource survey 9 blocks in two districts have so far been covered by Microlevel detailed hydro-geological investigation. Work is in progress in 4 additional blocks which are likely to be completed by the end of 6th Plan period.

The State Mineral Development Corporation has commended coal Mining activities in the N. C. Hills district. The corporation is awaiting clearance from the Govt. for commencement of Coal mining at Sheelveta and limestone in N. C. Hills district. The Mining activities are linked with the various cement and lime projects being established in the Region.

Sir, as regards the mining activities, we have taken up several cement and limestone projects in the State. In 1985-86 we have taken up several programmes, the total allocation of which is Rs. 68.64 lakhs, which includes Rs. 60 lakhs under general plan and Rs. 8·64 lakhs under the Hill Plan.

Mr. Speaker :—Order, order: It is 6·00 p. m. now. It seems that the Hon'ble Minister cannot complete his speech. I would request him to conclude his speech within 5 minutes because I cannot extend the time again and again. I hope the Hon'ble Minister will complete his speech as early as possible.

Shri Abdul Muhib Majumder (Minister)— Sir, I will just take five minutes more. Sir, under the programme we have taken up following schemes. These are—

(a) Commencement of regional exploration for cement and high grade limestone to determine workable resources;

(b) Exploratory drilling and piolot scale studies for determination of reserve of massive sillimanite and economic benefication possibility of low Grade silliminite schist;

(c) Mining of coal in the Sheelvata Coal Field and Mining of coal in the Garampani Coal Field.

(d) Action for limestone Mining Project at NC Hills District.

(e) To complete the remaining part of the exploration work in Sibsagar and Dibrugarh districts.

(f) Micro-level hydrogeological investigation in 3 blocks where major part of the work have already been completed and exploratory drilling cum other ground water studies is in progress. Sir, in view of my assurance given to the Hon'ble Members and also in view of what I have stated in the House, I would requset the Hon'ble Member to withdraw the cut motion,

শ্ৰীমথুৰা ডেকা :—মই কৰ্ত্তন প্ৰস্তাৱটো উঠাই ললো।

Mr. Speaker :— Is it the pleasure of the House to grant leave to withdraw the cut motion ? (voices 'yes' 'yes')

The leave is granted and the cut motion stands withdrawn.

Now I put the main motion that a sum of Rs. 74, 68, 10, 000 be granted to the Minister-in-charge to defray the charges which will come in course of payment during the year ending the 31st March, 1986 for the administration of "Mines, Minerals and Power".

Grant No. 68 is passed. Now Grant No. 17.

Shri Md. Idris ( Minister )— On the recommendation of the Governor of Assam, I beg, Sir, to move that a sum of Rs. 2, 18, 64, 000 be granted to the Minister-in-charge to defray the charges which will come in course of payment during the year ending the 31st March, 1986 for the adiministration of "Treasury and Accounts Administration".

Mr. Speaker :– There is no cut motion. I put the main motion that a sum of Rs. 14, 18, 64, 000 be granted to the Minister-in-charge to defray the charges in course of payment during the year ending the 31st March, 1986 for the administration of "Treasury and Accounts Administration".

Grant No. 17 is passed. Now Grant No. 65.

Shri Ranendra Narayan Basumatari ( Minister )— On the recommendation of the Governor of Assam, I beg, Sir, to move that a sum of Rs. 14, 61, 45, 000 be granted to the Minister-in-charge to defray the charges which will come in course of payment during the year ending the 31st March, 1986 for the administration of "Sericulture and Weaving".

Mr. Speaker :– There is a cut motion to be moved by Shri Mathura Deka

শ্ৰীমথুৰা ডেকা :—অধ্যক্ষ মহোদয়, কৰ্ত্তন প্ৰস্তাৱটো উঠাই লোৱা কথতো সকলোৱে কয় আৰু এইটো চলিয়েই আছে। এই বিষয়ত বহুতো কবলগীয়া আছে। তথাপিতো চমু কৰি প্ৰথমতেই মাননীয় উইভিং বিভাগৰ মন্ত্ৰী মহোদয়ক মই ধন্যবাদ জনাইছো কিয়নো তেখেতে আমাৰ টকাবিলাক লুট কৰিবৰ কাৰণে এক্সপো দেখুৱালে। বহু টকা পইচা গ'ল আৰু লুট কৰাৰ কাৰণেহে এইটো লুতপাট বুলি কোৱা হৈছে। কিন্তু বস্তুটো ভাল। অৱশ্য এইটো আৰু ভাল হলহেতেন যদি আমাৰ গাওঁৰ শিপিনী আৰু বোৱনীসকলক ইয়ালৈ আনি এক্সপো দেখুৱাব পৰা গলহেতেন তেতিয়া সেই শিপিনীসকলে ইয়াৰ পৰা নতুন নতুন ডিজাইন আৰু নক্সা ইত্যাদিৰ কিছু জ্ঞান লাভ কৰিব পাৰিলেহেতেন। আৰু তেতিয়া এই এক্সপো যিটো মূল উদ্দেশ্য এইটো কৃতকাৰ্য্য হলহেতেন অৱশ্যে ইয়াত যথেষ্ট খৰচ হলহেতেন। ভাৰতবৰ্ষৰ বিভিন্ন হেণ্ডলম ফেক্টৰী বিলাকৰ পৰা ভেৰাটিজ ডিজাইনৰ কাপোৰ কানি আনি বিক্ৰী কৰাৰ বাহিৰে শিপিনীসকলৰ একো লাভ নহ'ল। আমাৰ তাত দুই এইন ঠাইত যিবিলাক উইভিং কো-অপাৰেটিভ চোচাইটি আছে তাত চাবচিডি দি সুবিধা কৰি এক্সপো দেখুৱাব পাৰিলেহেতেন অৱশ্যে ইয়াত যথেষ্ট খৰচ হলহেতেন। তথাপি মন্ত্ৰী মহোদয়ক ধন্যবাদ জনাইছো। তাৰ পাচত আমাৰ গাওঁ অঞ্চলত যিবিলাক শালৰ যোগান

ধৰা হয় সেইবোৰ বোৱনীবিলাকে ঘৰলৈ নি পুনৰ মিস্ত্ৰী লগাই বহুত টকা খৰচ কৰি ঠিক কৰি লগাবলগীয়া হয়। ইয়াৰ কাৰণ হ'ল আগতে শাল বিলাকত বনচুম কাঠ দিছিল কিন্তু এতিয়া অকাঠি কাঠ দিয়াৰ এই অৱস্থা হৈছে। গতিকে ঠিকাদাৰক বেচি ৰেটত দি হলেও ভাল কাঠ দিব লাগে। তাৰ পাচত সেই ঠাইবোৰত অ'ত ত'ত কৰি এঘৰত শাল যোগান ধৰাতকৈ ভালদৰে চাৰ্ভে কৰি প্ৰতিখন ঘৰেই যাতেই শাল পায় তেনেভাবে যোগান ধৰিব লাগে। আৰু লগতে সূতাখিনিও ৰেহাই মূল্যত যোগান ধৰিব পাৰিলে শিপিনীসকলৰ যথেষ্ট সহায় হব। আমি জনাত প্ৰতিজন বিধায়কৰ ওচৰলৈ শালৰ দৰ্খাস্ত আহে, মোৰ ওচৰলৈও আহিছে। মই প্ৰায় আঢ়ৈ হাজাৰ শালৰ দৰ্খাস্ত পাইছো আৰু মন্ত্ৰী মহোদয়ক দিছো। তেখেতে দিছে নে নাই কব নোৱাৰো আৰু ৰাইজে পাইছে নে নাই তাকো খবৰ লোৱা নাই। কিয়নো এজনে পালে আনজনে নাপালে মোক জুলুম দিব। যোৱাবাৰও মই কৈছিলো কিন্তু চৰকাৰৰ কাণ মূৰ লৰাব নোৱাৰি। আমাৰ এই যিবিলাক সাধাৰণ বস্তু, সাধাৰণ কথা এই বিলাক গাওঁ-ভূৱে নিস্পত্তি হব লাগে আৰু তাতে কিনাৰ ব্যৱস্থা কৰিব লাগে। আমাৰ গাওঁত ঘৰে ঘৰে বোৱনী আছে। অৰ্থনৈতিক ক্ষেত্ৰত এই বোৱনীসকলৰ দ্বাৰা বিভিন্ন ধৰণৰ কাপোৰ কানি বোৱাই আৰু সেইবিলাক বিক্ৰী কৰি গাওঁৰ মানুহৰ অৰ্থনৈতিক দিশত কিছু সকাহ দিব পাৰে। চৰকাৰৰ ফালৰ পৰাও বিভাগে এই আচনিসমূহ যাতে ঠিকমতে পৰিচালনা কৰে এই দিশত বহুখিনি আগবাঢ়িব পৰা হব। তাৰ পাচত এই উইভিং কো-অপাৰেটিভ ফাৰ্মবিলাক নিজৰ তত্বাবধানত লব লাগে। আগতে এই উইভিং চোচাইটি বিলাক সমবায়ৰ অধীনত আছিল এতিয়া হেণ্ডলুমৰ তললৈ আহিছে। একচেতীয়া হৈছে যেতিয়া ভাল হৈছে। এই ৰেচম বিভাগটো যদি ভালধৰণে চলোৱা হয় ৰাইজে বহুক্ষেত্ৰত অৰ্থ নৈতিক দিশত সকাহ পাব। এইখিনিকে আশা কৰি কৰ্ত্তন প্ৰস্তাৱটো উঠাই লৈ মাননীয় মন্ত্ৰী মহোদয়ক এই ব্যৱস্থাখিনি লবলৈ অনুৰোধ জনাই শেষ কৰিলো।

Mr. Speaker— Is it the pleasure of the August House to grant leave to withdraw the motion?

( affiramtion voice )

The leave is granted and the cut metion stands withdrawn.

Now I put the Demand for Grant No. 65 that a sum of Rs. 14, 61, 45, 000/- be granted to the Minister In-charge to defray the charges which will come in course of payment

during the year ending the 31st March 1986 for the administration of "Sericu tuje and Weaving."

The Morion was passed i. e: the Grant No. 65 was passed,

## CALLING ATTENTION NOTICE

Mr. Speaker—Now Item No. 3—Shri Mohammad Ali to call the attention.

শ্ৰীমহম্মদ আলী—অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্যপৰিচালনা নিয়মাৱলীৰ ৫৪ নং নিয়ম অনুসৰি ১৯৮৫ চনৰ ১৮ ফেব্ৰুৱাৰী তাৰিখৰ দৈনিক অসম কাকতত প্ৰকাশিত "নিমখৰ নাটনি দামৰ আৰব কাহিনী" বাতৰিটোৰ প্ৰতি যোগান বিভাৰগ মীন্ত্ৰৰ মনোযোগ আকৰ্ষণ কৰিলো ।

শ্ৰীধনীৰাম ৰংপী ( মন্ত্ৰী )—১৮-২-৮৫ ইংৰাজী তাৰিখৰ 'দৈনিক অসম কাকতত প্ৰকাশিত নিমখৰ নাটনি 'দামৰ আঁৰৰ কাহিনী' শীৰ্ষক বাতৰিটোৰ প্ৰতি চৰকাৰৰ দৃষ্টি আকৰ্ষিত হৈছে। বাতৰিটো সত্য নহয়। এই সন্দৰ্ভত উনুকিয়াব পাৰি যে ১৯৮৪ ইং চনত প্ৰথম ৬ মাহৰ কাৰণে ৮৮২০০ মেঃ টঃ ৰ বিপৰীতে ষ্টেট্ ফেডে মাত্ৰ ৯ হেজাৰ মেঃ টন অৰ্থাৎ ১০.২ শতাংশ নিমখহে আমদানি কৰিবলৈ সমৰ্থ হয়। ফলত ঠাই বিশেষে নিমখৰ মূল্য উৰ্দ্ধগামী হোৱাটো চৰকাৰৰ দৃষ্টি গোচৰ হয়। সৰ্ব্বসাধাৰণ ৰাইজক ন্যায্য মূল্যত নিমখৰ যোগান ধৰাৰ বাবে তৎকালীনভাবে চৰকাৰে বিকল্প ব্যৱস্থা লবলৈ বাধ্য হয়। আৰু নিমখৰ আমদানি অনুজ্ঞাপত্ৰধাৰী ব্যৱসায়ীক সাময়িকভাবে ৩ মাহৰ কাৰণে নিমখ অনাৰ দায়িত্ব দিয়ে। ১৯৮৪ ইং চনৰ বাকী নিমখ অনাৰ দায়িত্ব ষ্টেট্ ফেডৰ হাতত থাকে। এইখিনিতে উল্লেখ কৰিব পৰা যায় যে ১৯৮৫ ইং চনৰ কাৰণেও নিমখ অনাৰ দায়িত্ব ষ্টেট্ ফেডৰ হাতত অৰ্পিত হৈছে।

১৯৮৪ ৩য় আৰু ৪ৰ্থ কোৱাৰ্টাৰৰ নিমখ ষ্টেটফেডৰ মনোনীত প্ৰাৰ্থী বিলাকৰ নাম চৰকাৰৰ ওচৰলৈ পঠোৱাৰ লগে লগে চৰকাৰৰ অনুমোদন "ৰেল বোৰ্ড" আৰু নিমখ আয়ুক্তক জনায়। কিন্তু পূৰ্ব্বৰ আবন্টিত নিমখ বাকী থকা হেতু ৰেলৱে বোৰ্ডে অতিৰিক্ত "ৰেক" দিবলৈ অসমৰ্থ হয়। অৱশেষে পাচত সেই নিৰ্দ্ধাৰিত প্ৰাৰ্থীবিলাকৰ আৱন্টিন গ্ৰহণ কৰে আৰু সেই হিচাবে ৰেলৱে "ৰেক" দিবলৈ মান্তি হৈছে। কিন্তু এতিয়ালৈকে ৰেলৱে বোৰ্ডে নিৰ্দ্দিষ্ট

পৰিমাণৰ "ৰেক" দিব পৰা নাই। সম্প্ৰতি ৰেলৱে বোৰ্ডে জানিবলৈ দিয়ে যে তেখেতসকলে মাহিলী ৬টা লৈকে "ৰেক" দিব। কিন্তু অসম চৰকাৰৰ পৰা ৰেলৱে বোৰ্ডক কোৱা হৈছে যে মাহিলি ৬টা ৰেক যথেষ্ট নহয় আৰু এই সংখ্যা মাহিলি ১০ টালৈ বঢ়াব লাগে। আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়েও এই সন্দৰ্ভত ৰেল মন্ত্ৰী মহোদয়ক দেখা কৰি অসম চৰকাৰৰ দাবী দাঙি ধৰিছে।

বজাৰত নিমখৰ অভাৱ হোৱা নাই আৰু চৰকাৰৰ নিৰ্দ্ধাৰিত মূল্যত বিক্ৰী হৈ আছে। চৰকাৰে নিমখৰ যোগান আৰু বিতৰণৰ ওপৰত চোকা দৃষ্টি ৰাখিছে আৰু সৰ্ব্বসাধাৰণক ন্যাৰ্য্য মূল্যত নিমখ পোৱাৰ বাবে সকলো ব্যৱস্থা গ্ৰহণ কৰিব।

শ্ৰীহেমেন দাস :—মন্ত্ৰী ডাঙৰীয়াই সচা কথা কোৱা নাই। চৰকাৰে সস্তা দামত নিমখ যোগান ধৰা নাই। ৰাইজে বেছি দামত কিনিছে।

শ্ৰীমথুৰা ডেকা :— মন্ত্ৰী মহোদয়ৰ কথাটো মানিব নোৱাৰিলো।

শ্ৰীমহম্মদ আলী :— চল্ট কমিচনাৰ আৰু ৰেইলওৱে বোৰ্ডৰ পৰা বাৰে বাৰে ৰিমাইণ্ডাৰ অহা স্বত্বেও অসম চৰকাৰৰ যোগান বিভাগে ৰেলওৱে ৰেক ডেচ্পাচ্ অৰ্ডাৰ পঠাব নোৱাৰাৰ বাবে ১৯৮৪ চনৰ থাৰ্ড আৰু ফোৰ্থ কোৱাৰ্টাৰৰ ২৬ ৰেক নিমখৰ কোটা লেপচ্ হ'ল। দ্বিতীয়তে ষ্টেটফেদক ১৯৮৫ চনৰ কাৰণে হেণ্ডলিং এজেণ্ট নিয়োগ কৰা স্বত্তেও উক্ত অনুস্থানটো ( প্ৰাইভেট পাৰ্টি )ক যোগান বিভাগৰ পৰা কিয় নিমখৰ এলটমেণ্ট দিয়া হ'ল আৰু কিমানজনক দিয়া হ'ল। তেওঁলোকৰ ভিতৰত এতিয়ালৈকে কিমানজনে কেইটা ৰেইলওৱে ৰেক আনিলে।

শ্ৰীধনীৰাম ৰংপী (মন্ত্ৰী)—আমাৰ কিছুমান অসুবিধা হৈছে কিয়নো এই নিমখ অনাৰ ক্ষেত্ৰত ৰেইলওৱেৰ এলটমেণ্টৰ ওপৰতহে নিৰ্ভৰ কৰে। আমাৰ চাহিদামতে ১০ ৰেকৰ এলটমেণ্ট লাগে কিন্তু এতিয়ালৈকে আমাক ৬ ৰেক এলটমেণ্ট দিছে। কিন্তু ৰেইলওৱেৰ এলটমেণ্ট নোপোৱাৰ কাৰণে সেইফালৰ পৰা যিখিনি প্ৰয়োজন সেইখিনিও আনিব পৰা নাই। সেই কাৰণে এই অসুবিধাই দেখা দিছে। আমি অনুজ্ঞা পত্ৰ থকা লোককহে হেণ্ডলিং এজেণ্ট দিও। লেপচৰ কথাটো নহয়। আমি আনিবহে পৰা নাই। যিটো কোটা সেইটো আহি পোৱা নাই গতিকে লেপচৰ প্ৰশ্ন নুঠে।

শ্ৰীমথুৰা ডেকা :— অধ্যক্ষ মহোদয়, ষ্টেটফেদক নিমখ অনাৰ কাৰণে পাৰ্মিট দিছিল কিন্তু পাচত আকৌ কিয় প্ৰায়ভেট পাৰ্টিক কিয় নিমখ আনিবলৈ দিছে ?

শ্ৰীধনীৰাম ৰংপী (মন্ত্ৰী)—১৯৭৫ চনৰ পৰা ষ্টেটফেদে নিমখ আনি আছিল কিন্তু নিমখৰ অভাব হোৱাৰ কাৰণে যোগান বিভাগ ১৯৮৪ চনৰ তৃতীয় আৰু চতুৰ্থ এলটমেণ্ট্ৰটো জৰুৰীকালীন হিচাবে লৈ আহিছে। আচলতে গোটেই অসমত ষ্টেটফেদেহে নিমখৰ যোগান ধৰে।

Mr. Speaker— The House stands adjoi urned till 10-00 A. M, tomorrow the 28th March, 1985:

## ADJOURNMENT

The house then rose at 6·19 P. M: and stood adjourned till 10 A. M: on Thursday the 28 th March; 1985,

P. D: Barua
Secretary
Assam Legislative Assembly.

Dated, Dispur
The 27th March, 1985